1992-93

# নগাওঁ ছোৱালী কলেজ

১৯৯২ — ৯৩

# আলোচনী



সম্পাদিকা - ৰীমা ডেকা

# নগাঁও
# ছোৱালী কলেজ আলোচনী

চতুৰ্দশ সংখ্যা

১৯৯২-৯৩ চন

প্ৰতি,

শ্ৰীযুত হৰকান্ত কাইপীয়া দেৱ

তত্ত্বাৱধায়ক :
অধ্যাপক কৃষ্ণ বৰা

সম্পাদিকা :
ৰীমা ডেকা

*নগাঁও ছোৱালী কলেজ*

*আলোচনী সম্পাদনা সমিতি : ১৯৯২-৯৩*

অধ্যক্ষ শ্ৰীবিমল কুমাৰ বৰা
উপাধ্যক্ষা শ্ৰীতৰু বৰুৱা
অধ্যাপক শ্ৰীমহেন্দ্ৰ নাথ শইকীয়া
" শ্ৰীতিলক চন্দ্ৰ মজুমদাৰ
" শ্ৰীঅপূৰ্ব শৰ্মা
" শ্ৰীগুণধৰ গগৈ
" শ্ৰীপ্ৰভাত বৰা
" শ্ৰীটঙ্কেশ্বৰ বৰা
অধ্যাপিকা শ্ৰীস্বপ্না নেওগ

তত্বাৱধায়ক :
অধ্যাপক শ্ৰীকৃষ্ণ বৰা

সম্পাদিকা :
শ্ৰীৰীমা ডেকা

সদস্যা :
শ্ৰীবিউতি বৰা

..............................................

বেতুপাতৰ পৰিকল্পনা :
সম্পাদিকা

প্ৰকাশক : অধ্যক্ষ শ্ৰীবিমল কুমাৰ বৰা

প্ৰকাশ — চতুৰ্দশ সংখ্যা, ১৯৯২-৯৩ চন

ছপাঃ— সুছন্দা প্ৰেছ ঃ বীৰেণ মহন্ত পথ
নগাঁও (আমোলাপট্টি) ৭৮২০০১

# শুভেচ্ছা-বাণী

২৩ চেপ্তেম্বৰ ১৯৯৩

*নগাঁও ছোৱালী মহাবিদ্যালয়ৰ এই বৰ্ষৰ আলোচনী প্ৰকাশ হোৱা উপলক্ষে মহাবিদ্যালয়খনিৰ শিক্ষাৰ্থী, শিক্ষক আৰু কৰ্মচাৰীসকলক মোৰ শুভেচ্ছা জনালোঁ।*

*আলোচনীখনিৰ জৰিয়তে শিক্ষাৰ্থীসকলৰ সাহিত্যিক প্ৰতিভাৰ বিকাশ হ'ব বুলি আশা ৰাখিলোঁ।*

*নিৰ্ম্মল কুমাৰ চৌধুৰী,*
*উপাচাৰ্য্য, গুৱাহাটী বিশ্ববিদ্যালয় ||*

# উছৰ্গা



**৺ৰিংকুমণি বৰা**

জন্ম : ৩১-৪-৭১ মৃত্যু: ১৩-১-৯৩

**দুৰ্বৃত্তৰ হাতত প্ৰাণ আহুতি দিয়া**

*৺ৰিংকুমণি বৰাৰ পবিত্ৰ স্মৃতিত এই সংখ্যাটি উছৰ্গা কৰা হ'ল ।*

## ৰিংকুমণিৰ স্মৃতিত—

তুমি আছিলা মৰম ভিক্ষাৰী
মৰম বিচাৰি তুমি
সোমাইছিলাগৈ জীৱন সাগৰৰ গহ্বৰত
কন্তু ! তুমি পালা কি ?
জীৱন সাগৰৰ সৰ্বস্ব হেৰুৱাই
মৃত্যুক ল'লা সাৱটি !

হে নাৰী !
তুমি জগতত ৰাখি গ'লা
তোমাৰ সতীত্বৰ তেজৰ চেকা !
তোমাক আমি জনমে জনমে
মনত ৰাখিম বুলি দিলো প্ৰতিশ্ৰুতি ॥

**বঞ্জিতা শইকীয়া**
স্নাতক ২য় বাৰ্ষিক

# তত্ত্বাৱধায়কৰ একাষাৰ ঃ

নগাঁও ছোৱালী কলেজ আলোচনীখন প্ৰতি বছৰে প্ৰকাশ পাই থকাটো কলেজখনৰ সংশ্লিষ্ট শিক্ষাসদীসকলৰ বাবে এক গুৰুত্বপূৰ্ণ কথা বুলি ভাবিবৰ স্থল আছে। কলেজৰ মুখপত্ৰ এই আলোচনীখনেই হৈছে ছাত্ৰীসকলৰ বিৱিধ ধ্যান-ধাৰণা, সৃষ্টি আৰু আদৰ্শ প্ৰকাশৰ এক-মাত্ৰ মাধ্যম। মনৰ সম্পদ-বিপদৰ সকলো কথা খুলি ক'বলৈ যিদৰে অন্তৰঙ্গ বন্ধুৰ দৰ্কাৰ সেইদৰে অধ্যয়ন কৰি লাভ কৰা বা জীৱনৰ অভিজ্ঞতাৰ টুকি ৰখা অনেক মনৰ সাঁচতীয়া কথা খোলোচাকৈ প্ৰকাশ কৰিবলৈ আলোচনীখনৰ দৰ্কাৰ। বৰং এইক্ষেত্ৰত অন্তৰঙ্গ বন্ধুতকৈও আলোচনীখনে বেছিহে সহায় কৰে। এই কথা চকুৰ আগত ৰাখিয়েই কলেজ কৰ্তৃপক্ষই কলেজ আলোচনীখন প্ৰকাশ পোৱাৰ ক্ষেত্ৰত সকলো প্ৰকাৰে সহায়-সহযোগিতা আগবঢ়াই আহিছে। কলেজ আলোচনীৰ ১৯৯২-৯৩ চনৰ বছৰেকীয়া সংখ্যাটো প্ৰকাশ পাইছে। কলেজ আলোচনীখন প্ৰকাশ কৰাৰ বাবে এইবাৰৰ সম্পাদিকাই দায়িত্ব লোৱাৰ পিছৰে পৰা আলোচনীখনৰ প্ৰকাশৰ বাবে লগা সকলো প্ৰকাৰৰ লেখনি-সম্ভাৰ, বেটুপাতৰ অলঙ্কৰণ, ফটোগ্ৰাফ, সম্পাদনা সমিতি গঠন আৰু ছপাশাল নিৰ্দ্ধাৰণ আদি যাৱতীয় কামবোৰ কৰিবলৈ বৰ তৎপৰ হৈ পৰা পৰিলক্ষিত হৈছিল। এইবাৰৰ সম্পাদিকাৰ তৎপৰতা দেখি বৰ ভাল পাইছিলোঁ। কিন্তু সম্পাদিকাই যেনেভাৱে আলোচনীখন প্ৰকাশ কৰি উলিয়াব বুলি ভাবিছিল, তেনেভাৱে নিশ্চয় পৰা নাই। সম্পাদিকাই ছাত্ৰীসকলৰ পৰা লেখনি বিচাৰি জাননী দিয়াৰ উপৰিও লগ ধৰি ছাত্ৰীসকলক লিখিবলৈ কৈছিল। এনেদৰে চেষ্টা কৰি বহু দিনৰ পিছত অৱশ্যে কিছু সংখ্যক লেখনি আদায় কৰিব পাৰিছিল। কিন্তু আলোচনী এখন ভালদৰে উলিয়াবলৈ সেইখিনিয়েই যথেষ্ট নহয়। যাহওক সেইখিনিকে সম্পাদনা সমিতিৰ হাতলৈ দি শুধৰণি কৰাই কিছু লেখনি ছপাবৰ বাবে ঠিকঠাক কৰিলে। বেটুপাতৰ অলঙ্কৰণৰ বাবে ছাত্ৰীসকলক জাননী দিয়াৰ সত্বেও আলোচনী ছপাশালত দিয়ালৈকে কলেজৰ প্ৰায় দুহেজাৰ ছাত্ৰীৰ কোনেও বেটুপাতৰ যোগান ধৰিব নোৱাৰিলে। অৱশেষত কলেজৰ বাহিৰৰ শিল্পীৰ জৰিয়তে বেটুপাত যুগুতাই আনিব লগা হ'ল। কলেজখনৰ ছাত্ৰীসকলৰ বাবে ই সঁচাকৈয়ে বৰ অনুতাপৰ

বিষয়। তদুপৰি আলোচনীত দিব লগা ফটোগ্ৰাফৰ বাবে চেষ্টা কৰা সত্বেও সংশ্লিষ্টসকলক একগোট কৰি ফটো তুলিবলৈ সমৰ্থ নহ'ল। সম্পাদিকাই কলেজৰ অধ্যাপক-অধ্যাপিকাসকলৰ পৰাও লেখনি বিচাৰি একাধিকবাৰ সকলোকে অনুৰোধ জনাইও কোনো সহাঁৰি নাপাই হতাশ হোৱা বুলি কৈছিল। এনেবোৰ অসুবিধা সত্বেও আলোচনীখন ছপা হৈ ওলাল।

কলেজ আলোচনীখনৰ ভালদৰে প্ৰকাশ কৰি উলিওৱাৰ কামটো অকল সম্পাদিকাৰে নহয়। সম্পাদিকাক কলেজৰ প্ৰতি গৰাকী ছাত্ৰীয়েই সহায় কৰিব লাগে। কোনবোৰ কামত সহায় কৰিব লাগে তাৰ ইঙ্গিত ওপৰত দি অহা হৈছে। নগাঁও হোৱালী কলেজত অধ্যয়ন কৰি ছাত্ৰীসকলে যিদৰে গৌৰৱ অনুভৱ কৰে, নিশ্চয় ঐতিহ্যমণ্ডিত এই কলেজখনৰ পৰা ওলোৱা আলোচনীখন হাতত লৈ সমানেই গৌৰৱ অনুভৱ কৰিব লাগে। সেইবাবে ভাল আলোচনী এখন সকলো দিশৰ পৰাই সজাই-পৰাই উলিওৱাটো সকলো ছাত্ৰীৰে ব্ৰত হ'ব লাগে। কলেজৰ অধ্যাপক-অধ্যাপিকাসকল ছাত্ৰীসকলৰ সহায়ৰ বাবেই আছে। ছাত্ৰীসকলে তেওঁলোকসকলৰ পৰা কাম আদায় কৰি লোৱাৰ কৌশলো জানিব লাগে। এইবাৰৰ আলোচনী সম্পাদিকাই তেওঁলোকসকলৰ পৰা লেখনি আদায় কৰিব নোৱাৰাৰ মূলতে হয়তো ক্ৰটী নোহোৱা নহয়। এই দিশত সম্পাদিকা সকল ভৱিষ্যতে সচেতন হ'ব লাগে। কলেজ আলোচনীখনৰ বছৰেকীয়া সংখ্যাটো যাতে সুন্দৰ ৰূপত প্ৰকাশ হৈ ওলাব পাৰে, তাৰ বাবে সহকৰ্মী সকলো অধ্যাপক-অধ্যাপিকাক তেওঁলোকসকলৰ বহুমূলীয়া পৰামৰ্শ আৰু সহায় আগবঢ়াই ছাত্ৰীসকলক উৎসাহিত কৰিবলৈ এই ছেগতে অনুৰোধ জনালোঁ।

এই বছৰৰ আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে কলেজ কৰ্তৃপক্ষ, কলেজ কৰ্মচাৰী আৰু সম্পাদনা সমিতিৰ মাননীয় সদস্যসকললৈ শলাগ আৰু ধন্যবাদ জনালোঁ। বেটুপাত অলঙ্কৰণৰ শিল্পী গৰাকীৰ প্ৰতিও শুভেচ্ছা আৰু ধন্যবাদ আগবঢ়ালোঁ আৰু নগাঁও সুছন্দা প্ৰেছৰ সত্বাধিকাৰিণী আৰু কৰ্মীসকলৰো শলাগ লওঁ।

নগাঁও　　　　　　　　　　　　　　　　　　শ্ৰীকৃষ্ণ বৰা

তাং— ৬/৭/৯৪



# সম্পাদকীয়

লেখনিৰ বাটচ'ৰাতে আই অসমীৰ অস্তিত্ব ৰক্ষাৰ্থে নিজৰ জীৱন আহুতি দিয়া মৃত্যুঞ্জয়ী শত-সংগ্ৰামী ছহিদসকললৈ মোৰ আন্তৰিক শত-সহস্ৰ প্ৰণাম তথা শ্ৰদ্ধাঞ্জলি জনালোঁ।

আজি হাতত কলম তুলি ললেই লিখিবলৈ মন যায় সেই একেটা কথা—যি চিৰন্তন সমগ্ৰ নাৰী জাতিৰ বাবে অভিশাপৰ প্ৰাচীৰ হৈ থিয় দিছে। পাৰিপাৰ্শ্বিকতা, প্ৰদূষণ, ধৰ্মান্ধতা, লেতেৰা ৰাজনীতি, চৰকাৰী ৰঙা-ফিটাৰ মেৰপাক, দুৰ্নীতি—এই সকলো সেই সমস্যাৰ তুলনাত গৌণ হৈ পৰে। সেই সমস্যা হৈছে সমগ্ৰ নাৰী জাতিৰ সমস্যা। শিক্ষিত সভ্য সমাজৰে বাসিন্দা, সততে অন্যায়-অত্যাচাৰৰ বলি হৈ থাকিব লগা হৈছে নাৰী সমাজ। বহুতো নেতৃত্বমুখী ব্যক্তিৰ ভাষাত প্ৰয়োজন হৈছে নাৰী বিদ্ৰোহৰ। কিন্তু প্ৰশ্ন হয়, এই বিদ্ৰোহ হ'ব কাৰ বিৰুদ্ধে—প্ৰচলিত পুৰুষ শাসিত সমাজৰ বিৰুদ্ধে অথবা প্ৰচলিত সামাজিক ব্যৱস্থাৰ বিৰুদ্ধে। যদি বিদ্ৰোহৰ কথাকেই ধৰা হয়, তেনেহ'লে নাৰীয়েই কৰিব লাগিব বিদ্ৰোহ—পিতা,-পুত্ৰ, ভাতৃ-সকলৰ বিৰুদ্ধে। এয়া জানো সম্ভৱ? ভাব হয় এটা অন্ধকাৰ কোঠাৰ গুহাত আবদ্ধ আজি নাৰী জাতিয়ে হেৰুৱাই পেলাইছে দুৱাৰ মুখৰ সন্ধান। পূৰ্বাঞ্চলৰ মেঘালয়ৰ খাচী, জয়ন্তীয়া ভাই-ভনীহঁতলৈ চালে ভাব হয় এই প্ৰশ্নবোৰৰ উত্তৰ হাততে আছে, কিন্তু উত্তৰণ কালৰ পৰা চলি অহা সমাজ-ব্যৱস্থা আৰু আইন শৃংখলাৰ দোহাই দিয়া ৰক্ষকেই ভক্ষক হোৱাৰ নিচিনাকৈ সময়ে সময়ে হৈ থকা ধৰ্ষিতা, যৌতুকৰ কাৰণে জ্বলাই দিয়া বাই-ভনীসকললৈ মনত পৰি মনটো অশান্তিত গুজৰি-গুমৰি উঠে। এজাক সামৰিক বাহিনীৰ পাশবিক অত্যাচাৰৰ বলি হোৱা কোনজনী ভনীয়ে মাৰ্চিয়েল আৰ্টৰ চূড়ান্ত ডিগ্ৰীধাৰী হৈ নিজৰ আত্ম-সন্মান ৰক্ষা কৰিব পাৰিব? অথবা ন্যায় বিচাৰ বিচাৰি বিচাৰালয়ৰ কাঠগড়াত থিয় হৈ উকীলৰ সহস্ৰ নাঙঠ প্ৰশ্নৰ উত্তৰ জানো দিব পাৰিব? তাতোকৈ দুখৰ কথা, একোজনী সন্তান-সম্ভৱা বোৱাৰীয়ে নিজৰ মাতৃসম শাহুৱেকৰ পৰা পোৱা অসীম যন্ত্ৰণা.


যৌতুকৰ কাৰণে জ্বলাই দিয়া দেহৰ পোৰণিতকৈয়ো সাংঘাতিক প্ৰতিদিনে পোৱা বাক জুইৰ বানবোৰ। সেয়েহে এই সকলো প্ৰশ্নৰ উত্তৰ বিচাৰি হাবাথুৰি খাই ভাবো, বিংশ শতিকাৰ আজিৰ নাৰী জাতিয়ে কলৈ খোজ পেলাইছে, বিংশ শতিকা শেষেই হৈছে, আশা কৰিছোঁ নাৰী জাতিৰ প্ৰতি থকা অভিশাপবো অন্ত হৈ আহিছে।

এনেবোৰ সহস্ৰ চিন্তাৰ কুঁৱলীৰ মাজত এচেৰেঙা ৰ'দৰ দৰে জিলিকি আছে আমাৰ কলেজখন। মনলৈ এক উজ্জ্বল ভাৱে কঢ়িয়াই আনে এয়াই উত্তৰ, এয়াই উত্তৰ। নাৰী জাতিৰ বাবে অতীৱ প্ৰয়োজন হ'ল শিক্ষা ব্যৱস্থাৰ। এক কাৰ্য্যকৰী শিক্ষা ব্যৱস্থাৰ—যি শিক্ষা ব্যৱস্থাৰ জৰিয়তে নাৰীয়ে নিজকে এই সকলোবোৰৰ পৰা ৰক্ষা কৰিব পৰাকৈ সমৰ কৌশল বাছি উলিয়াব পাৰে, যুগে যুগে কঢ়িয়াই অনা পৰাধীনতাৰ শিকলিদাল চিঙি দলিয়াই দিব পাৰে। প্ৰচলিত পাঠ্যক্ৰম আৰু শিক্ষা ব্যৱস্থাৰে চলি আজিও এই মহাবিদ্যালয়ে কঢ়িয়াই আনিছে নগাঁও জিলাৰে নাৰী জাতি আৰু ছাত্ৰী সমাজলৈ গৌৰৱ-উজ্জ্বল চানেকি। মধ্য অসমৰ একমাত্ৰ নাৰী শিক্ষানুষ্ঠানখন হ'ল নগাওঁ ছোৱালী কলেজ। অতি পুৰণি আৰু ঐতিহ্যমণ্ডিত নগাওঁ ছোৱালী কলেজখন নগাওঁ জিলাৰ ভিতৰতেই একমাত্ৰ নাৰী শিক্ষাৰ কেন্দ্ৰস্থল। এই শিক্ষানুষ্ঠানখনৰ প্ৰতিষ্ঠাপক আমাৰ পৰম পূজনীয় শ্ৰদ্ধাৰ প্ৰাক্তন অধ্যক্ষ ৺মহেশ চন্দ্ৰ দেৱ গোস্বামীদেৱে নগাঁও চহৰৰ কলং পাৰত নিৰ্জন সুপৰিবেশত স্থাপন কৰি নগাঁও লগতে মধ্য অসমৰ সকলো ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰিবৰ বাবে উপযোগীকৈ গঢ়ি তুলিলে। সেই গৰাকী মহান ব্যক্তিক আমি কোনো দিনে স্মৰণ নকৰাকৈ থাকিব নোৱাৰিম। ৺গোস্বামীদেৱে প্ৰতিষ্ঠা কৰা বৰ্ত্তমান অৰ্দ্ধ শতাব্দীৰ ওচৰলৈকে সুশৃংখলাবদ্ধ শিক্ষাৰ পৰিবেশ গঢ়ি তুলি দিনক দিনে সু-ফলাফল দেখুৱাই আহিছে এই মহাবিদ্যালয়খনে। ইয়াৰ ব্যতিক্ৰম কোনো দিনে কৰা নাই। মহাবিদ্যালয়খনৰ আন এটা ঐতিহ্যমণ্ডিত পৰম্পৰা হৈছে সুমাৰ্জিত ইউনিফৰ্মবোৰ। এই ক্ষেত্ৰত আমাৰ কলেজখন অসমৰ ভিতৰতেই খ্যাত বুলি কলে বঢ়াই কোৱা নহ'ব। এই ঐতিহ্যমণ্ডিত কলেজখনৰ বাৰ্ষিক মুখপত্ৰখন হৈছে 'নগাঁও ছোৱালী কলেজ আলোচনী।' এই কলেজৰ আলোচনীখনৰ জৰিয়তে ছাত্ৰীসকলৰ চিন্তা-চৰ্চাৰ প্ৰকাশ পায়। ই তেওঁলোকৰ সাহিত্যৰ প্ৰতি থকা অনুৰাগ বৃদ্ধি কৰাত সহায় কৰে। নিজৰ লেখনি প্ৰকাশ কৰি আত্ম-তৃপ্তি লাভ কৰাৰ উপৰিও প্ৰেৰণা যোগাই আহিছে, ভৱিষ্যতে নিজৰ লেখনিৰ জৰিয়তে সমাজৰ গঠনমুখী প্ৰতিচ্ছবি এখন দাঙি ধৰাৰ। লগতে সৃষ্টি হৈছে কালজয়ী সাহিত্যৰ। নিজে সাহিত্যৰ ক্ষেত্ৰত আগৰণুৱা নহয় যদিও মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ লেখনিৰেই আন্তৰিক চেষ্টাৰে আলোচনীখন সম্পাদনা কৰিবলৈ আগবাঢ়িলোঁ। সদৌ শেষত নগাঁও ছোৱালী কলেজৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি আৰু লগতে কলেজ আলোচনীখনৰ প্ৰকাশৰ বাবে উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ লেখনি সামৰিলোঁ॥

***কৃতজ্ঞতা জ্ঞাপনঃ***— প্ৰথমে মই নগাঁও ছোৱালী কলেজৰ সমূহ ছাত্ৰীকেই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ, মোক আলোচনী সম্পাদিকা হিচাবে নিৰ্বাচিত কৰাৰ বাবে। এই সংখ্যাটোৰ সম্পাদনাত অধ্যক্ষ শ্ৰীবিমল কুমাৰ বৰা, তত্বাৱধায়ক শ্ৰীকৃষ্ণৰাম বৰা, শ্ৰীতিলক চন্দ্ৰ মজুমদাৰ, শ্ৰীঅপূৰ্ব শৰ্মা, শ্ৰীপ্ৰভাত বৰা, শ্ৰীগুণধৰ গগৈ চাৰে মোক আলোচনীখন প্ৰকাশ কৰাত যিদৰে উপদেশ, সহায় আদি আগবঢ়ালে তাৰ বাবে তেখেতসকলৰ ওচৰত মই চিৰকৃতজ্ঞ। কলেজৰ যিসকল ছাত্ৰীয়ে নিজৰ লেখনি আগবঢ়াই এই আলোচনীখন সম্পাদনা কৰাত সহায় কৰিলে তথা মোৰ সহকৰ্মী বান্ধৱীসকলৰ উৎসাহ-উদ্দীপনাই মোক আলোচনীখন সম্পাদনা কৰাত যি সহায়-সহযোগ কৰিলে তাৰ বাবে তেওঁলোকক অশেষ ধন্যবাদ জনাইছোঁ।

***ৰীমা ডেকা***

১৯৯২-৯৩ আলোচনী সম্পাদিকা





| | | |
|---|---|---|
| এটি নৱীন সূৰ্য্যৰ প্ৰতীক্ষাত | দীপামণি বৰা | ১ |
| স্বদেশৰ কথাৰে | নিৰ্মালি বৰা | ৩৮ |
| দৃপ্ত প্ৰত্যেয়েৰে | ৰীতামণি হাজৰিকা | ৪৪ |
| উজাগৰে বহু বছৰ | প্ৰণতি বৰা | ৪৪ |
| নাৰী | ভাৰতী হাজৰিকা | ৪৭ |
| বিষ্ণু ৰাভাৰ সোঁৱৰণত | চম্পা নাথ | ৬০ |
| দুটি গীত | নমিতা ডেকা | ৬১ |
| নীৰৱতা | গীতামণি হাজৰিকা | ৬২ |
| সাম্প্ৰতিক | ফুনুমণি শইকীয়া | ৬২ |
| হেঁপাহ | জোনমণি হাজৰিকা | ৬৩ |
| অনুভৱ | নিৰ্মালি দেৱী | ৬৪ |
| দুটি কবিতা | মালামণি বৰা | ৬৯ |
| Thinks Of You | Rinku Ghosh | ৭৪ |
| What Is Life | Jilmil Mahanta | ৭৫ |
| Butterfly | Jilmil Mahanta | ৭৫ |
| बेचैनी | पुरवी मराली | ৭৬ |
| मेरा अपना | पुरवी मराली | ৭৬ |






| | | |
|---|---|---|
| অসমীয়া শিশু সাহিত্য | মালবিকা বৰুৱা | ২ |
| শংকৰী সংস্কৃতি আৰু অসমীয়া জন-জীৱনত ইয়াৰ প্ৰভাৱ | দীপামণি বৰা | ১৩ |
| মুক্তিযোদ্ধা নেলচন মেণ্ডেলা | ৰাণী ভাগৱতী | ২৩ |
| সংগ্ৰামেই যাৰ জীৱন | কবিতা বৰা | ৪৫ |
| শ্ৰীমন্ত শঙ্কৰদেৱ আৰু বৈষ্ণৱ ধৰ্ম | ইলাৰাণী শৰ্মা | ৫৬ |
| বৰগীত | বুলবুল বৰদলৈ | ৬৫ |






| | | |
|---|---|---|
| মৌন প্ৰতিশ্ৰুতি | নমিতা ডেকা | ১৭ |
| এটা ভয় লগা ৰাতি | ৰঞ্জিমা বৰা | ২৭ |
| ধৰ্ষিতা | ৰীমা ডেকা | ৩৯ |
| উপেক্ষা | মিচ্ জেফৰিণ চুলতানা | ৪৮ |
| নৱ জীৱন | ববী শইকীয়া | ৫১ |
| নিষ্প্ৰদীপ | ইন্দুমণি দেৱী | ৭০ |




অধ্যক্ষ প্ৰদীপ শইকীয়াৰ লগত এখন্তেক—

## ।। একাঙ্কিকা নাট ।।

গৰীৱ এক বেদনাৰ শিখা — ৰীতা বৰদলৈ — ৩১

সম্পাদিকাসকলৰ প্ৰতিবেদনসমূহ — (ক—ঞ)


## ।। এটি নৱীন সূৰ্য্যৰ প্ৰতীক্ষাত ।।


দীপামণি বৰা
স্নাতক ৩য় (দিবা)


এন্ধাৰত বাট বুলি ক্লান্ত হৈ পৰা
সৰ্বহাৰা জনতাৰ দলে
জীৱনৰ খলা-বমা বাটত
আশা আৰু নিৰাশাৰ মাজত
ৰৈ আছে আজি
এটি নৱীন সূৰ্য্যৰ প্ৰতীক্ষাত ।
কিন্তু উদয় হ'ব জানো সেই নৱ সূৰুযৰ
যাৰ বাবে জনতাই কৰিছে হাহাঁকাৰ
সেই সূৰুযৰ পোহৰে
কৰিব পাৰিব জানো সৃষ্টি
এটি নৱীন যুগৰ !
যেতিয়া দেখিব সেই নৱীন যুগৰ দীপ্তিমান সূৰ্য্যৰ পোহৰ
তেতিয়া হাঁহিব জনতাই আনন্দৰ প্ৰাণ খোলা হাঁহি
বহু শ্বহীদৰ তেজেৰে ৰাঙলি হোৱা
এই সমাজৰ চিতা-ভস্মত
ৰচিব জনতাই এখন নতুন পৃথিৱী—
যত মানুহ নহয় লাঞ্ছিত
নহয় মানুহ বঞ্চিত নিজ প্ৰাপ্যৰ পৰা,
যত নাই ভেদাভেদ ধনী-দুখীয়াৰ
যত নাই কোনো জাতিভেদ সাম্প্ৰদায়িকতাৰ !
সেই নৱ প্ৰভাতৰ হ'ব জানো সূৰ্য্যোদয় ?
বুকুৰ জ্বালা বুকুতে সাবটি লৈ
পাব জানো মূঢ় জনতাই
সেই নৱ প্ৰভাতৰ মধুময় ক্ষণ ?

—

# অসমীয়া শিশু সাহিত্য

*মালবিকা বৰুৱা*
স্নাতক ২য় বৰ্ষ ॥

উন্নত ভাষা আৰু সাহিত্যই হৈছে এটা জাতিক সভ্যতাৰ পথত আগবঢ়াই নিয়াৰ প্ৰথম আৰু প্ৰধান মাধ্যম। কিন্তু এই উন্নত সাহিত্যৰ সৃষ্টি এদিনৰ ভিতৰতে সম্ভৱ নহয়। হেজাৰ-হেজাৰ বছৰৰ ক্ৰমবিকাশৰ ফলতহে উন্নত সাহিত্যৰ সৃষ্টি সাধন সম্ভৱ হয়।

কোনো এটা জাতিৰ জীৱনাদৰ্শ, শিক্ষা-দীক্ষা, কলা-সংস্কৃতি আদিৰ বিষয়ে জানিবৰ বাবে সেই জাতিৰ সাহিত্য অধ্যয়ন অত্যন্ত অপৰিহাৰ্য্য। সেয়েহে অসমীয়াৰ জাতীয় জীৱনৰ ধাৰক আৰু বাহক অসমীয়া সাহিত্যই হৈছে অসমবাসীৰ সামাজিক, সংস্কৃতিক আদিকে ধৰি অন্যান্য দিশসমূহৰ লগত বিশদভাৱে চিনাকি হবৰ বাবে অপৰিহাৰ্য্য তথা উল্লেখনীয় সমল।

বৰ্ত্তমানৰ অসমীয়া সাহিত্য হেজাৰ বছৰৰ ক্ৰম বিকাশৰ ফল। ড° মহেশ্বৰ নেওগৰ মতে "চতুৰ্দশ আৰু ষোড়শ শতিকাত কামৰূপ আৰু কোচবিহাৰৰ ৰজাসকলৰ পৃষ্ঠপোষকতাত পুৰণি অসমীয়া সাহিত্যই গা কৰি উঠিছিল।" তাৰ পৰা আহি আহি নানান ঘাত-প্ৰতিঘাতৰ মাজেৰে অসমীয়া সাহিত্যই বৰ্ত্তমান অৱস্থাত প্ৰৱেশ কৰে। অসমীয়া সাহিত্যক প্ৰকৃততে তিনিটা যুগত ভাগ কৰিব পৰা যায়।

ক) আদি যুগ (খৃঃ ৯৫০—১৩০০)
খ) মধ্য যুগ (খৃঃ ১৩০০—১৮২৬)
গ) বৰ্ত্তমান যুগ (১৮২৬— )

অসমীয়া সাহিত্যৰ বৰ্ত্তমান যুগ মিছনেৰীসকলৰ আগমনৰ পৰা বুলি ধৰা হয় যদিও প্ৰকৃততে হেমচন্দ্ৰ, গুণাভিৰাম প্ৰমুখ্যে কেইজনমান অনা-খ্ৰীষ্টিয়ান সাহিত্যিকৰ অভ্যুদয়ৰ কালছোৱাতে অসমীয়া সাহিত্যৰ বৰ্ত্তমান যুগৰ ভেটি নিৰ্মাণ কৰা হয়। ইয়াৰ পিছৰ পৰাই এই ভেটিৰ ওপৰত সাহিত্যৰ সৌধ ক্ৰমে নিৰ্মাণ হবলৈ ধৰে।

বৰ্ত্তমানৰ অসমীয়া সাহিত্যক ৰচনাৰ ভিত্তিত কেইবাটাও ভাগত ভাগ কৰা হৈছে।



উদাহৰণ স্বৰূপে— ক) ৰচনা-সাহিত্য খ) জীৱনী-সাহিত্য গ) কাব্য-সাহিত্য ঘ) গীতি-সাহিত্য ঙ) গল্প সাহিত্য চ) উপন্যাস সাহিত্য ছ) শিশু সাহিত্য আৰু জ) নাট্য সাহিত্য।

অন্যান্য সাহিত্য ৰচনাৰ দৰে শিশু সাহিত্য ৰচনাৰ ওপৰতো অত্যাধিক গুৰুত্ব আৰোপ কৰিব লাগে। বাস্তৱ ক্ষেত্ৰৰ পৰা চাবলৈ গলে উন্নত শিশু সাহিত্য ৰচনা হৈছে এটি কঠিন কাম। কিয়নো যেতিয়ালৈকে সেই শিশু সাহিত্যসমূহে শিশুৰ ওপৰত শুদ্ধ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব নোৱাৰে তেতিয়ালৈকে সেই শিশু সাহিত্যৰ মানদণ্ড উন্নত হৈছে বুলি কব পৰা নাযায়। এই শিশু-সাহিত্য ৰচনাৰ ওপৰত প্লেটোৱে তেওঁৰ মতামত এইদৰে ব্যক্ত কৰিছে—"এজন শিশু সাহিত্যিকে শিশু সাহিত্য ৰচনা কৰাৰ সময়ত যথেষ্ট সাৱধানতা অৱলম্বন কৰা উচিত। শিশু-সাহিত্যত কেতিয়াও অলৌকিকতাক স্থান দিব নালাগে। যাতে শিশুৱে নিজকে অলৌকিকতাবাদৰ পৰা আঁতৰাই সত্যৰ ওপৰত প্ৰতিষ্ঠিত কৰিব পাৰে।"

আমাৰ অসমীয়া শিশু সাহিত্যসমূহ এতিয়াও তেনেই অপৰিণত অৱস্থাতে আছে। ইয়াৰ বাবে অৱশ্যে লেখকসকলৰ লগতে পঢ়ুৱৈ সমাজো কম-বেছি পৰিমাণে দায়ী। কিয়নো পঢ়ুৱৈ সমাজৰ কম গুৰুত্বৰ ফলত শিশু-সাহিত্যৰ এতিয়াও বহু প্ৰচলন হোৱাগৈ নাই। কিন্তু আধুনিক যুগৰ একোজন সচেতন নাগৰিক হিচাবে পঢ়ুৱৈ সমাজৰ অন্তৰ্গত প্ৰত্যেকজন পিতৃ-মাতৃয়ে তেওঁলোকৰ সন্তানসকলক উন্নতমানৰ শিশু-সাহিত্যৰ যোগান ধৰাত অভ্যস্ত হব লাগে।

শিশুৰ বুদ্ধি-বৃত্তি আৰু ৰুচিৰ বিকাশত উপযোগী সাহিত্যই বিশেষ সহায় কৰে আৰু সাহিত্যস্পৃহা জগাই উচ্চ সাহিত্য সৃষ্টিৰ বীজ ৰোপণ কৰে। শিশু-সাহিত্য ৰচনা কৰিবৰ সময়ত সদায় শিশুৰ বয়স অনুযায়ী বৃদ্ধিপ্ৰাপ্ত বুদ্ধি-বৃত্তি আৰু চিন্তা-চৰ্চাৰ ওপৰত গুৰুত্ব আৰোপ কৰিলে শিশু-সাহিত্য ৰচনা অধিক ফলপ্ৰসূ হয়। অসমৰ যিসকল শিশু-সাহিত্যৰ লেখক-লেখিকা আছে তেওঁলোকে চাব লাগে যে তেওঁলোকৰ সাহিত্যই শিশুসকলৰ মাজত শিশুক আনন্দ দিয়া, সাহস যোগোৱা, অলৌকিকতাবাদ বিশ্বাস নকৰা, সু-নাগৰিকত্বৰ বীজ ৰোপণ কৰা, জ্ঞান-শিক্ষা বৃদ্ধি কৰা, আত্মনিৰ্ভৰশীল হবলৈ যত্ন কৰোৱা আদি গুণবোৰ প্ৰতিষ্ঠা কৰাত সহায় কৰিছেনে নাই। ইয়াৰ লগতে আৰু এটা কথা আহি পৰে। তেওঁলোকে চোৱা উচিত যে শিশুসকলৰ সাহিত্যসমূহৰ প্ৰকাশ-ভঙ্গী, ভাষা আৰু শব্দ-চয়ন সদায় যেন সহজ সৰল হয়, কিয়নো সহজ-সৰল, ৰসাল শ্ৰুতি-মধুৰ বাক্যই আৰু লগতে বিষয়বস্তু অনুযায়ী চিত্ৰৰ ব্যৱহাৰে শিশু-সাহিত্যক অধিক আকৰ্ষণীয় আৰু সহজবোধ্য কৰি তোলে।

পুৰণি অসমীয়া সাহিত্যত প্ৰকৃতাৰ্থত শিশুসকলক উদ্দেশ্য কৰি কোনো ধৰণৰ

সাহিত্য ৰচনা কৰা হোৱা নাছিল। ধৰ্ম-বিষয়ক যিকেইখন পুথি—অৰ্থাৎ 'ভীম-চৰিত' কাণখোৱা, মাধৱদেৱৰ নাট (ঝুমুৰা) সমূহ শিশু-কৃষ্ণ-চৰিত্ৰ বিষয়ক সুন্দৰ শিশু সাহিত্য। শিশুলীলা আদি পুথিসমূহ আছিল শিশুসকলৰ বাবে দুৰ্বোধ্য। এই পুথি-সমূহৰ বিষয়বস্তুৰ জ্ঞান-শ্ৰৱণ বা নাট্যাভিনয়ৰ মাজেৰেহে শিশুসকলক দিয়া হৈছিল।

বৰ্ত্তমান যুগৰ অসমীয়া শিশু সাহিত্যৰ ভেটি পতন হয় মিছনেৰীসকলৰ দ্বাৰা প্ৰকাশিত 'অৰুণোদই' নামৰ কাকতৰ জৰিয়তে। আনন্দ-ৰাম ঢেকিয়াল ফুকনৰ 'অসমীয়া লৰাৰ মিত্ৰ' আৰু মিছনেৰীসকলৰ 'বাইবেলৰ সাধু', 'ইংলৰ বাঁহ'. 'আফ্ৰিকাৰ কেঁাৱৰ', 'মাউৰী-ছোৱালী' আদিয়েই আছিল 'অৰুণোদই'ৰ পাতত আধুনিক অসমীয়া শিশু-সাহিত্যৰ প্ৰথম স্তৰৰ ৰচনা।

জোনাকী যুগৰ লেখক লক্ষ্মীনাথ বেজ-বৰুৱাই শিশু সাহিত্যৰ গুৰুত্ব উপলব্ধি কৰি 'জুনুকা' 'ককাদেউতা আৰু নাতি লৰা', 'বুঢ়ী আইৰ সাধু' আদি ৰসাল শিশু সাহিত্য পুথি ৰচনা কৰে। ইয়াৰ পিছতেই পদ্মনাথ গোহাঞি বৰুৱাদেৱৰ সচিত্ৰ 'টেটোন-তামুলী' অসমীয়া শিশু-সাহিত্যৰ ভৰাললৈ অন্যতম অৱদান বুলিব পাৰি।

ইয়াৰ পিছতেই নানাবিধ সাধুকথাৰ ভিতৰত বিষ্ণুপ্ৰিয়া দেৱীৰ 'সাধুকথা' জ্ঞানানন্দ ভগতীৰ 'সাধুকথাৰ জোলোঙা' কুমুদেশ্বৰ বৰ-ঠাকুৰৰ 'সাধুৰ ভড়াল'. শৰৎ চন্দ্ৰ গোস্বামীৰ 'অসমীয়াৰ সাধুকথা', ত্ৰৈলোকেশ্বৰী দেৱী বৰু-ৱানীৰ 'সন্ধিয়াৰ সাধু', ড' বাণীকান্ত কাকতীৰ 'পখিলা', মিত্ৰদেৱ মহন্তৰ 'জুনজুনী', হৰি-প্ৰসাদ বৰুৱাৰ 'মইনা' আৰু 'বিৰচতীয়াৰ দেশ', বেণুধৰ শৰ্মাৰ 'ৰাংপতা' আদি উল্লেখ-যোগ্য। মিত্ৰদেৱ মহন্তই 'জুনজুনীৰ' বাবে ভাৰত চৰকাৰৰ বঁটা লাভ কৰে ১৯৫৬ চনত।

প্ৰাচীন ধৰ্মীয় সংস্কৃত সাহিত্যৰে আখ্যান-বোৰ শিশু উপযোগী কৰি বহুতে অসমীয়া শিশু-সাহিত্যৰ ৰূপ দিছে। এইবোৰৰ ভিত-ৰত উল্লেখযোগ্য পুথিসমূহ হৈছে মহেশ চন্দ্ৰ কটকীৰ 'বেতাল-পঞ্চবিংশতি' আৰু 'গজমুকুতা', তাৰানাথ বৰপূজাৰীৰ 'মহাভাৰতৰ ৰহঘৰা', অতুল চন্দ্ৰ হাজৰিকাৰ 'কথা-কীৰ্ত্তন' 'কথা-দশম', 'অঙ্কীয়া নাটৰ সাধু', 'জাতকৰ সাধু' 'কাব্য কাহিনী', প্ৰফুল্ল বৰুৱাৰ 'অকণিৰ ৰামা-য়ণ' হৰেন্দ্ৰনাথ শৰ্মাৰ 'সাবিত্ৰী', 'নলদময়ন্তী', উৎসৱানন্দ গোস্বামীৰ 'বত্ৰিছ সিংহাসন'. ইন্দ্ৰ-ধৰ ৰাজখোৱাৰ 'হিতোপদেশ', মিত্ৰদেৱ মহন্তৰ 'মৌ-মহাভাৰত'. ধৰ্মেশ্বৰ কটকীৰ 'অকণিৰ প্ৰহ্লাদ'. 'অকণিৰ ৰত্নাকৰ'. ভাৰত চন্দ্ৰ পাঠ-কৰ 'ৰামায়ণৰ মৌ-কোঁহ'. 'মহাভাৰতৰ মৌ-কোঁহ' 'পঞ্চমতী' মোহনচন্দ্ৰ চৌধুৰীৰ 'লক্ষ্ম-ণৰ ভাতৃভক্তি' 'সীতাৰ পতিভক্তি' তিলকচন্দ্ৰ মজুমদাৰৰ 'অমৃতৰ সন্ধানত' সুৰেণ দাসৰ 'কৰ্ণৰ সাধু' 'একলব্যৰ গুৰুদক্ষিণা' 'ভীমৰ সাধু' নীশি-নাথ চক্ৰৱৰ্তীৰ 'পৌৰাণিক আখ্যান ইত্যাদি।

ইংৰাজী সাহিত্যৰ পৰাও ভালেমান গ্ৰন্থ অসমীয়ালৈ শিশু-সাহিত্যৰ ৰূপ দি



অনুবাদ কৰা হৈছে। এইবোৰৰ ভিতৰত বেণুধৰ শৰ্মাৰ "ৰবিন্সন ক্ৰুছ" জ্ঞানদাভিৰাম বৰুৱাৰ 'দদাইৰ পঁজা', 'ভেনিচৰ সাউদ', 'ইচপৰ-উপকথা' মহেন্দ্ৰ বৰাৰ 'গ্যালিভাৰৰ ভ্ৰমণ কাহিনী', সুপ্ৰভা গোস্বামীৰ 'ডনকুইকচট', হাৰুণাৰ ৰচিদৰ 'ৰত্নদ্বীপ'. 'মিখুড়াৰ জুপুৰী' 'বনবীৰ টাৰ্জান' 'অলিভাৰ টুইষ্ট' প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ 'গ্ৰীচ দেশৰ সাধু' ড' ৰোহিনী বৰুৱাৰ পমিলীৰ পৰিয়াল', ড° মহেশ্বৰ নেওগৰ 'সাগৰৰ সিপাৰে ধুনীয়া দেশ' আৰব্য উপন্যাসৰ আজলীতৰা নেওগৰ অনুবাদ 'আলাদ্দিন আলিবাবা' আদি উল্লেখযোগ্য। কিন্তু ইংৰাজীৰ বাহিৰে অন্য বিদেশী ভাষা জনা মানুহ এতিয়াও খুব কম কাৰণে বহুল সংখ্যক বিদেশী গ্ৰন্থই এতিয়াও অসমীয়া শিশু-সাহিত্যৰ ৰূপ-প্ৰাপ্ত হোৱা নাই।

শিশুসকলৰ আদৰ্শ আৰু চৰিত্ৰ গঠনৰ ক্ষেত্ৰত জীৱনী সাহিত্যই যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। শিশু উপযোগীকৈ ৰচনা কৰা জীৱনী সাহিত্যৰ কেতবোৰ হ'ল মহাদেৱ শৰ্মাৰ 'বুদ্ধ', 'মহম্মদ' কমলেশ্বৰ চলিহাৰ 'দীনবন্ধু এণ্ড্ৰুজ', 'লৰাৰ শঙ্কৰদেৱ', 'বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ', 'আব্ৰাহাম লিংকন' 'মাৰ্শ্বাল ষ্টেলিন' ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, আঞ্জলী তৰা নেওগৰ 'গুণাভিৰাম', 'আনন্দৰাম ঢেকিয়াল ফুকনৰ চৰিত', নীলিমা দত্তৰ 'মহৎলোকৰ লৰালিকাল', , হৰেন্দ্ৰনাথ শৰ্মাৰ 'শিৱাজী', 'অশোক', 'সত্যসন্ধ্যাৰ প্ৰথম খোঁজ' প্ৰেমধৰ ৰাজখোৱাৰ 'লহাৰ জৱাহৰলাল' ইত্যাদি। সাধাৰণতে মহৎলোকৰ জীৱনী প্ৰস্তুত কৰি-বলৈ যাওঁতে গোটেই জীৱনটোৰ ওপৰত বিৱৰণ দিবলৈ নগৈ কোনো এটা দিশৰ ওপৰত আলোকপাত কৰি তাৰ ওপৰত জীৱনী প্ৰস্তুত কৰিলে শিশুৱে অতি সহজেই সেই চৰিত্ৰ উপলব্ধি কৰিবলৈ সক্ষম হয়। অসমীয়া শিশু-সাহিত্যত বিজ্ঞান বিচিত্ৰ কথা, আৱিষ্কাৰ আৰু অভিযানৰ কাহিনী আদি নানাধৰণৰ দুঃসাহসিক সত্য ঘটনাৰ বিৱৰণ খুব কম। ৰঘুনাথ ৰায়চৌধুৰীৰ 'মানৱ সভ্যতা'. ডঃ ভুৱনমোহন দাসৰ 'মানৱৰ আদি কথা' ড' ৰোহিনী বৰুৱাৰ 'বিজ্ঞানৰ কথা', 'প্ৰকৃতিৰ পুতলা খেলা' আদি পুথিসমূহৰ উপৰিও 'আমাৰ দৰে সিহঁতো মানৱ', 'চিৰিয়া-খানা চাবা আঁহা', প্ৰসন্ন গোস্বামীৰ 'ফুলৰ সাধু', 'জন্তুৰ সাধু' 'পতঙ্গৰ কথা', 'আৱিষ্কাৰৰ কাহিনী' 'এভাৰেষ্ট বিজয়', 'পনীয়া সোণৰ ইতিবৃত্ত', 'অকণিৰ অসমৰ চৰাই' 'বিজ্ঞানৰ সাধু' আদি একাধিক শিশু উপ-যোগী গ্ৰন্থ প্ৰকাশ হৈছে যদিও বৰ্ত্তমান আৱিষ্কাৰৰ যুগত এইখিনিকেই যথেষ্ট বুলিব নোৱাৰি।

অসমীয়া শিশু আলোচনীৰ সূত্ৰপাত হয় ১৮৮৮ চনৰ পৰা। সেই চনতে নগাঁৱৰ পৰা কৰুণাভিৰাম বৰুৱা সম্পাদিত 'লৰাবন্ধু' প্ৰকাশ হয়। এইখনেই প্ৰথম অসমীয়া শিশু আলোচনী। কিন্তু দুটামান সংখ্যা ওলোৱাৰ পিছতে ইয়াৰ মৃত্যু হয়। ইয়াৰ পিছত হেমচন্দ্ৰ গোস্বামীৰ সম্পাদনাত ১৯১৬

চনত 'অৰুণ' নামৰ এখন আলোচনী গুৱাহাটীৰ পৰা প্ৰকাশ পায়। ইয়াৰ পিছত ক্ৰমান্বয়ে ৰঘুনাথ চৌধাৰীৰ সম্পাদনাত 'মইনা' (১৯২৩), মহাদেৱ শৰ্মাৰ সম্পাদনাত 'অৰুণ" (১৯২৬), হৰেন্দ্ৰনাথ শৰ্মাৰ সম্পাদনাত 'পখিলা' বিৰিঞ্চিকুমাৰ বৰুৱাৰ সম্পাদনাত 'অৰুণ' দীননাথ শৰ্মাৰ সম্পাদনাত 'পাৰিজাত', এম ইব্ৰাহিম আলীৰ সম্পাদনাত "কাঁচিজোন" আদি বহুতো আলোচনী দুই-এবছৰ প্ৰকাশ হৈয়ে লুপ্তপ্ৰায় হয়। 'দীপক' আৰু 'জোনবাই' নামৰ শিশু আলোচনী দুখন কোনোমতে সপ্তম দশকৰ শেষলৈকে চলি থাকে। সদ্যহতে বিষদ ভাৱে শিশুৰ সমাদৰ লাভ কৰা আলোচনীসমূহৰ ভিতৰত 'সফুৰা' অন্যতম। এই আলোচনীখন ১৯৮২ চনৰ পৰা ড০ ভবেন্দ্ৰনাথ শইকীয়াৰ সম্পাদনাত আজিলৈকে প্ৰকাশ পাই আছে। ইয়াৰ বাহিৰেও সদৌ অসম চেমনীয়া চ'ৰাৰ 'চেমনীয়া', যোৰহাটৰ বুবুল বৰদলৈ আৰু দীপক দত্তই যুটীয়াভাৱে সম্পাদনা কৰা 'ৰূপবন', বদন বৰুৱাৰ 'ৰুণজুন' 'আকাশ', 'কণিকা' আদি আলোচনী প্ৰকাশ পায়। যোৰহাটৰ পৰা 'ককাদেউতা' নামৰ এখন শিশু আলোচনী চেগা-চোৰোকাকৈ প্ৰকাশ পাই আছে।

১৯৮৩ চনৰ এপ্ৰিল মাহৰ পৰা শান্তনু তামুলীৰ সম্পাদনাত 'মৌচাক' নামৰ এখন শিশু আলোচনী ওলাই আছে। অকণিহঁতৰ লগতে অভিভাৱকসকলৰো সমাদৰ লাভ কৰিবলৈ সক্ষম হোৱা এই 'মৌচাক" বৰ্ত্তমান অসমৰ সৰ্বাধিক প্ৰচাৰিত আলোচনীসমূহৰ ভিতৰতো অন্যতম। নগাঁৱৰ পৰা ভাগ্যলক্ষ্মী মহন্তৰ সম্পাদনাত 'মইনা', যোৰহাটৰ ঐক্যতান বিনোদন কেন্দ্ৰই শান্তনু কৌশিক বৰুৱাৰ সম্পাদনাত 'ঐক্যতান' আৰু অসম প্ৰকাশন পৰিষদৰ পৰা কুমুদ গোস্বামীৰ সম্পাদনাত 'মুকুতা' নামৰ শিশু আলোচনী নকৈ প্ৰকাশ পাই আছে। সচিত্ৰ শিশু আলোচনী 'অমৰ চিত্ৰ কথা' চিৰিজৰ 'টিংকল' হৈছে শিশুসকলৰ আটাইতকৈ আকৰ্ষণীয় তথা বোধগম্য আলোচনী। শিশুসকলৰ বাবে বিজ্ঞান ভিত্তিক আলোচনী 'বিজ্ঞান সফুৰা' আৰু ১৯৮৮ চনৰ জানুৱাৰী মাহৰপৰা প্ৰকাশিত অসমীয়া ভাষাত অকণিহঁতৰ একমাত্ৰ মাহেকীয়া আলোচনী 'আৱিষ্কাৰ' অকণিহঁতৰ বাবে বিজ্ঞানৰ সুদূৰ ভৱিষ্যত কঢ়িয়াই অনা এক বিশেষ ধৰণৰ আলোচনী। ১৯৯১ চনৰ চেপ্তেম্বৰ মাহৰ পৰা হোমেন বৰগোহাঞিৰ সম্পাদনাত 'কিশোৰ' নামৰ আন এখন শিশু আলোচনী প্ৰকাশ হৈছে।

শিশুসকলৰ উপযোগী শিশু-উপন্যাসসমূহৰ ভিতৰত 'পাতালপুৰী', 'সূৰুযউঠা দেশৰ পিনে', 'মায়ামতী'; 'পোহৰৰ বাটত' আদি উল্লেখযোগ্য। হৰগোবিন্দ শৰ্মাৰ 'পাতাল পুৰী'য়েই হৈছে প্ৰথম অসমীয়া শিশু-উপন্যাস।

শিশুৰ উপযোগী কবিতা আমাৰ ভাষাত বেছি পৰিমাণে ৰচনা হোৱা নাই। ৺জ্যোতিপ্ৰসাদ আগৰৱালাই 'কুম্পুৰ জ্ঞান'; 'জ্যোতি ৰামায়ণ' 'অকণমান লৰা' আদি কবিতা শিশুৰ উপযোগীকৈ ৰচনা কৰিছিল। নগেন্দ্ৰ নাথ আচাৰ্য্যৰ 'ৰামধেনু কাৰ ধেনু' নামৰ কবিতা পুথিখনি শিশু উপযোগী হৈছে আৰু বিপুল সমাদৰ শিশুসকলৰ পৰা লাভ কৰিছে। কিন্তু বহু সময়ত দেখা যায় গভীৰ অৰ্থ থকা কবিতাতকৈ অৰ্থহীন ব্যংগ কবিতাইহে শিশুক মনোৰঞ্জন দিবৰ বাবে সক্ষম হয়।

অসমীয়া শিশু-সাহিত্যৰ কেইটামান ত্ৰুটি অতি সহজে আমাৰ পৰিলক্ষিত হয়। এটা হৈছে শিশুৰ মনস্তত্ব অনুসৰি শিশু-সাহিত্যসমূহ ৰচিত নোহোৱাৰ ফলত বহু সময়ত এইবোৰে শিশুসকলৰ মাজত জনপ্ৰিয়তা লাভ নকৰে আৰু ইয়াৰ ফলত এনে সৃষ্টি অসাৰ্থক হয়। কেতিয়াবা দেখা যায় শিশুসকলৰ বাবে ৰচিত লিখনীসমূহ পাঠ কৰাৰ পাছত শিশুসকলৰ স্বাভাৱিক ঔৎসুকা গুণৰ বাবে 'কি' 'কিয়' 'কেনেকৈ' 'কেতিয়া' আদি ধৰণৰ প্ৰশ্ন কৰিলে তাৰ স্পষ্ট উত্তৰ অভিভাৱক বা শিক্ষক শিক্ষয়িত্ৰীসকলে দিবলৈ অসুবিধা পায়। উদাহৰণ স্বৰূপে 'যীশুখ্ৰীষ্টৰ জন্ম কাহিনী' পঢ়াৰ পিছত যীশুৰ জন্মৰ সম্বন্ধে কোনো শিশুৱে কিবা প্ৰশ্ন কৰিলে তাৰ উত্তৰ দিবলৈ শিশুসকলৰ অভিভাৱক বা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ নিশ্চয়কৈ অসুবিধা হয়। আন এটা ত্ৰুটি হৈছে বেছি সংখ্যক শিশু সাহিত্যত পৰিলক্ষিত হোৱাৰ চিত্ৰ সমাৱেশৰ অভাৱ। যিয়ে শিশুসকলক বিষয়বস্তু বুজি পোৱাত বাধাৰ সৃষ্টি কৰে। গতিকে আগলৈকো যিসকল লেখক বা লেখিকাই শিশু-সাহিত্য ৰচনাৰ মহান পৰিকল্পনা হাতত লৈছে তেওঁলোকে এই ত্ৰুটিবোৰ আঁতৰাবৰ বাবে যত্ন কৰিলে তেওঁলোকৰ প্ৰচেষ্টা অধিক ফলপ্ৰসু হোৱাৰ লগতে শিশুসকলো যথেষ্ট উপকৃত হ'ব। *

* প্ৰবন্ধটি যুগুত কৰোঁতে কেৱাখনো গ্ৰন্থ আৰু প্ৰবন্ধৰ সহায় লোৱা হৈছে)

# সাক্ষাৎকাৰ ঃ

*এই শিতানত কেইগৰাকীমান শিক্ষাবিদক কেইটামান প্ৰশ্ন আগবঢ়োৱা হৈছিল / সাম্প্ৰতিক যুৱ সমাজক তেখেতসকলৰ উত্তৰে প্ৰকৃত পথ সোৱাত সহায় কৰিব পাৰিব বুলি আমাৰ দৃঢ় ধাৰণা / আমাৰ প্ৰশ্নসমূহৰ প্ৰতি সঁহাৰি জনাই উত্তৰ আগবঢ়াই আমাক উৎসাহিত কৰাৰ বাবে নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত প্ৰদীপ শইকীয়াদেৱৰ ওচৰত আমি চিৰকৃতজ্ঞ ।*

*// সম্পাদিকা—আলোচনী //*

## প্ৰশ্নসমূহ ঃ

১) প্ৰশ্ন:— বৰ্তমান উশৃংখল যুৱসমাজৰ তথা সাম্প্ৰতিক পৰিস্থিতিৰ বাবে আপুনি কাক জগৰীয়া কৰিব বিচাৰে ? বৰ্তমান সমাজ ব্যৱস্থাক, নে যুৱশক্তিক ?

২) প্ৰশ্নঃ— বৰ্তমান শিক্ষক-শিক্ষাৰ্থীসকলৰ মাজত সম্বন্ধ বিচ্ছিন্ন হৈ পৰাৰ কাৰণ কি ? শিক্ষাৰ্থীয়ে পৰীক্ষাত অকৃতকাৰ্য্য হোৱাৰ কাৰণ আপুনি কাক কব ? শিক্ষাৰ্থীক, নে শিক্ষা ব্যৱস্থাক ?

৩) প্ৰশ্নঃ— অসমৰ দুখন বিশ্ববিদ্যালয়ত বৰ্তমান অসমৰ সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে আসন কম হোৱাত উচ্চ-শিক্ষা গ্ৰহণ কৰিবৰ সুবিধা নেপায় । তেনেক্ষেত্ৰত আপুনি মহাবিদ্যালয়সমূহত স্নাতকোত্তৰ শ্ৰেণী খোলাৰ বিষয়ে কি বুলি ভাবে ?

৪) প্ৰশ্নঃ— বৰ্তমান সমাজত নাৰীসকলক সমান অধিকাৰ দিয়াৰ পিছতো, যিকোনো সামাজিক বিপ্লৱৰ ফলাফল তথা প্ৰতিকাৰ হিচাপে নাৰীৰ ওপৰতে বেছি অত্যাচাৰ কৰা দেখা যায় । অথবা নাৰী ইয়াৰ বলি হয় কিয় ?

# অধ্যক্ষ শইকীয়াদেৱৰ উত্তৰ ঃ

**১ নং প্ৰশ্নৰ উত্তৰ ঃ**

জগৰীয়া মই পোনপটীয়াকৈ কাকো কৰিবলৈ নিবিচাৰোঁ । এই কথা ঠিক যে এখন দেশৰ যুৱসমাজ সামগ্ৰিক ভাৱে দেশখনৰ সমাজখনৰ পৰা বিচ্ছিন্ন সত্বা নহয় । যুৱসমাজ দেশৰ, সমাজখনৰ এটা অতি গুৰুত্বপূৰ্ণ অংশহে । যি কোনো যুগৰ যুৱসমাজৰ আচৰণ বৃহত্তৰ সমাজৰ সামগ্ৰিক আচৰণৰ প্ৰতিফলন মাত্ৰ । সমাজৰ সকলো সজগুণ বা বদগুণ যুৱসমাজৰ আচৰণত দেখদেখকৈ প্ৰতিফলিত হয় । দেখদেখকৈ বুলি এই কাৰণে কৈছোঁ যে বয়সৰ গুণ অনুযায়ী যুৱসমাজে ছলনাৰ আশ্ৰয় ল'ব নেজানে । নিজৰ দোষবিলাকৰ ওপৰত কোনো গৌৰৱময় আবৰণ ৰাখিবলৈও যত্ন নকৰে । গতিকে চাবলৈ গ'লে যুৱসমাজৰ আচৰণবোৰ বৃহত্তৰ সমাজখনৰ সকলো গুণাগুণৰ বহিঃপ্ৰকাশ মাত্ৰ ।

এই সমাজখনকো মই জগৰীয়া বুলিব খোজা নাই এই কাৰণে যে কোনো এখন সমাজে জানি-শুনি দোষ নকৰে বা গ্লানিময় বিধি-ব্যৱস্থাত লিপ্ত নহয় । সময়ৰ পৰিৱৰ্ত্তনৰ লগে লগে ঐতিহাসিক, ৰাজনৈতিক, আধ্যাত্মিক— সৰ্বোপৰি অৰ্থনৈতিক কাৰণত একোখন মানৱসমাজ বিভিন্ন গুণাগুণৰ দ্বাৰা প্ৰভাৱান্বিত হয় । এই প্ৰভাববোৰ ইমান নীৰৱে অলক্ষিতে আৰু অজানিতে হয় যে তাৰ পৰিণাম প্ৰকট হৈ প্ৰকাশিত নোহোৱালৈকে সমাজখনে গমেই নেপায় যে কি হ'বলৈ ধৰিছে বা কি হৈ গ'ল । জাৰকালিৰ নিৰ্মল নদীৰ পানী বাৰিষাৰ লগে লগে ওফন্দি উঠি ঘোলা পানীৰে পূৰ্ণ হৈ পৰাৰ দৰে, হাবিবন কাটি পেলোৱাৰ বাবে দেশৰ জলবায়ু ক'ব নোৱাৰাকৈয়ে সলনি হোৱাৰ দৰে বৃহত্তৰ সমাজখনে নতুন সমস্যা আৰু সংকটত ক'ব নোৱাৰাকৈয়ে নিমজ্জিত হয় । পিতৃ-মাতৃয়ে নিজৰ নিজৰ অসদাচৰণ বা অবাঞ্চিত ব্যৱহাৰৰ দ্বাৰা ক'ব নোৱাৰাকৈয়ে যে নিজৰ চেনেহৰ পুত্ৰ-কন্যাগণৰ অনিষ্ট সাধন কৰি আছে সেই বিষয়ে যেনেকৈ সচেতন নহয়, তেনেদৰে বৃহত্তৰ সমাজখনেও ভৱিষ্যতৰ আশা-ভাৰযাৰ স্থল নিজৰ যুৱসমাজখনৰ অনিষ্ট সাধন কৰি আছে তাৰ বাবে সচেতন নোহোৱাটো থাকে । বৰ্ত্তমান তেনে অঘটনেই ঘটি আছে । বাৰ্ণাৰ্ড শ্বই কৈছিল যে সৰহভাগ মানুহেই নিজৰ কথা নিজে নেভাবে । বৰ্ত্তমানৰ আমাৰ সমাজখনৰ সৰহভাগ

মানুহেও তেওঁলোকৰ নিজৰ কৰ্মফল স্বৰূপেই যে নিজৰ যুৱ-সমাজখনৰ মাজত এনে উশৃঙ্খলতাই প্ৰশ্ৰয় পাইছে সেই বিষয়ে নেভাবে বা নেজানে।

গতিকে জগৰীয়া হ'ম আমি সেই সময়ৰ পৰা যেতিয়া এই প্ৰশ্ন উত্থাপিত হোৱাৰ পিচতো আমি আত্মবিশ্লেষণ কৰি শুদ্ধপথ নিৰ্ণয় কৰিবলৈ যত্ন নকৰোঁ। এতিয়াৰ সমাজ অতীত কালৰ যি কোনো মানৱ সমাজতকৈ অধিক শিক্ষিত, সাক্ষৰ আৰু বুদ্ধিদীপ্ত। তেনেকৈ বৰ্তমানৰ যুৱসমাজো শিক্ষা-দীক্ষা, জ্ঞান-বিজ্ঞানৰ জেউতিৰে আগৰ কালৰ যুৱসমাজ বিলাকতকৈ অনেক আগবঢ়া। সমাজ-দেহৰ ব্যাধিবিলাকৰ বিষময় ফল আমাৰ যেতিয়া দৃষ্টি গোচৰ হৈছে ই তাৰ উপযুক্ত নিৰাময়ৰ ব্যৱস্থা আত্মবিশ্লেষণৰ দ্বাৰা আৰু সংযত শৃঙ্খলাবদ্ধ সামাজিক আচৰণৰ অনুশীলনৰ দ্বাৰা নিজেই কৰিবলৈ যত্নপৰ হোৱা উচিত। সেইটো কৰাত আগ্ৰহী নহ'লেহে বৃহত্তৰ সমাজ আৰু যুৱসমাজ উভয়েই জগৰীয়া হ'ব। কাৰণ জানি-শুনিও যি দোষত লিপ্ত হৈ থাকিবলৈ বিচাৰে তাৰ কোনো প্ৰায়শ্চিত্ত নাই।

**২ নং *প্ৰশ্নৰ* উত্তৰ :**

মোৰ সুদীৰ্ঘ শিক্ষকতাৰ অভিজ্ঞতাৰ পৰা মই এটা বিষয়ত নিশ্চিত যে এজন শিক্ষকে আগ্ৰহেৰে, আন্তৰিকতাৰে যেতিয়া শ্ৰেণীকক্ষত বা অন্য স্থানত পাঠদান কৰে তেতিয়া ছাত্ৰ-ছাত্ৰীসকল আপোনা-আপুনি আকৰ্ষিত হয়। তাপমান যন্ত্ৰই যেনেদৰে বায়ুমণ্ডলৰ উত্তাপ যথাযথভাৱে চিহ্নিত কৰে তেনেদৰে সাধাৰণ বা অসাধাৰণ বুদ্ধিযুক্ত সকলো ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীকক্ষত নিজৰ শিক্ষকজনৰ আগ্ৰহ, আন্তৰিকতা আৰু শিক্ষাদানত পাৰদৰ্শিকতাৰ জোখ ল'ব পাৰে। সেই জোখ আপোনা-আপুনি তেওঁলোকৰ মনত অনুভূত হয়। এই কাৰণত অনেক সময়ত ছাত্ৰ শিক্ষকৰ পৰা আবেগিকভাৱে বিচ্ছিন্ন হৈ পৰা দেখা যায়।

কিন্তু সেয়ে সকলো কাৰণ নহয়। প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়েই অজানিতে নিজৰ শিক্ষকজনৰ মাজত এজন আদৰ্শ ব্যক্তিক পাবলৈ বিচাৰে। এজন সহানুভূতিপূৰ্ণ, বিদ্বান, ন্যায়বান আৰু শিক্ষাদানত সমৰ্থ শিক্ষক ছাত্ৰ ছাত্ৰীৰ বাবে আদৰৰ। এইবিলাক গুণৰ অভাৱত এজন শিক্ষকে নিজৰ ছাত্ৰৰ আস্থা হেৰুৱাব পাৰে।

কিন্তু সামাজিক মূল্যবোধৰ পৰিবৰ্তন আৰু অৱক্ষয়, আৰ্থিক অভাৱ, ৰাজনৈতিক অস্থিৰতা সৰ্বোপৰি ভয়াবহ নিবনুৱা সমস্যা আৰু ভৱিষ্যত নিৰাপত্তাৰ অভাৱবোধেও শিক্ষক নামৰ ঐতিহ্যমণ্ডিত প্ৰাচীন অনুষ্ঠানৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ মনত অনাস্থা জন্মাইছে।

পৰীক্ষাসমূহত যথেষ্ট সংখ্যক ছাত্ৰ ছাত্ৰী অকৃতকাৰ্য্য হোৱাৰ প্ৰধান কাৰণ হ'ল ছাত্ৰ-ছাত্ৰীয়ে ভালদৰে পঢ়া-শুনা নকৰা। সৰহ ভাগ ছাত্ৰ-ছাত্ৰীয়েই মনোযোগী নহয়।



পঢ়া-শুনা তেওঁলোকৰ বাবে গৌণহে। গতিকে অকৃতকাৰ্য্য হ'বই। লগতে শিক্ষা ব্যৱস্থাৰ ত্ৰুটি সমূহো লক্ষণীয়। প্ৰাইমেৰী স্কুলৰ পৰা কলেজ পোৱালৈকে বিভিন্ন স্তৰত নিজৰ ঘৰত এজন ছাত্ৰই যথোপযুক্ত শিক্ষা খুব কমেইহে পায়। তাৰ বাবে সমাজ, চৰকাৰ, অভিভাৱক কাৰো চকু দিবলৈ সময় নাই। তলতেই যদি ভালদৰে শিকি নাহে, ওপৰৰ শ্ৰেণীবিলাকত ছাত্ৰ-ছাত্ৰীয়ে কোনো ভাল ফল দেখুৱাব নোৱাৰে।

**৩ নং *প্ৰশ্নৰ* উত্তৰ :**

মহাবিদ্যালয়সমূহত স্নাতকোত্তৰ শ্ৰেণী খোলা সম্ভৱ হয়—এেকোখন মহাবিদ্যালয়ৰ নিজৰ সা-সুবিধাৰ কথা বিবেচনা কৰি। প্ৰধানকৈ শিক্ষকৰ অভাৱ, শ্ৰেণীকক্ষৰ অভাৱ আৰু অৰ্থাভাৱ এইকেইটা স্নাতকোত্তৰ শ্ৰেণী খোলাৰ অভাৱ হয়। তদুপৰি মহাবিদ্যালয় সমূহত উচ্চতৰ মাধ্যমিক শ্ৰেণী দুটা চলাই ৰাখিব লগা কাৰণে শিক্ষকৰ অভাৱ খুব বেচি বোধ কৰা হয়। কাৰণ উক্ত দুটা শ্ৰেণী চলাবৰ কাৰণে কোনো শিক্ষক কলেজসমূহত চৰকাৰে নিদিয়ে। বিশ্ববিদ্যালয়েও তাৰ দায়িত্ব নলয়। বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগেও সেই দুটা শ্ৰেণী হিচাপত নলয়। দৈনিক ৰুটিনখনৰ আধাখিনি সময়, শিক্ষকসকলৰ আধা সময় আৰু পৰিশ্ৰম আৰু কলেজৰ ঘৰবিলাকৰ আধাখিনি ব্যৱহাৰ উক্ত দুটা শ্ৰেণীৰ বাবেই দিব লগা হয়। গতিকে ইচ্ছা কৰিলেও মহাবিদ্যালয়সমূহত স্নাতকোত্তৰ শ্ৰেণী খোলা সম্ভৱপৰ হৈ নুঠে।

**৪ নং *প্ৰশ্নৰ* উত্তৰ :**

যি কোনো সামাজিক বিপ্লৱৰ ফলাফল তথা প্ৰতিকাৰ হিচাপে নাৰীৰ ওপৰতে বেছি অত্যাচাৰ কৰা দেখা যায়—এই পূৰ্ব সিদ্ধান্তত উপনীত হৈহে এই প্ৰশ্ন কৰা হৈছে। কিন্তু এই সিদ্ধান্ত সদায় সত্য নে? সভ্যতাৰ বিৱৰ্তনত নাৰীকুল সামাজিকভাৱে ক্ষতিগ্ৰস্ত হোৱাৰ অনেক উদাহৰণ আছে। কিন্তু বিংশ শতিকাত নাৰীমুক্তি আন্দোলনে সমগ্ৰ পৃথিৱীতে বিপুল অগ্ৰগতি লাভ কৰিছে। নাৰীক অবলা বুলি ভবাৰ দুৰ্মতি কোনো শিক্ষিত প্ৰগতিশীল লোকৰ মনত আজি নাই। সমাজৰ অশিক্ষিত কুসংস্কাৰৰ মাজত ডুব গৈ থকা অংশৰ কথা মই কোৱা নাই। এদিন সেইবোৰ অংশও পোহৰলৈ আহিব। সেইবোৰতো নাৰীসকলে নিজৰ উন্নতিৰ পথ বিচাৰি ল'ব পাৰিব।

মই বিনম্ৰভাৱে এই বিষয়ত মোৰ মনত উদয় হোৱা এটা কথাহে নিবেদন কৰিব

খোজোঁ। সামাজিক, আৰ্থিক, ৰাজনৈতিক সমবিচাৰ আৰু নিজৰ ন্যায্য অধিকাৰৰ প্ৰতি আগ্ৰহশীল নাৰীসমাজে নিজে সচেতন শ্ৰেণী হৈও কিন্তু পুৰুষপ্ৰধান সমাজৰ পুৰুষসকলৰ দোষ-গুণবিলাকে প্ৰতিফলন কৰি আহিছে। আজিকালি ছাত্ৰ আৰু ছাত্ৰী উভয়ে পৰীক্ষাত নকল কৰে। পুৰুষ বিষয়া আৰু নাৰী বিষয়া উভয়েই দুৰ্নীতিত লিপ্ত হোৱা দেখা যায়। নিজে কুসংস্কাৰৰ বলি হোৱা বুলি জানিও জাত-পাত, অস্পৃশ্যতা. যৌতুক প্ৰথা, দহেজ. উচ্চ-নীচ ভেদাভেদ আদি সামাজিক ভাৱে অকল্যাণকৰ ব্যৱস্থাবোৰৰ প্ৰতিবাদ নাৰীকণ্ঠৰ পৰা সমবেত ভাৱে ধ্বনিত হোৱা শুনিবলৈ এতিয়াও বাকী। নাৰীৰ ওপৰত অত্যাচাৰ-অবিচাৰ হোৱা বুলি য'ত চেতনাৰ উদ্ৰেক হৈছে, সাম্প্ৰতিক কালৰ সেইখন নাৰী সমাজত পৰা প্ৰতিৰোধৰ শক্তি জাগৃত হ'ব কেতিয়া ? এতিয়ালৈকেতো চিৰকাল পুৰুষৰ দ্বাৰা প্ৰভাবান্বিত আমাৰ সমাজখনত দোষ-গুণ, কীৰ্ত্তি-কুকীৰ্ত্তি, কৃতকাৰ্য্যতা-অকৃতকাৰ্য্যতা সকলো ক্ষেত্ৰতে নাৰী আৰু পুৰুষক সমানে অংশীদাৰ হৈ থকা দেখিছোঁ। ০০০

---

"বেছি ভাগ অজ্ঞতাই ইচ্ছাকৃত। আমি নাজানো কিয়নো আমি জানিবলৈ নিবিচাৰোঁ। আমাৰ বুদ্ধিসত্তা কেনেকৈ আৰু কি বিষয়ত প্ৰয়োগ কৰা উচিত, সম্পূৰ্ণ আমাৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰে।

—এল্ডুচ হাক্সলি



# শংকৰী সংস্কৃতি আৰু অসমীয়া জনজীৱনত ইয়াৰ প্ৰভাৱ ঃ

দীপামনি বৰা
স্নাতক ৩য় বাৰ্ষিক (দিবা)

"পৰম অমূল্য ৰত্ন    হৰিৰ নামৰ পেৰা
অতি গুপ্ত স্বৰূপে আছিল।
লোকক কৃপায়ে হৰি    শঙ্কৰ স্বৰূপে আসি
পাৰ ভাঙ্গ সমস্তকে দিল ॥"

ভাৰতীয় সংস্কৃতিৰ প্ৰাচীন আৰু আশ্ৰমিক সংস্কৃতিয়েই হ'ল ললিত কলাৰ সুজলা-সুফলা ক্ষেত্ৰভূমি। ক্ষেত্ৰভূমিৰ এই লীলাৰ সাহচৰ্যত গঢ় লৈ উঠিছে ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ লাইখুটা। এই কালজয়ী যুগজয়ী, অমৃতসম নৃত্য, গীত, নাট, অভিনয়, চিত্ৰ, ভাস্কৰ্য্য, সাহিত্য আদি সহস্ৰ ৰূপত অজস্ৰ ভাৰত বিচ্ছুৰিত হৈ সত্যম্ শিৱম্ সুন্দৰম্'ৰ নীতিকে সাৰোগত কৰি একবিংশ শতাব্দী জুৰি বিজয় ধ্বজা উৰুৱাই সু-উচ্চ শিখৰত হিমালয় সদৃশ অচল-অটল হৈ যুৰ ভাঙি থিয় হৈ আছে .... .... আৰু এই সকলো অসমীয়া কৃষ্টি সংস্কৃতিৰ একমাত্ৰ জীৱনী শক্তি আছিল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ। শাস্ত্ৰৰ কঠিন আশ্ৰমিক তথা ভাষিক বন্ধনৰ পৰা সংস্কৃতিক মুক্ত কৰি জনতামুখী কৰি তুলিলে ভগীৰথ ৰূপী শ্ৰীমন্ত শঙ্কৰদেৱে। তেওঁৰ জ্যোতিৰ পৰশত অধৰ্মৰ প্ৰাদুৰ্ভাৱ আৰু ধৰ্মৰ গ্লানি হ'বলৈ ধৰা ভাৰতৰ পূৰ্বাঞ্চলীয় সমাজৰ প্ৰতিজন লোকৰ অন্তৰত জ্ঞানৰ, ঐক্যৰ. সংস্কৃতিৰ দোলন লাগি উন্নতৰ জীৱনৰ ফালে ধাৱিত হৈছিল এক নৱ চেতনা, নবীন প্ৰেৰণা। নতুন প্ৰভাতৰ জ্ঞানৰ আলোকে আন্ধাৰ বিনাশী সামাজিক শৃঙ্খলা আনি নতুন জাতীয়তা গঢ়াত ইন্ধন যোগাইছিল।

গুৰুজনাৰ বৈষ্ণৱ আন্দোলনৰ পৰশত অসমৰ প্ৰত্যেক ব্যক্তিৰেই সামাজিক সত্তা কম বেছি পৰিমাণে জাগৃত হ'ল। অসমৰ পৰ্বত-ভৈয়াম, আৰ্য্য-অনাৰ্য্য, খিলঞ্জীয়া-বহিৰাগতৰ মাজত থকা বিৰোধ ক্ৰমে লোপ পালে। মাধৱদেৱ, দামোদৰদেৱ, গোপালদেৱ, নাৰায়ণ ঠাকুৰ, হৰিদেৱ আতা আদি ভক্তবৃন্দৰ অনুপ্ৰেৰণাত গুৰুজনাই বৈষ্ণৱ আন্দোলন অসমত সফল কৰি তুলিবলৈ দৃঢ় প্ৰতিজ্ঞ হ'ল।

'মহাপুৰুষজনাৰ মুখ্য উদ্দেশ্য আছিল সমগ্ৰ পূৰ্বাঞ্চলতেই আধ্যাত্মিকতাৰে ভৰপূৰ

এখন শুদ্ধ সমাজ প্ৰতিষ্ঠা কৰা। জীৱনৰ দীৰ্ঘকাল ধৰি ভাৰতৰ প্ৰায় সকলো তীৰ্থ, ধৰ্মমন্দিৰ, পুণ্যক্ষেত্ৰ পৰিভ্ৰমণ কৰি এক গভীৰ আধ্যাত্মিক প্ৰশস্তিৰে শঙ্কৰদেৱ পুনৰ জন্মভূমিলৈ ফিৰি আহে। যদিও প্ৰচলিত নীতিনিষ্ঠসকলে যথেষ্ট বিৰোধ মনোভাৱ শঙ্কৰক দেখুৱাইছিল, তথাপিও তেওঁবিলাকৰ কু-অভিপ্ৰায় সফল নহ'ল। সহজ-সৰল জনসাধাৰণৰ সমৰ্থনত অসমত নৱ বৈষ্ণৱ ধৰ্ম প্ৰচাৰ হ'ল। সকলো জাতিকে, সকলো প্ৰাণীকে আত্মসম জ্ঞান কৰি এক বিষ্ণুক উপাসনা কৰা উদাৰ নীতি আৰু পবিত্ৰ ধৰ্মই হ'ল বৈষ্ণৱ ধৰ্ম।

মহাপুৰুষজনাৰ মতে—

'এক দেৱ এক সেৱ
তাত বিনে নাই কেও॥"

ভক্তি প্ৰৱাহক বৈষ্ণৱ ধৰ্মত মুখ্যস্থান দিয়া হয়। আধ্যাত্মিক উপলব্ধিৰে বিষ্ণু উপাসনাৰ প্ৰকৃত পথ হৈছে ভক্তিবাদ। ফলস্বৰূপে বৈষ্ণৱ ধৰ্মই অসমৰ জন জীৱন গভীৰ ভাৱে প্ৰভাৱান্বিত কৰিলে। ধৰ্মৰ এই প্ৰৱাহত ব্ৰহ্মপুত্ৰৰ বাৰিষাৰ দৰে অসমৰ গাঁও-ভূঁই, চহৰ-নগৰ সকলো বুৰ গ'ল।

চাৰিটা পৰমতত্ত্ব লৈ শঙ্কৰদেৱৰ এই বৈষ্ণৱ ধৰ্ম গঢ় লৈ উঠিছে—এই তত্ত্বসমূহ হ'ল : যেনে—গুৰু, দেৱ, নাম আৰু ভকত। ভক্তি হ'ল নৱবিধ। শ্ৰৱণ আৰু কীৰ্ত্তনেই ইয়াৰ ভিতৰত মুখ্যস্থান অধিকাৰ কৰিছে। ভাগৱতী বৈষ্ণৱ ধৰ্মৰ মূল গ্ৰন্থ দুখন হ'ল 'কীৰ্ত্তন' আৰু 'দশম'। শ্ৰৱণ-কীৰ্ত্তনৰ দিশত ইয়েই অসমীয়া জাতিৰ জীৱনী-শক্তি। 'নামঘোষা', 'ভক্তিৰত্নাৱলী' হ'ল ভক্তি দৰ্শনৰ আন দুখন মূলগ্ৰন্থ। মাধৱদেৱৰ সাহচৰ্য্যত জগতগুৰুৱে অসমীয়া জাতিক এই অমূল্য ৰত্ন দান কৰি গ'ল। এই চাৰি ৰত্নৰ সমাহাৰত, নিষ্কাম ভক্তিমাৰ্গৰ আদৰ্শেৰে বৈষ্ণৱ ধৰ্ম আজিও জাকত-জিলিকা মুকুতা-মণিৰ দৰে জিলিকি আছে।

মহাপুৰুষজনাই আমাক দিয়া নাই কি? এই কথাটো ভাবিবলৈ গ'লে স্বাভাৱিকতে অসমীয়া সংস্কৃতিৰ কোঁহে কোঁহে যে শঙ্কৰী অৱদান সোমাই আছে, সেই কথা বাৰুকৈয়ে উপলব্ধি হয়। মহাপুৰুষজনাৰ অৱদান—ধৰ্ম, ভাষা, কলা-কৃষ্টিৰ অবিহনে আজিৰ অসমীয়া সংস্কৃতিৰ অস্তিত্ব নাই বুলি কলেও বঢ়াই কোৱা নহ'ব।

শঙ্কৰী ভাষা আৰু সাহিত্যৰ ৰস অসমীয়া সমাজৰ বাবে অসীম আৰু অনন্ত। মহাপুৰুষজনাৰ আৰ্হিতে পৰৱৰ্ত্তী কালছোৱাত ভক্ত-কবিসকলে অসমীয়া ভাষা-সাহিত্যৰ বেদীলৈ বিবিধ গন্ধ পাৰিজাত আগবঢ়ালে। তেওঁবিলাকৰ দ্বাৰা বিৰচিত কাব্যসমূহৰ আস্বাদতেই অসমীয়া জাতি তিলতিলকৈ গঢ়ি উঠিছে। মহাপুৰুষজনাৰ থলুৱা ভাৱেৰে সিক্ত, ঘৰুৱা চিত্ৰেৰে পুষ্ট, ব্ৰজাৱলী ভাষাৰে লিপিবদ্ধ নিভাঁজ অসমীয়া ভাষাৰ সাহিত্য সম্ভাৰে অসমীয়া জাতিক সুকুমাৰ কলাৰ দিশত এক অভিনৱ নতুনত্ব প্ৰদান কৰিলে। ভাগৱত, পুৰাণ, উপনিষদ আদিৰ তত্ত্বগধুৰ বিষয়সমূহৰ



লগত অসমীয়া পাঠকৰ চিনাকিৰ যোগসূত্ৰ স্থাপন হোৱাটো সম্ভৱপৰ হ'ল—শঙ্কৰদেৱৰ ঐকান্তিক প্ৰচেষ্টা আৰু অধ্যৱসায়ৰ গুণতহে।

শঙ্কৰী সাহিত্যৰ এক অনুপম অৱদান হ'ল বৰগীতসমূহ। ৰাগ-তাল আৰু ছন্দযুক্ত এই বৰগীতসমূহ অসমত সংগীত চৰ্চাৰ ক্ষেত্ৰত অৱদান যোগোৱা প্ৰথম সমল। তেৰাৰ দিনতেই বাৰকুৰি বৰগীত আৰু তেৰকুৰি ফকৰা সৃষ্টি কৰাৰ কথা সৰ্বজন বিদিত। অসমীয়া সমাজত গায়ক-গায়িকাৰ সৃষ্টি আৰু গীত মাধুৰ্য্যৰ চৰ্চা বঢ়োৱাৰ ক্ষেত্ৰত বৰগীতসমূহৰ ভূমিকা উল্লেখনীয়। বৰগীতসমূহৰ মধুৰ ছন্দ, তত্ত্বৰ গভীৰতা আৰু সুৰে জনসমাজক বাৰুকৈয়ে আকৃষ্ট কৰে।

শ্ৰীকৃষ্ণৰ চৰিত্ৰকে মূখ্য স্থান দি শঙ্কৰদেৱে অঙ্কীয়া নাটৰ সৃষ্টি কৰিলে। ভাওনাৰ প্ৰৱৰ্ত্তক হ'ল কলাগুৰু শ্ৰীমন্ত শঙ্কৰদেৱ। সপ্তবৈকুণ্ঠৰ পট আঁকি অৱতাৰণা কৰা 'চিহ্নযাত্ৰা' এই ক্ষেত্ৰত তেওঁৰ প্ৰথম পদক্ষেপ। খোল, তাল ডবা, নাগেৰা আদি বাদ্যৰে সজ্জিত, পাগ, ঘূৰি পৰিহিত গায়ন-বায়নৰ সহায়ত প্ৰস্তাৱনাৰ শ্লোক আৰু খোল-তালৰ উৎপত্তিৰ মালিতা গাই আৰম্ভ কৰা ভাওনাৰ আৰম্ভণিৰ দৃশ্য সচাঁকৈয়ে অতি মনোৰম। অসমীয়াৰ ভাওনা পতাটো এটা ধৰ্মীয় নীতি। ইয়াৰ যোগেদি ঈশ্বৰ আৰু মহাপুৰুষজনাৰ ওপৰত থকা গভীৰ আস্থা ক্ৰমান্বয়ে আৰু গাঢ় হৈ উঠিছে।

আজিৰ পৰা প্ৰায় কেইবা শতিকাৰ আগতে অসমত স্থাপিত নামঘৰে অসমীয়া জাতিৰ জাতীয়তা গঠনত যি অৱদান আগবঢ়ালে তাৰ তুলনা সচাঁকৈয়ে অবিৰল। মহাপুৰুষজনাৰ অৱদান এই বহুমুখী নামঘৰতে ধৰ্ম-চৰ্চা হয়, দুয়ো প্ৰসঙ্গতে ভগৱানৰ নাম লোৱা হয়, ৰাইজৰ অভাৱ-অভিযোগ আদিৰ মীমাংসাও কৰা হয়। তদুপৰি নামঘৰসমূহ হ'ল অসমীয়া সংস্কৃতিৰ মুকলি নাট্যমঞ্চ।

**অসমীয়া সমাজখন যে শঙ্কৰী** সংস্কৃতিৰ সমন্বয়তে গঢ়ি উঠিছে—ই অনস্বীকাৰ্য্য। যেনিয়ে চোৱা যায়, সকলো দিশতে শঙ্কৰী সংস্কৃতিৰ সুন্দৰ, অপূৰ্ব, মনোৰম প্ৰকাশ প্ৰস্ফুটিত হোৱা দৃষ্টি গোচৰ হয়। এই সংস্কৃতিৰাশিক বৈজ্ঞানিক ৰূপ দি বিশ্বত প্ৰচাৰ কৰিব পাৰিলে ই যে সমগ্ৰ বিশ্বৰ ভিতৰতে জাকত-জিলিকা স্থান লাভ কৰিবলৈ সক্ষম হ'ব তাত অকণো সন্দেহৰ অৱকাশ নাই। এই আপুৰুগীয়া সংস্কৃতিক বিশ্বজনীন কৰি তুলিবলৈ আমাক লাগিব বহুত কলাকাৰ, সাধক আৰু একনিষ্ঠ কৰ্মী। সেয়েহে আধুনিক কবি অতুল চন্দ্ৰ হাজৰিকাই গুৰুজনাৰ অৱদান স্মৰণ কৰি ভক্তিত গদগদ হৈ অৱনত মস্তকেৰে গাইছে :

" ব্যক্তিৰ, জাতিৰ
ভক্তিৰ, মুক্তিৰ
ভৱ-জলধিৰ কৰ্ণধাৰ
কলাকাৰ, কলাধাৰ, মহিমা অপাৰ
নিজে সেই দৈৱকীনন্দন
কপালত আঁকি দিলে অগৰু চন্দন
সেই গুৰু শঙ্কৰৰ পবিত্ৰ নামত
কৰোঁ আহাঁ ভক্তিভাৱে শিৰ অৱনত॥"০০

# মুকুতামণি ঃ

১। শিক্ষাৰ ঘাই শিপা ডাল বৰ তিতা কিন্তু ইয়াৰ ফলাফল বৰ সোৱাদ।

*—এৰিষ্ট'টল*

২। জীৱন বুলি ক'লে কেৱল খাই-বৈ জীয়াই থকাটোকে নুবুজায়, মানৱ মনৰ ইচ্ছা-আকাঙ্খাবিলাক সুপথেৰে পৰিচালিত কৰি ইন্দ্রিয়সমূহক কার্য্যক্ষম কৰাই মনৰ অনুভূতিবোৰৰ বিকাশেৰে মানবীয় গুণসম্পন্ন হৈ চলাটোহে প্রকৃত জীৱন।

*—জঁ্যা জেক ৰুচো*

তোমালোকৰ শিক্ষা যদি সততা আৰু পবিত্রতাৰ দৃঢ় ভেটিত গঢ়ি উঠা নাই; তেন্তে মই ভাবোঁ তোমালোকৰ শিক্ষাৰ কোনো মূল্য নাই। তোমালোক একোজন সর্ববিদ্যা বিশাৰদ হ'ব পাৰা, কিন্তু তোমালোকে যদি তোমালোকৰ ব্যক্তিগত জীৱনত পবিত্রতাৰ প্রতি আওকাণ কৰা—মই কওঁ তোমালোকৰ জীৱন অথলে গৈছে।

*— মহাত্মাগান্ধী*

৪। চিন্তাধাৰাত অন্তর্দৃষ্টিৰ অভাৱ হ'লেই দেশৰ গুৰুত্বপূর্ণ সমস্যাবোৰলৈ আওকণীয়া ভাৱ আহি পৰে। দেহ প্রসাধন ভাৰতকৈ অন্তৰ প্রসাধন ভাৱ জগাই তুলিব পৰাতহে শিক্ষাৰ সার্থকতা।

*—নলিনীবালা দেৱী*

৫। ক্রোধত উন্মও হ'ল একো লাভ নহয়। ক্রোধৰ পৰাই আক্রোশৰ জন্ম, আক্রোশৰ পৰাই অতি বীভৎস ঘটনা ঘটে।

*—মহাত্মাগান্ধী*

৬। সুখেই যদি জীৱনৰ লক্ষ্য হ'লহেঁতেন, তেনেহলে আমাৰ আদর্শ হ'লহেঁতেন কুকুৰ, মেকুৰী, গৰু, ভেৰা।

*— আইনষ্টাইন*

৭। আমি যি জানো সি অতি সামান্য, আমি যি নাজানো তাৰ সীমা নাই।

*—পাশ্বালচ*

// **সংগ্রহ ঃ দীপালী কলিতা** : স্নাতক ২য় বর্ষ (দিবা) //



# মৌন প্রতিশ্রুতি

*নমিতা ডেকা*
স্নাতক ৩য় বার্ষিক

কলেজৰ পৰা কাপোৰযোৰ সলাই থৈ অন্তৰা বাথৰুমত সোমাল। উৎকট গৰমৰ পৰা ৰক্ষা পাবলৈ নিজকে এৰি দিলে পানীৰ টেপটোৰ তলত। গভীৰ প্রশান্তিত তাই চকুযুৰি মুদি দিলে।

বাথৰুমৰ পৰা ওলাই আহি অভ্যাসবশতঃ তাই বেডৰুমৰ ফালে দৃষ্টি দিলে। বিছনাত অর্দ্ধশায়িত অৱস্থাত ভনীয়েক স্নিগ্ধাই বাতৰি কাকত পঢ়ি আছে। বাতৰি কাকত পঢ়াৰ ব্যস্ততাত হয়তো তাই অন্তৰাৰ উপস্থিতিকে অনুভৱ কৰা নাই। কিবা এটা ভাবি অন্তৰা নিঃশব্দে স্নিগ্ধাৰ ওচৰ পালেগৈ আৰু স্নিগ্ধাৰ কাণৰ ওচৰলৈ মুখখন নি জোৰেৰে কাহ এটা মাৰি হাঁহি দিলে। উচপ খাই উঠিল যদিও তাইক একো নকৈ পুনৰ বাতৰি কাকতত মন দিলে। জোনাকৰ স্নিগ্ধ পোহৰৰ দৰে উজ্জ্বল ভনীয়েকৰ মুখখন ম্লান পৰি থকা দেখি তাইৰ মনটো সেমেকি গ'ল। তাই স্নিগ্ধালৈ চালে। আৰে—তাই দেখোন কান্দিছে। ব্যগ্র হৈ তাই স্নিগ্ধাক কন্দাৰ কাৰণ সুধিলে। তাই মাথো বাতৰি কাকতখন দেখুৱাই দিলে। কাকতত স্নিগ্ধাৰ একপি ফটো প্রকাশ পাইছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত তাই অসমৰ ভিতৰতে দ্বিতীয় স্থান লাভ কৰিছে চাৰিটা বিষয়ত লেটাৰ সহ। এইটো খবৰ অন্তৰাই কলেজতে পাইছে। তাই ভনীয়েকক সাৱটি ধৰি কলে—"এয়া কিমান আনন্দৰ কথা, তই ফুর্তিহে কৰিব লাগে, কান্দিছ কিয়?"

স্নিগ্ধাই বায়েকলৈ চালে। তাইৰ এনে লাগিল যেন বাস্তৱৰ কঠোৰ সংগ্রামে বায়েকজনীৰ মনৰ পৰা অতীতৰ স্মৃতিবোৰ মোহাৰি পেলালে। তাইৰ ক্ষেত্রতো যদি সেয়ে হ'লহেতেন তেতিয়া তাইও **নিশ্চয়** এনে এটি শুভ দিনত অতীতক সুঁৱৰি ধাৰাসাৰে অশ্রুবোৰাৰ নেলাগিলহেঁতেন। কিন্তু এদিন অন্তৰা বাইদেৱেতো কৈছিল "অতীতত হৈ যোৱা ঘটনাবোৰ মানুহে মিছাকৈয়ে অতীত বুলি কয়। জীৱনৰ প্রতি ক্ষণে ক্ষণে প্রতিটো ঘটনা জড়িত হৈ থাকে। যাৰ বাবে মানুহে এটা নির্দিষ্ট দিনত সিবোৰক স্মৃতি-পটত দেখা পায়।........ঠিক সেইদিনা যিদিনা প্রথম বিভাগত এম, এ, পাছ কৰিছিল আৰু মৃত মাক-দেউতাকলৈ মনত পৰাত বৰকৈ কান্দিছিল আৰু তেতিয়া বিকাশে—"সেইবোৰ অতীতৰ কথা বাদ দিয়া" বুলি কোৱাত অন্তৰাই এই কথাখিনি কোৱা আজিও তাইৰ মনত আছে।

"এনেকৈ যে ৰ' লাগিলি, কি হৈছে

নকৰ কিয় ?” —অন্তৰাৰ মাতত তাইৰ সম্বিৎ ঘূৰি আহিল . “দাদা আৰু দেউতাইঁতলৈ বৰকৈ মনত পৰিছে অন্তৰা বা। তুমি জানো পাহৰি গ'লা অতীতৰ সেইদিনবোৰৰ কথা ?”

“সেই জীয়া স্মৃতিবোৰ পাহৰা জানো সম্ভৱ ? বাৰু, উঠচোন তই, মুখ-হাত ধুই ল গৈ যা।” স্নিগ্ধা উঠি গ'ল। তাই ভাবিলেঃ এৰা, মই হয়তো ভৱিষ্যতৰ অন্ধকাৰ জীৱনটোক অলপমান পোহৰাবলৈ চেষ্টা কৰি বাস্তৱৰ কঠোৰ সংগ্ৰামত পৰি অতীতক পাহৰি থাকিবলৈকে চেষ্টা কৰিছোঁ। কেতিয়াবা ব্যস্ততাৰ মাজতে সেই অতীতৰ স্মৃতিয়ে ভূমুকি মাৰেহি যদিও পিছমুহূৰ্ত্ততে আকৌ বাস্তৱতাৰ মাজতেই বিলীন হৈ যায়। পৰিশ্ৰমেৰে শ্ৰান্ত দেউতাকৰ কৰুণ মুখখন, সামান্য এটা চাকৰিৰ আশাত সৰ্বস্বান্ত হোৱা ককায়েক আদিত্যৰ অসহায় আৰু ক্ষোভত জ্বলি উঠা চকুযোৰলৈ মনত পৰিলে আজিও তাইৰ মন এক অজান আশঙ্কাত কঁপি উঠে।

হঠাৎ অন্তৰাৰ দৃষ্টি গোচৰ হ'ল দূৰৰ সেই পাহাৰটো। তাইৰ মন-পটত ভাঁহি উঠিল এখনি গাঁও, এটি জুপুৰী ঘৰ আৰু চাৰিটি প্ৰাণীৰে এটি সুখী পৰিয়াল। সেই ফালে তাই বহুদিন যোৱা নাই. দেখা নাই সিহঁতৰ সেউজ বুলীয়া গাঁওখন। সেই গাঁওখন যে তাই সিদিনাই চিৰ দিনৰ বাবে পৰিত্যাগ কৰি থৈ আহিছে—যিদিনা গাঁওবাসীৰ পৰা তাই পাইছিল তাচ্ছিল্য ভৰা সুৰ আৰু নিষ্ঠুৰ ব্যৱহাৰৰ চৰম আঘাত।

দেউতাকে ভাৰতীয় সেনা-বাহিনীত চাকৰি কৰিছিল। স্নিগ্ধাৰ জন্মৰ পিছত অত্যধিক ৰক্তক্ষৰণ হৈ মাক মৃত্যুমুখত পৰে। কিন্তু মাকৰ মৃত্যুৰ বাতৰি পোৱা সত্বেও অফিচাৰে তেওঁৰ ছুটী মঞ্জুৰ নকৰাত সেই চাকৰি আৰু নকৰে বুলি চিৰ দিনৰ বাবে অসমলৈ ঘূৰি আহিল। সৰু সৰু তিনিটা লৰা-ছোৱালীৰে সৈতে তেওঁ জীয়াই থকাৰ সংগ্ৰামত নামি পৰিল।

কালক্ৰমত তিনিটি শিশু ডনা বুজা হ'ল। ডাঙৰটো আদিত্যই নিজ অধ্যৱসায়ৰ ফলত স্নাতক মহলাৰ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হ'ল। অন্তৰাই হায়াৰ ছেকেণ্ডাৰীৰ শেষ পৰীক্ষাটো দি আজৰি হ'ল। সৰু স্নিগ্ধাইও ক্লাচ এইটত নাম ভৰ্ত্তি কৰিলে। খেতি মাটিৰ পৰা দেউতাকৰ হাড়ভঙা পৰিশ্ৰমৰ ফলত যি কেইটা ফচল পায় তাৰে কোনো মতে বছৰৰ ভাত কেইটা হয়হে। তেনে ক্ষেত্ৰত কাপোৰকানি, পঢ়া খৰছ আদিৰ বাবে বহুতো কষ্টৰ সন্মুখীনে হব লগা হয়। সেয়ে আদিত্যই চহৰৰ ধনী ধনী মানুহ ডুঘৰমানত টিউচনকে ঠিক কৰি ললে। কিন্তু নিয়তিয়ে সিহঁতৰ পাহ ৰেবিলে। নিয়তিৰ ক্ৰূৰ পৰিহাস সিহঁতে মূৰ পাতি লব লগা হ'ল। অক্লান্ত পৰিশ্ৰমে দেউতাকক জুৰুলা কৰি তোলাত শৰীৰ ক্ৰমে দুৰ্বল হৈ পৰিল। এদিন তেওঁ পথাৰৰ পৰা আহি গা ভাল নাই বুলি বিছনাত পৰিল। পৰিল যি পৰিলেই। ৰাতিলৈ ভীষণ জ্বৰ উঠিল। মুখেৰে প্ৰলাপ বকিবলৈ ধৰিলে। আদিত্য গ'ল ডক্তৰ বিচাৰি। কিন্তু ডক্তৰ আহি পোৱাৰ আগতেই তেওঁৰ প্ৰাণ পখী উৰি গ'ল অজানদেশলৈ।

সেইদিনা তাই শিল পৰা কপৌৰ দৰে নিথৰ হৈ পৰিছিল। বগা কাপোৰেৰে ঢাকি লৈ যোৱা মৃত দেউতাকলৈ চাই তাই চিঞৰি চিঞৰি কান্দিছিল। কান্দি কান্দি সিদিনা তাই অৱশ হৈ পৰিছিল। তাই কন্দা বাবে ভনীয়েকেও কান্দি কান্দি ভাগৰি পৰিছিল। আদিত্যই সিদিনা খুব কষ্টেৰে ওলাই অহা কান্দোনটো হেঁচি ৰাখিছিল। প্ৰয়োজনতকৈ সি বেছি গম্ভীৰ হৈ পৰিছিল। দুজনী গাভৰু ছোৱালীৰ দায়িত্ব এতিয়া তাৰ ওপৰত।

আদিত্যই চাকৰি বিচৰাত লাগি গ'ল। কিন্তু তাৰ চেহেৰা আৰু চাৰ্টিফিকেটৰ নম্বৰবোৰ চায়েই জানো তাক কোনোবাই চাকৰি দিব ? ইফালে মাটি বিক্ৰী কৰা টকা কেইটাও শেষ হওঁ হওঁ। ইণ্টাৰভিউ দি দি ভাগৰি পৰিল। চাকৰি ক'তো নহ'ল। এদিন এজন উচ্চপদস্থ বিষয়াই মাতি নি তাক কিবা এটা ফুচফুচাই ক'লে। তাৰ কেইদিন মানৰ পিছত যি দুবিঘা মাটি আছিল সি তাকে বিক্ৰী কৰি দিলে। বিষয়াজনে ২০,০০০ টকা ললে, এডভাঞ্চ। পিছদিনা তাক পুনৰ দেখা কৰিবলৈ ক'লে। কিন্তু সেই দিন ধৰি অফিচৰ কৰ্মচাৰীৰ মাজত ধৰ্মঘট চলিল। পিছত সি বিষয়াজনৰ খবৰ লোৱাত গম পালে যে তেওঁ ইতিপূৰ্বে বদলি হৈ গুচি গ'ল। তাৰ যেন মূৰত সৰগ ভাগি পৰিল। তাৰ মনটো বিদ্ৰোহী হৈ উঠিল। সমাজত চলি থকা এনে দুৰ্নীতিবোৰৰ বিৰুদ্ধে বিপ্লৱ জগাই তুলিবলৈ সি দৃঢ় প্ৰতিজ্ঞ হ'ল। বন্ধু সকলৰ লগত আলোচনা কৰাত সিহঁতে কথাটো সমৰ্থন কৰিলে। সিহঁতে এখন বিজ্ঞানসম্মত সমাজবাদৰ কথা চিন্তা কৰিলে। সৰ্বহাৰাৰ বাবে সংগ্ৰাম কৰি যাবলৈ সিহঁত প্ৰতিজ্ঞাবদ্ধ হ'ল।

অন্তৰাই তাক বাধা দিয়া নাছিল। কাৰণ তাই জানে উদিত সূৰ্য্যৰ গতি কোনেও ৰোধ কৰিব নোৱাৰে। আদিত্যৰ ওপৰত তাইৰ বিশ্বাস আৰু আস্থা আছে। আদিত্যৰ উদ্দেশ্য মহৎ।

এদিন নিশা চহৰৰ পথেদি সি আহি থাকোতে হঠাৎ বিজুলী চাকিবোৰ নুমাই যোৱাত গোটেইখন এন্ধাৰ হ'ল। সেই সময়ত ৰাজ্যখনত জৰুৰী অৱস্থা ঘোষণা কৰি দিছিল। সি খৰ খোজেৰে সন্মুখৰ হোটেলখনলৈ যাওঁতেই পিছফালৰ পৰা এটা বন্দুকৰ গুলি আহি তাৰ পিঠি ভেদ কৰি গ'ল। এক অস্ফুট শব্দ কৰি সি মাটিত ঢলি পৰিল। গোটেই শৰীৰটো তেজেৰে লুটুৰি-পুতুৰি হ'ল। আদিত্যৰ উজ্জ্বল জ্যোতি চিৰদিনৰ বাবে মাৰ গ'ল। তাৰ মুখখন ডাৱৰে ঢকা সূৰ্য্যটোৰ দৰেই যেন নিষ্প্ৰভ হৈ গ'ল।

পিছদিনা দৈনিক কাকতৰ প্ৰথম পৃষ্ঠাতে প্ৰকাশ পালে—“সেনা বাহিনীৰ লগত হোৱা সংঘৰ্ষত দুৰ্দ্ধৰ্ষ সন্ত্ৰাসবাদী তথা ৰাষ্ট্ৰদ্ৰোহী আদিত্য বৰাৰ মৃত্যু।”

অন্তৰা স্তব্ধ হৈ গৈছিল। অবশেষত সিও সিহঁতক এৰি গুচি গ'ল। জীৱনৰ অভিশাপময় সময়খিনিক হয়তো তাইৰ চকুৰ পানীয়েও ভয় কৰিছিল। অন্ধকাৰ ভবিষ্যতৰ কথা ভাবি তাই শিয়ৰি উঠিল। নিজৰ পঢ়া সিমানতে স্থগিত ৰাখি তাই চাকৰি এটা পোৱাৰ বৃথা চেষ্টা কৰি থাকিল। কিজানি কোনো দয়ালু ব্যক্তিয়ে তাইৰ প্ৰতি সদয় হৈ চাকৰি এটা দিয়েই।

হঠাতে এদিন লগ পালে শৈশৱৰ বন্ধু বিকাশক। সি তাইৰ সংকটাপন্ন অৱস্থাটো দেখি বৰ দুখ পালে। বিকাশে মাজে সময়ে আহি সিহঁত দুজনীক আৰ্থিক সাহায্য প্ৰদান কৰিছিল নিঃস্বাৰ্থ ভাৱে। তাই বাধা দিব পৰা নাছিল। বিকাশ উচ্চ বংশৰ সম্ভ্ৰান্ত পৰিয়ালৰ সন্তান যদিও অহংকাৰী বা লম্পট নহয়। তাৰ এটা সংস্কৃতিসম্পন্ন মন আছে। সি অন্তৰাহঁতৰ ঘৰলৈ ঘনাই আহিব লোৱাত বহুতৰে কটু কথা শুনিবলগা হৈছে। তাৰ বাবেই গাঁওবাসী আৰু অন্তৰাহঁতৰ মাজত সৃষ্টি হ'ল এই ঘৃণা আৰু অৱহেলাৰ প্ৰাচীৰ। মানুহবোৰৰ কটূক্তিয়ে তাইৰ মনত কেতিয়াবা জীৱনৰ প্ৰতি এক তীব্ৰ বিতৃষ্ণা জগাই তোলে। কেতিয়াবা নিজকে নিঃশেষ কৰিব বিচাৰে, কিন্তু স্নিগ্ধাজনীৰ বাবেই জীয়াই থাকিবলৈ চেষ্টা কৰে।

বিকাশৰ প্ৰচেষ্টাতে তাই টাইপিষ্টৰ চাকৰি এটা পালে। অহা যোৱা কৰা অসুবিধা বাবেই পৈতৃক সম্পত্তি হিচাপে থকা ঘৰৰ ভেটিটোকে বিক্ৰী কৰি দি চহৰৰে ভাৰাঘৰ এটালৈ থাকিব বুলি ঠিৰাং কৰিলে।

বিকাশে ভাৰা ঘৰ (সুবিধাজনক) বিচাৰি নোপোৱাত সিহঁতৰ ঘৰতে থাকিব পাৰিব বুলি ক'লে।

অন্তৰাৰ নতুন জীৱন আৰম্ভ হ'ল। ওচৰৰে হাইস্কুল এখনত স্নিগ্ধাৰ নাম ভৰ্ত্তি কৰি দি নিজেও স্নাতকৰ শেষ বাৰ্ষিক পৰীক্ষাটোৰ বাবে সাজু কৰি তুলিবলৈ চেষ্টা কৰি থাকিল। দিনটো অফিচৰ কাম আৰু ৰাতিৰ ভাগৰ আৰু টোপনিকো আওকাণ কৰি তাই নিজ সাধনা আৰু যত্নৰ অন্তত বি, এ, আৰু এদিন এম, এ,টোও পাছ কৰি গ ল কৃতিত্বৰে। তাইৰ কৃতকাৰ্য্যতাত বিকাশৰ মাক-দেউতাকে বৰ ভাল পালে। বিকাশৰ দেউতাকে সহায়-সহযোগ কৰি ত'ইক এখন ছোৱালী মহাবিদ্যালয়তে অধ্যাপিকাৰ পদত নিযুক্তি দিয়ালে। বিকাশ তেতিয়া এম, কমৰ ছাত্ৰ, দিল্লীত পঢ়ে। মাজে মাজে অন্তৰালৈ চিঠি দিয়ে, তায়ো দিয়ে। এই মাহতে সি অহাৰ কথা আছে। এই বছৰতে দেউতাকো ৰিটায়াৰ হোৱাৰ কথা আছে। বিকাশে ঘূৰি আহি কিবা এটা কৰাৰ কথা কৈছে। হয়তো চাকৰি নাইবা বিজিনেছ। অন্তৰাই ভাৱে বিকাশক তাইৰ ইমান আপোন লাগে কিয়? কোনোবাই যদি বিয়াৰ কথা সোধে তেতিয়া তাইৰ মনলৈ বিকাশৰ কথাই বেছিকৈ আহে, কিয় বাৰু? তাই বাৰু বিকাশক ভাল পাই পেলাইছে নেকি? আৰু বিকাশে? দুয়ো দুয়োৰে ইমান ওচৰ চাপি আহিছে!



আচৰিত লাগে ভাবিলে তাইৰ। তাৰ কথা ভাবিলে তাইৰ লাজ লাগে, অন্তৰত এক মিঠা পুলক জাগে। এবাৰ পুৰণি উক্তি তাইৰ মনত পৰিল। যেতিয়া তাই গাঁও এৰি চহৰত থাকিবলৈ আহে। প্ৰথমে তাইৰ এনে লাগিছিল যেন কোনো অচিনাকি দেশৰ অচিনাকি মানুহৰ মাজতহে আহেহি। তাই বৰ ত্যক্ততা অনুভৱ কৰিছিল চহৰীয়া আৱহাৱাত পৰি। তেতিয়া বিকাশে তাইক বহু উৎসাহ দিছিল, কৈছিল—"তুমি মিছাতে এনে দৰে অস্বস্তিবোধ কৰিছা, যদি কিবা অসহায় অনুভৱ কৰা মোক কলেই হ'ল। অন্তৰা, তুমি নাভাবিবা যে তোমাৰ পৰা কিবা এটা লাভৰ আশাত মই তোমাক এনেদৰে সহায় কৰিছোঁ। মনত পেলোৱাচোন সৰুতে আমি দুয়ো কিমান ফ্ৰি আছিলোঁ। পিছে দেউতাই মোক গাৱঁৰ পৰা এই চহৰলৈ লৈ অনাত আমাৰ এবা এৰি হ'ল। কিন্তু তোমাৰ কথা মোৰ মনত চিৰদিনলৈ ৰৈ গ'ল। সেয়ে.... .... ....".

"বাঃ বাঃ কেনে সুন্দৰ সংলাপ, যেন কোনোবা নায়িকাক নায়কে কোৱা ৰোমান্টিক নাটকৰ বচনহে।"

"সেই বুলিয়ে ভাবিব পাৰা।"

"মানে?"

"মই তোমাক সম্পূৰ্ণৰূপে মোৰ কৰি লব বিচাৰোঁ।"

"অসম্ভৱ"

"কেনেকৈ"

"স্নিগ্ধাৰ ভৱিষ্যত মোৰ হাতত। তাইৰ প্ৰতি থকা পিতৃত্ব আৰু মাতৃত্বৰ দায়িত্বখিনি শেষ নোহোৱালৈ.... .... ....।"

"অ" বুজিছো স্নিগ্ধাৰ প্ৰতি তোমাৰ যি কৰ্ত্তব্য মোৰো........" —বিকাশৰ কথা শেষ নৌহওঁতেই অন্তৰা তাৰ কাষৰ পৰা আঁতৰি গৈছিল নীৰৱে।

তাৰ পাছত বিকাশে আৰু কোনোদিন এই বিষয়ে কোৱা নাছিল। "বিকাশে তাইক সম্পূৰ্ণৰূপে নিজৰ কৰি লব বিচাৰে"—কথাষাৰ ভাবি তাই হাঁহি দিলে। সেই দিনটোলৈ বাৰু কিমান দিন বাকী? হয়তো তেতিয়ালৈ তাই এগৰাকী প্ৰৌঢ়া মহিলাত পৰিণত হ'ব। তেতিয়াও জানো বিকাশে তাইলৈ অপেক্ষা কৰি থাকিব? তাই পুনৰ হাঁহিলে, হাঁহি হাঁহি শেষত কান্দিবলৈ ধৰিলে।

"অন্তৰা, মই আহিছোঁ অন্তৰা"—বিকাশৰ মাতটো অধিক আবেগময় হৈ পৰিছিল। তাৰ মাতত অন্তৰা উচপ খাই উঠিল। ঘূৰি চাই দেখে যে বিকাশ তাইৰ পিছতে থিয় হৈ আছে। তাইৰ ওঁঠ দুখন কঁপি উঠিল। "বি-কা-শ" মুখেৰে এটা অস্ফুট শব্দ কৰিলে। বৈ অহা চকুলোখিনি বিকাশে মচি দিলে। লাজত তাই মুখ ঘূৰালে। বিকাশে কন্দাৰ কাৰণ সোধাত তাই দাদালৈ মনত পৰিছে বুলি কৈ থ'লে।

"তুমি কেতিয়া পালাহি? একো খবৰ নিদিয়া কৈয়ে আহিলা? ঠিকে আছাতো?"

"অঃ বাব্বা, একেলগে ইমানবোৰ প্ৰশ্নৰ উত্তৰ

দিবলৈ হ'লে মাজতে দেখিছো তুগিলাছমান পানী খাই লব লাগিব।"

"এয়া পানী আনিছো, খাওঁক"—এখন ট্ৰেত চাহ-মিঠাই লৈ অহা স্নিগ্ধাই হাঁহি হাঁহি ক'লে।

"বাৰু স্নিগ্ধা, তুমি এতিয়া কি পঢ়িবা বুলি ভাবিছা? "হায়াৰ ছেকেণ্ডাৰি পাছ কৰি মেডিকেল পঢ়িম। বাৰু আপোনালোকে কথা পাতক দেই, মই খুড়ীক অলপ সহায় কৰোঁ গৈ! আজি হেনো কিবা পাৰ্টি আছে।" স্নিগ্ধা গুচি গ'ল।

"কিহৰ পাৰ্টি বিকাশ?"— অন্তৰাই সোধে।

"ৰবা. কৈছো, এক হ'ল স্নিগ্ধাৰ কৃতকাৰ্য্যতা, দুই হ'ল মোৰ আৰু তিনিহ'ল মা-দেউতাৰ।" —কৈয়ে বিকাশে হাঁহি দিলে।

"মা-দেউতাৰ?"—একো নুবুজি তাই সুধিলে।

"ওঁ-ওঁ, কথা হ'ল মা-দেউতাই মোৰ বিয়া ঠিক কৰিছে অহা মাহত।"

অন্তৰাৰ বুকুখন চিৰিংকৈ গ'ল। সেপ ঢুকি তাই ক'লে—'হয় নেকি? ছোৱালী বা ক'ৰ?

"বহু দূৰৰ; থাকে আমাৰ ঘৰতে।" —কথাষাৰ কৈ বিকাশে বেঁকাকৈ অন্তৰালৈ চালে।

"Oh no, no Vikas."—অন্তৰাই প্ৰতিবাদ কৰি উঠিল।

"কিবা কব লগা থাকিলে মা-দেউতাক কবা, মোক নহয়—। আৰু শুনা, তোমাৰ ভৱিষ্যতৰ সময়খিনিৰ বাবে নিশ্চয় এজন আপোন মানুহৰ প্ৰয়োজন হ'বই। এনেদৰেই জানো চিৰ দিন থাকিবা?"

"কিন্তু স্নিগ্ধা?"

"তাই ইয়াতে থাকিব, তোমাৰ লগত।" বিকাশৰ হাঁহি উঠি গ'ল অবুজ চাৱনিৰে চাই থকা অন্তৰাক দেখি। সি তাইক ওচৰলৈ টানি নিলে। অন্তৰাই তাইৰ মূৰটো বিকাশৰ বুকুত গুজি দি উচুপি উঠিল। সেই কান্দোন সুখৰ, দুঃখৰ নে কৃতজ্ঞতাৰ বিকাশে হৃদে ধৰিব নোৱাৰিলে। তাইৰ মূৰটো ওপৰলৈ দাঙি বিকাশে হাঁহি কলে" — এতিয়া অলপ হাঁহি দিয়া! সকতে দেখা সেই হাঁহিটো।" অন্তৰাৰ হাঁহি উঠি গ'ল। বিকাশে দেখিলে অন্তৰাৰ মুখৰ হাঁহিত যেন লুকাই আছে এক উজ্জ্বল জ্যোতি। তাইৰ জীৱনৰ সংঘাত আৰু প্ৰতিঘাতত হেৰাই যোৱা হাঁহিটো যেন আজি পুনৰ ফিৰি আহিল। তাইৰ চকুৱে মুখে জিলিকি উঠিল এক নতুনৰ হাঁহি। বিকাশেও হাঁহিলে। সেই হাঁহিতে যেন লুকাই আছিল দুখনি হৃদয়ৰ নীৰৱ প্ৰতিশ্ৰুতি।ooo



# মুক্তিযোদ্ধা নেলচন মেণ্ডেলা

শ্ৰীবাণী ভাগৱতী
উঃ মাঃ ২য় বাৰ্ষিক (দিবা)

"মানুহেই লগ মানুহেই সঙ্গ
মানুহেই পৰাৎপৰ
এইযে পৃথিবী স্বৰ্গতো অধিক
মানুহৰ নিজাপি ঘৰ।"

ভগবানৰ অনুপম সৃষ্টি এই মানৱ সমাজ। একে তেজ-মাংসৰে গঠিত মানুহ হলেও জাতি, ধৰ্ম, সা-সম্প্ৰদ আৰু ৰং-বৰণৰ পৰা মানুহে নিজে গঢ়ি লোৱা বিভেদৰ প্ৰাচীৰখনে মানুহক অমানুহৰ শাৰীলৈ নমাই নিছে। মানৱ জাতিৰ মাজত এই ভেদাভেদৰ প্ৰাচীৰ ভাঙি মমতা স্থাপনৰ বাবে বহুতো মানৱপ্ৰেমী ব্যক্তিয়ে জীৱন জোৰা সংগ্ৰাম কৰি আহিছে। এই সংগ্ৰামৰ বাবে নিজৰ ক্ষুদ্ৰ স্বাৰ্থ বিসৰ্জন দি বিশ্বৰ সকলো অভিশপ্ত মানুহৰ প্ৰেৰণাৰ উৎস হৈ বহুজনে নিজৰ নাম অমৰ কৰি ৰাখিছে। এই মহান ব্যক্তি সকলৰে এজন হ'ল দক্ষিণ আফ্ৰিকাৰ বীৰপুৰুষ নেলছন মেণ্ডেলা। নেলছন মেণ্ডেলাৰ জন্ম হয় ১৯১৮ চনৰ ১৮ জুলাইত। তেওঁৰ পিতৃৰ নাম আছিল হেনৰি গিড্‌লা। গিড্‌লা আছিল এজন ৰাজনীতিবিদ আৰু সিন্ধু উপজাতিৰ এজন নিৰ্বাচিত প্ৰতিনিধি। হেনৰি গিড্‌লাৰৰ চাৰি গৰাকী পত্নী আছিল। নেলছনৰ মাতৃ আছিল এগৰাকী সৎ স্বাভাৱৰ মহিলা।

নেলছন মেণ্ডেলাৰ প্ৰাণত সৰু কালৰ পৰাই বিদ্ৰোহৰ বীজ সোমাইছিল। শিক্ষাৰ-পাতনিতে পাঠ্যপুথিত কৃষ্ণাংগ সকলক "অশিক্ষিত বৰ্বৰ" বুলি উল্লেখ আছিল। শ্বেতাংগসকলক "শিক্ষিত সভ্য দক্ষিণ আফ্ৰিকাৰ শান্তিৰ দূত" বুলি অভিহিত কৰিছিল। গাৰ ৰঙৰ বাবেই কৃষ্ণাংগসকলৰ উচ্চ মান আৰু মহৎ হৃদয়ৰ মূল্য শ্বেতাংগসকলে দিয়া নাছিল। গতিকে সৰু কালতেই কৃষ্ণাংগসকলৰ মুক্তিৰ চিন্তা নেলছনৰ মনত উদ্ৰেক হ'ল। ১৯২৯ চনত জেনেৰেল স্মাৰ্টে গৰু, ঘোঁৰাৰ খোৱাৰত থাকিবলৈ অস্বীকাৰ কৰাৰ অপৰাধত ১৬৩ জন কৃষ্ণাংগক গুলিয়াই মাৰিলে। পোহনীয়া কুকুৰৰ বাবে কৰ দিবলৈ অস্বীকাৰ কৰা অপৰাধত দক্ষিণ-পশ্চিম আফ্ৰিকাৰ কৃষ্ণাংগসকলক জেনেৰেল স্মাৰ্টে বোমাৰু বিমা-

নেৰে নিৰ্বিচাৰে বোমা বৰ্ষণ কৰি হত্যা কৰে। ১৯১০ চনতে শ্বেতাংগ চৰকাৰে কেইবাখনো ঘৃননীয় ক'লা আইন প্ৰৱৰ্ত্তন কৰে। ক'লা-বগা সকলোৰে দেহৰ মাজত প্ৰবাহিত একে ৰঙা তেজৰ কথা শ্বেতাংগ চৰকাৰে মানিব নুখুজিলে। হীৰাৰ খনিৰ এজন কৰ্মী ওৱাটাৰ চিচলুৰ সহায় আৰু উপদেশত নেলছন মেণ্ডেলাই বি, এ পাছ কৰি উইট ওৱাটাৰ ষ্টেণ্ড বিশ্ববিদ্যালয়ত আইন পঢ়িবলৈ লয় আৰু এজন আইনজ্ঞৰ অধীনত মহৰি কামো কৰিবলৈ লয়। তাতো তেওঁ ইউৰোপীয় বগা চাহাবৰ পৰা অশালীন ব্যৱহাৰ পায়। নিপীড়িত হোৱা জনেহে নিপীড়িতসকলৰ মৰ্ম বেদনা বুজি পায়। মেণ্ডেলাই সেয়েহে ৰাজনৈতিক শিক্ষা আৰু ৰাজনৈতিক স্বাধীনতাৰ যোগেদি দলিত নিষ্পেষিতসকলৰ মুক্তি আৰু সমতাৰ সন্ধান পালে।

১৯২১ চনত গঠিত হোৱা আফ্ৰিকান নেচনেল কংগ্ৰেছৰ উদ্দেশ্য মেণ্ডেলাই সমৰ্থন কৰিলে।

১৯৫১ চনৰ এপ্ৰিলত জোহেনাচ বাৰ্গ চহৰত দক্ষিণ আফ্ৰিকাৰ শাসনৰ তিনিশ বছৰ পূৰ্ণ হোৱাৰ উপলক্ষে পতা উৎসৱত নেলছন-মেণ্ডেলাই কেইবাশ স্বেচ্ছাসেৱক লৈ আইন অমান্য কৰি দাবী কৰিছিল "মে আই বুই আফ্ৰিকা" অৰ্থাৎ আমাৰ আফ্ৰিকা আমাক ঘূৰাই দিয়া। মেণ্ডেলাৰ নেতৃত্বাধীন হাজাৰ হাজাৰ যুৱকক গুলি কৰিবলৈ সেই দিনা চৰকাৰ আগবাঢ়ি আহিবলৈ শংকা কৰিলে। ২৬ জুনৰ আন্দোলন সফল হ'ল, কিন্তু নেলছনক পুলিচে গ্ৰেপ্তাৰ কৰিলে। ডাক্টৰ, উকীল, মহৰী, পিয়ন, শিক্ষক, অধ্যাপক ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী, বুঢ়া-মেথা সকলোৰে অন্তৰত স্বাধীনতাৰ জুই জ্বলি উঠিল। গাওঁ, চহৰ, নগৰ সকলোতে কেৱল এটাই শ্লোগান "আমাৰ আফ্ৰিকা আমাক ঘূৰাই দিয়া॥"

মেণ্ডেলাৰ বন্ধু ৱাল্টাৰ চিচলুৱে আদালতত থিয় দি কৈছে "আমি বিদেশী চৰকাৰৰ আইন নামানো।" তিনিশ বছৰে সহ্য কৰি অহা অবৰ্ণনীয় অত্যাচাৰ, উৎপীড়ণ আৰু শোষণৰ পৰা দক্ষিণ আফ্ৰিকা বাসীয়ে মুক্তি বিচাৰিলে। ১৯৫৫ চনৰ ২৫ জুন শনিবাৰে সকলো আফ্ৰিকা বাসী মিলিত হৈ সিদ্ধান্ত কৰিলে, আফ্ৰিকাৰ জনসাধাৰণেই হ'ব আফ্ৰিকাৰ শাসনকৰ্ত্তা, আইনৰ চকুত বগা-ক'লা সকলো সমান হ'ব আৰু পুলিচ মানে সন্ত্ৰাস নহৈ জনগণৰ বন্ধু হ'ব। শিক্ষা-দীক্ষা, বাক্ স্বাধীনতা সকলোৰে সম-অধিকাৰী হৈ আফ্ৰিকাবাসী ভাতৃত্বৰ বান্ধোনেৰে বান্ধ খাই এখন সমৃদ্ধিশালী আফ্ৰিকা গঢ়ি তুলিব। নেলছনক বন্দী কৰি ৰাখিলেও আন্দোলন কিন্তু নকমিল। দক্ষিণ আফ্ৰিকাক বিশ্বাস-ঘাটকতা কৰা চৰকাৰৰ বিৰুদ্ধে জনমত গঠন হ'ল। গোটেই বিশ্বকে নেলচনে বুজাবলৈ সমৰ্থ হ'ল যে মানুহে মানুহক উৎপীড়ন কৰি জয় কৰিব নোৱাৰে। ৰাষ্ট্ৰ সংঘইও নেলচনৰ মুক্তিৰ কাৰণে মাত মাতিলে।

জেলৰ পৰা কিছুদিনৰ বাবে মুক্তি পাই নেলছনে সংগঠনৰ কামত ঘূৰি ফুৰোঁতে উইনীৰ লগত পৰিচয় হয়। উইনী আছিল ব্ৰাগউইনথ মেডিকেল কলেজৰ প্ৰথম আফ্ৰিকান নাৰ্চ। নেলছনৰ চিন্তা-চৰ্চা আৰু আন্দোলনৰ বিভিন্ন পন্থাত উইনীয়ে সহযোগিতা কৰিলে। মেণ্ডেলাৰ ব্যক্তিত্ব, আদৰ্শ, সাহস আৰু নিষ্ঠা দেখি উইনীয়ে তেওঁক বিয়াৰ প্ৰস্তাব দিলে। নেলছনে তেওঁৰ প্ৰথমা পত্নীক ডাইভোৰ্চ কৰিলে আৰু ১৯৫৮ চনত জুন মাহত উইনী আৰু মেণ্ডেলাৰ বিয়া হ'ল। উইনীৰ পিতৃ কলম্বাচ মেডিকিজিলিয়াই উইনীক বুজালে "তুমি নেলছন মেণ্ডেলাক বিয়া কৰোৱা নাই; তুমি বিয়া কৰাইছা দক্ষিণ আফ্ৰিকাৰ কৃষ্ণাংগ মানুহৰ সংগ্ৰামকহে।"

চৰকাৰৰে চল-চক্ৰান্তৰ দ্বাৰা যদিও আফ্ৰিকান কংগ্ৰেছৰ মাজত বিভাজনৰ সৃষ্টি কৰিলে তথাপিও মেণ্ডেলাই চিঞৰি উঠিল, "আমি আফ্ৰিকাবাসী ভাৰতীয়, কমিউনিষ্ট, অকমিউনিষ্ট সকলোৱে লগ হৈ গঢ়ি তুলিম সুন্দৰ আফ্ৰিকা, শোষণমুক্ত আফ্ৰিকা।" চৰকাৰে মেণ্ডেলাক দেশদ্ৰোহী, বিদ্ৰোহী বুলি ঘোষণা কৰিলে।

১৯৬২ চনৰ জানুৱাৰী মাহত ইথিওপিয়াৰ এখন সভাত নেলছন মেণ্ডেলাই কৈছিল- "দক্ষিণ আফ্ৰিকাবাসী সুদীৰ্ঘ দিন ধৰি অহিংস আন্দোলনত বিশ্বাসী আছিল; কিন্তু শ্বেতাংগ চৰকাৰে অহিংস আন্দোলনক সন্মান কৰিব নাজানে। আন্দোলনকাৰীৰ অহিংস সংগ্ৰামৰ সুযোগ লৈ চৰকাৰে ৰাজপথ তেজেৰে ৰাঙলী কৰিলে। চৰকাৰে দক্ষিণ আফ্ৰিকা শাসন কৰিছে বন্দুকেৰে, শোষণ কৰিছে বন্দুকেৰে। সামৰিক বাহিনী দুগুণে বঢ়াইছে। বহুতো বন্দুক, গুলি বৰটোপৰ কাৰখানা খুলিছে। দক্ষিণ আফ্ৰিকাত শান্তিপূৰ্ণ সংগ্ৰামৰ পথ আজি ৰুদ্ধ। কৃষ্ণাংগই নিজৰ ঘৰতো শান্তিৰে থাকিবৰ অধিকাৰ নাই। সম্প্ৰতি আফ্ৰিকাবাসীৰ সমস্যা দিনে দিনে বেয়াৰ পৰা বেয়াৰ ফাললৈ গতি কৰিছে।"

মেণ্ডেলাক পুনৰ বন্দী কৰা হ'ল। দক্ষিণ আফ্ৰিকাবাসী মৰ্মাহত হ'ল। ১৯৬২ চনৰ ৬ আগষ্টত মেণ্ডেলাৰ বিচাৰ হ'ল; কিন্তু বহুতো মিছা অভিযোগ দাখিল কৰি চৰকাৰে আকৌ মেণ্ডেলাক জেললৈ নিলে। জোহেন্সবাৰ্গ, প্ৰিটোৰিয়া, কেপটাউন আদি সকলো নগৰৰ মানুহ বিক্ষুব্ধ হৈ উঠিল। প্ৰতিজন আফ্ৰিকা বাসীৰ এটাই শ্লোগান হ'ল "মেণ্ডেলাক মুক্তি দিয়া," "Free Mandela".

১৯৬৩ চনৰ ২৯ ফেব্ৰুৱাৰীত চৰকাৰে পশ্চাদঘাতী কাৰ্য্য, হত্যা আৰু জনগণক সশস্ত্ৰ বিপ্লৱৰ ফালে আগুৱাই নিয়াৰ অপৰাধত মেণ্ডেলা, ৱাল্টাৰ চিচলু আৰু তেওঁলোকৰ সহগামীসকলক আজীৱন কাৰাদণ্ড দিলে। ১২ জুনত নেলচন মেণ্ডেলা আৰু সতীৰ্থবৰ্গক ৰোবেন দ্বীপলৈ স্থানান্তৰিত কৰিলে। চৰকাৰে কৃষ্ণাঙ্গসকলৰ মাজত বিভেদ ভাৱ আৰু মেণ্ডেলাৰ ওপৰত আস্থা হেৰুৱাৰ চেষ্টা কৰি উইনী

মেণ্ডেলাক পুলিচৰ চোৰাংচোৱা বুলি প্ৰচাৰ কৰিলে। মেণ্ডেলাই জেলৰ পৰাই জনসাধাৰণক এনে চক্ৰান্তত বিভ্ৰান্ত নহবৰ বাবে সকীয়াই দিলে। ১৯৬৯ চনৰ ১২ জুলাইৰ নিশা দুই কন্যাৰ লগত শুই থকাৰ পৰাই পুলিচে উইনীক গ্ৰেপ্তাৰ কৰি নিলে। তেওঁৰ লগত বহুতো কৰ্মী, কবি, সাহিত্যিক, ট্ৰেড ইউনিয়নৰ নেতাও আছে। পুলিচৰ অত্যাচাৰত প্ৰথম দিনাই এজনৰ মৃত্যু হ'ল। ১৫০ দিনৰ পাছত নানা লঘু লাঞ্ছনাৰ শেষত উইনীক মুক্তি দিলে যদিও জেলৰ চাৰিসীমাৰ বাহিৰ হওঁতেই পুনৰ বন্দী কৰিলে। ১৯৭০ চনত উইনীক ৰোবেন দ্বীপলৈ পঠোৱা হ'ল। বহু দিনৰ মূৰত স্বামী-স্ত্ৰীৰ দেখা সাক্ষাৎ হ'ল।

১৯৮২ চনৰ এপ্ৰিল মাহত মেণ্ডেলাক ৰোবেন দ্বীপৰ পৰা সতীৰ্থসকলৰ সৈতে পলাশমোৰ জেললৈ নিয়া হ'ল। ১৯৮৫ চনত বোথা চৰকাৰে নেলছন মেণ্ডেলাক দুটা চৰ্ত্তত মুক্তি দিব খুজিলে। প্ৰথম হ'ব — তেওঁ দক্ষিণ আফ্ৰিকাৰ মুক্তি সংগ্ৰাম বন্ধ কৰা, দ্বিতীয়টো হ'ল — দক্ষিণ আফ্ৰিকাৰ আন্দোলনৰ নায়ক তেওঁ নিজেই বুলি স্বীকাৰ কৰা। মেণ্ডেলাই এনে ঘৃণনীয় যুক্তি মানি নললে।

নানা অত্যাচাৰ-লাঞ্ছনা সহ্য কৰি থাকি দেশবাসীক মুক্তিৰ পথত আগবঢ়াই নি মেণ্ডেলাই সুদীৰ্ঘ ২৭ বছৰ কাল জেলত কটালে। শেষত চৰকাৰৰ সকলো কূটকৌশল প্ৰয়োগ বিফল হোৱাত বিশ্ববাসীৰ সৎপৰামৰ্শ জানি আফ্ৰিকান নেচনেল কংগ্ৰেছৰ ওপৰত থকা ৩০ বছৰীয়া নিবেধ আজ্ঞা উঠাই ললে। ১৯৯০ চনৰ ১১ ফেব্ৰুৱাৰীৰ দিনা দক্ষিণ আফ্ৰিকাৰ বীৰ পুৰুষ নেলচন মেণ্ডেলাক চৰকাৰে জেলৰ পৰা মুক্তি দিলে। হাজাৰ হাজাৰ দক্ষিণ আফ্ৰিকবাসী হাতত আফ্ৰিকান নেচনেল কংগ্ৰেছৰ পতাকা লৈ ৰাস্তাৰ দুয়ো কাষে থিয় দি থাকি তেওঁলোকৰ প্ৰিয় নেতাক অভিবাদন জনালে। যুৱক মেণ্ডেলা বৃদ্ধ হৈ পত্নী উইনীৰ হাতত ধৰি জেলৰ পৰা ওলাই আহিল।

মানুহৰ ওপৰত মানুহেই কৰা শোষণ আৰু নিৰ্য্যাতন বন্ধ কৰাই আছিল মেণ্ডেলাৰ লক্ষ্য। সেগ পুৰিলে উজ্জ্বল হোৱাৰ দৰে নিৰ্য্যাতনে মেণ্ডেলাৰ অন্তৰ স্বদেশ প্ৰেমেৰে উজ্জ্বল কৰিলে। বিশ্ব ইতিহাসত নেলছন মেণ্ডেলাৰ নিঃস্বাৰ্থ সংগ্ৰাম আৰু অসীম ত্যাগ স্মৰণীয় হৈ ৰ'ব। মানৱতাৰ অপমান সহ্য নকৰা এই জনা সংগ্ৰামীৰ ডিঙিৰ পৰা ফাঁচীৰ ৰচী আঁতৰি মুক্তিৰ পুষ্পমালাৰে শোভিত হ'ল।

০০০



# এটা ভয় লগা ৰাতি

ৰশ্মিমা বৰা
স্নাতক ১ম বাৰ্ষিক (দিবা)

বিকাশ বৰুৱা এজন অৱসৰপ্ৰাপ্ত চৰকাৰী বিষয়া। তেওঁ এজন সৎ আৰু নিষ্ঠাবান বিষয়া বুলি নাম আছে। চাকৰি জীৱনত তেওঁ অসমৰ বিভিন্ন ঠাইত থাকি বৰ্ত্তমান নিজৰ বাসভৱনলৈ ঘূৰি আহিছে। বৰুৱাৰ লৰা-ছোৱালী তিনিটা। তেওঁৰ চাকৰি জীৱনত পত্নীয়ে লৰা ছোৱালী কেইটা লৈ এই ঘৰত আছিল। লৰা-ছোৱালীৰ পঢ়া-শুনা, খোৱা-পিন্ধা আদিৰ ক্ষেত্ৰত তেওঁ কোনো জঞ্জাল পোৱা নাই। তেওঁৰ পত্নীয়ে এই সকলোবোৰ চম্ভালি লৈছিল। তেওঁৰ ডাঙৰ লৰাটো জল সিঞ্চন বিভাগৰ অভিযন্তা। সি বৰ্ত্তমান চাকৰিৰ সংক্ৰান্তত ডিব্ৰুগড়ত থাকে আৰু মাহেকত এবাৰ ঘৰলৈ আহে। একমাত্ৰ ছোৱালী সুনন্দাক বি, এ, পাছতে তেজপুৰৰ এজন প্ৰফেছাৰলৈ বিয়া দিছে। সৰু লৰা অনুপল স্নাতক মহলাৰ বিজ্ঞান শাখাৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ। ডাঙৰ ল'ৰা-ছোৱালী কেইটাৰ তুলনাত সি অলপ চঞ্চল, তাৰ খোৱা-পিন্ধা সকলোতে শৃঙ্খলাৰ অভাৱ। সি শোৱাৰপৰা সদায় দেৰিকৈ উঠে। চাহ-তাহ খাই এক/ডেৰ ঘণ্টা পঢ়া টেবুলত বহে। তাৰ পাছত তাৰ কলেজলৈ যাবৰ হয়। কলেজৰ পৰা আহি কিবা এটা খাই আকৌ সি তাৰ বাইকখন লৈ ওলাই যায়। ৰাতি কেই বজাত ওভতে সেইটো বৰুৱাৰ অজ্ঞাত। কাৰণ বৰুৱা সদায় শোৱা-পাটীত সোনকালে উঠে। তেওঁৰ পত্নীয়ে অৱশ্যে মাজে মাজে কয়, "আপুনি পলক খং কৰিবচোন। সি দিনে দিনে বেচি উশৃংখল হৈ গৈছে। এদিন সি আমাৰ ঘৰখনলৈ বদনামহে আনিব।" অনুপলক ঘৰত পল বুলিয়েই মাতে। বৰুৱাই হাঁহি মাৰি কয়, "তুমি মিছাতে তাক খং কৰিছা। সি কেতিয়াও বেয়া হ ব নোৱাৰে। এইটো তাৰ বয়সৰে দোষ। বয়স বাঢ়ি থোৱাৰ লগে লগে সিও ঠিক হৈ যাব।" পত্নীয়ে কয় "মই আপোনাক এতিয়াই কৈ দিছোঁ পিছত বেয়া হ'লে মোক নুদুষিব।" এই বুলি কৈ বৰুৱানী খড়েৰে ভিতৰলৈ সোমাই যায়। বৰুৱাই ডাঙৰ লৰা-ছোৱালী কেইটাৰ পৰা কোনো অশান্তি পোৱা নাছিল। ওচৰ-

চুবুৰীয়াইও সিহঁতকেইটাৰ কথা খুব ভালকৈ নক'লেও বেয়াকৈ কোৱা নাছিল। সেয়ে বৰুৱাই সৰুটোৰ ক্ষেত্ৰটো বিশেষ গুৰুত্ব দিয়া নাছিল। তেওঁ ভাবে ডাঙৰ কেইটাই কিবা বেয়া কাম কৰিলেহে সৰুটোৱে কৰিবলৈ উৎসাহ পায়। কাৰণ সৰুৱে ডাঙৰক অনুকৰণ কৰে— বুলি এষাৰ কথাই আছে।

ৰাতিপুৱা সোনকালে উঠাটো বৰুৱাৰ সৰুকালৰে অভ্যাস। শোৱাৰ পৰা উঠি বৰুৱা, পদ্ম হাজৰিকা আৰু প্ৰফুল্ল শইকীয়া প্ৰাতঃভ্ৰমণ কৰিবলৈ যায়। এওঁলোক তিনিও বাল্যকালৰ বন্ধু। স্কুলীয়া আৰু কলেজীয়া জীৱনতো তিনিও একেলগে আছিল। পাছত চাকৰি সংক্ৰান্তত তিনিও বেলেগে বেলেগে থাকি বৰ্ত্তমান অৱসৰ লৈ আকৌ একগোট খাইছেহি। তেওঁলোকৰ ঘৰো প্ৰায় ওচৰা-ওচৰি। তিনিও ফুৰি-চাকি, কথা-বতৰা পাতি ঘৰ সোমাওতে পুৱা ৬ বাজে। তাৰ পাছত বৰুৱাই নিজৰ প্ৰাতঃকৃত সমাপন কৰি সেইদিনাৰ বাতৰি কাকতখন মেলি লয়। বৰুৱাৰ ঘৰৰ আগফালে এখন ফুলনি বাৰী আৰু পাছফালে এখন ডাঙৰ শাকনি বাৰী আছে। বাতৰি কাকত পঢ়ি উঠি তেওঁ বাৰীত সোমায়। বৰুৱা নাথাকোতে কাম কৰা ল'ৰা ৰঘুৱেই বাৰীত পাচলি ৰোৱা, মাটিবোৰ খুচৰি দিয়া, পুলিবোৰত পানী দিয়া, হাবি-বন গুচাই বাৰীখন চাফচিকুণ কৰা আদি কামবোৰ কৰিছিল। এতিয়া বৰুৱা অহাৰ পাছত আজৰি সময় কটোৱাৰ বাবে বৰুৱাই বাৰীত এইবোৰ কাম কৰি দিনটো ব্যস্ত হৈ থাকে। দুপৰীয়া কাম বন শেষ কৰি খাই-বৈ তেওঁ কিছু জিৰণি লয়। আবেলি বৰুৱাই শোৱাৰ পৰা উঠি চাহ-তাহ খাই কিছু সময় বাৰাণ্ডাত বহে। নহ'লে মানুহ-দুনুহ আহিলে তেওঁলোকৰ লগত কথা-বতৰা পাতিয়ে সময়খিনি কটায়। গধূলি বৰুৱা আৰু তেওঁৰ লগৰ দুজন লগ হৈ ওলাই যায় আৰু বজাৰ-সমাৰ কৰি গধূলি ৭ মান বজাত ঘৰ সোমায়। বজাৰ-সমাৰো আজি-কালি বৰুৱায়েই কৰে। কেতিয়াবা বৰুৱাৰ কিবা অসুবিধা হ'লেহে ৰঘুৱে কৰিব লগাত পৰে।

এদিন বৰুৱা, হাজৰিকা আৰু শইকীয়া ফুৰি আহোঁতে এঠাইত ৰাস্তাৰ দাঁতিত কিছুমান লৰাই হুলস্থুল কৰি কথা পাতি থকা দেখিলে। সিহঁতৰ কথা-বতৰা, সাজ-পোছাক পিন্ধন, ভাব-ভঙ্গী সকলোতে উশৃংখলতাৰ ভাব পৰিলক্ষিত হৈছে। সিহঁতে কথাৰ মাজত কিছুমান অশ্লীল শব্দও উচ্চাৰণ কৰিছিল। সিহঁতৰ কথা বতৰাৰ পৰা বা সিহঁতে সৃষ্টি কৰা হুলস্থুলীয়া পৰিৱেশটোৰ পৰা যে বাটেদি যোৱা মানুহ বিৰক্ত হ'ব পাৰে, সেইবোৰৰ প্ৰতি সিহঁতৰ ভ্ৰুক্ষেপেই নাই। বৰুৱাহঁতে লৰা কেইটাৰ আচৰণ দেখি বৰ বিৰক্তি পালে। তেওঁলোকে আহি থাকোঁতে অকল লৰাকেইটাকেই নহয় সিহঁতৰ মাক-দেউতাকৰো দূষিলে লৰাক ভালদৰে শাসন কৰিব নোৱাৰাৰ বাবে। লৰাকেইটাৰ মাক-দেউতাকৰ সিহঁতৰ প্ৰতি দায়িত্ববোধ নথকাৰ বাবে লৰাকেইটা অধঃপতনে গৈছে। বৰ্ত্তমান সমাজখনৰ, ঘৰুৱা পৰিৱেশ, বৰ্ত্তমানৰ যিটো অৱস্থা এইবোৰেই যে লৰা-ছোৱালীক ধ্বংসৰ মুখলৈ ঠেলি দিছে, তাৰ লগতে মাক-দেউতাকৰ সুশাসনৰ অভাৱেই এই ক্ষেত্ৰত সহায় কৰিছে। এইদৰে কথা পাতি আহি তেওঁলোক বৰুৱাৰ ঘৰ পালেহি। বৰুৱাই দুয়োজনৰ পৰা বিদায় লৈ ঘৰ সোমাল।

লাহে লাহে অনুপলৰ স্নাতক প্ৰথম খণ্ডৰ পৰীক্ষাৰ দিন চমু চাপিল। কিন্তু তাৰ যেন পঢ়াৰ প্ৰতি কোনো আগ্ৰহেই নাই। আগৰ দৰে খাইছে, পিন্ধিছে আৰু ওলাই গৈছে। এদিন গধূলি বৰুৱাই তেওঁৰ পত্নীক ক'লে—"হেৰা, আজি মই অনুপল অহাৰ পাছত তাৰ লগত ভাত খাম আৰু তাক সুধিম সিনো ইমান দেৰিলৈকে ক'ত থাকে? এতিয়া সি ঘূৰা-ফুৰা অলপ কমকৈ কৰি ভালদৰে পঢ়া-শুনা কৰিব লাগে। এতিয়াই ভালদৰে পঢ়াশুনা নকৰিলে পাছত তাৰ নিজৰে কষ্ট হ'ব।" পত্নীয়ে ক'লে—"আপুনি এতিয়া এই বয়সত তালৈ অপেক্ষা কৰাৰ কোনো মানে নাই। সি কোন সময়ত ঘৰ সোমাইহি কোনো ঠিক নাই। ৰাতি বাৰ বা এক বাজিব পাৰে। আপুনি কথাখিনি তাক কাইলৈ দিনতো ক'ব পাৰিব।" বৰুৱাই ক'লে—"ৰাতিপুৱা তাক লগ নাপাওঁৱেই দেখোন। ৰাতিপুৱা কলেজলৈ যোৱাৰ অলপ আগতে উঠে। তাৰ পাছত খাই-বৈ তাৰ কলেজলৈ যাবৰ হয়েই। কলেজৰ পৰা আহিও তাৰ দেখোন ৰবলৈ সময়েই নাই। আকৌ ওলাই যায়েই। গতিকে আজিয়েই তাক কথাবোৰ সুবুজালে আৰু সময় নাই।" শেষত বৰুৱাৰ কথাই ৰ'ল। বৰুৱাই হিন্দী আৰু ইংৰাজী বাতৰি চাই উঠি কেইখমান আলোচনী লৈ ড্ৰইংৰুমতে বহিল। কাৰণ তেওঁ টি,ভিৰ অসমীয়া, হিন্দী আৰু ইংৰাজী বাতৰিৰ বাহিৰে আন প্ৰগ্ৰেম নাচায়, অৰ্থাৎ সেইবোৰ চাই তেওঁ ভাল নাপায়। সেয়ে তেওঁ আলোচনীকে পঢ়িব ধৰিলে। পঢ়ি থকাৰ মাজতে এবাৰ তেওঁ ড্ৰইং ৰুমত থকা Wall clock টো চাই দেখিলে বাৰ বাজিবৰ হ'ল, তেতিয়ালৈকে অনুপল অহাই নাই। কিছুসময়ৰ পাছত বৰুৱাই এখন "বাইকৰ" শব্দ শুনিলে। তেওঁ ঘড়ী চাই দেখিলে তেতিয়া চাৰে বাৰ বাজিছে। ঠিক তেতিয়াই তেওঁলোকৰ কলিং বেলটো বাজি উঠিল। তেওঁ দুৱাৰখন খুলি যি দেখিলে সেইটো তেওঁৰ কল্পনাৰো অতীত। অনুপলে থিয় হৈ থকাৰ স্থিৰতা ৰাখিব পৰা নাছিল— তাৰ চুলিবোৰ, কাপোৰ-কানিও অবিনাস্ত আৰু তাৰ মুখৰ পৰা মদৰ ভেকেটা ভেকেট গোন্ধ ওলাইছে। প্ৰথমে দেউতাকক দেখি সি থতমত খালে আৰু মুখেৰে একো নামাতি ঢলংপলংকৈ নিজৰ কোঠাৰ ফালে যাব ধৰিলে। বৰুৱাৰ ভৰিৰ তলৰ মাটিখিনি নাইকিয়া যেন লাগিল। সিদিনা যিকেইটা লৰাৰ মাক-দেউতাকক তেওঁ দায়িত্বহীন বুলি মনতে থং কৰিছিল, সেইবিলাক মাক-দেউতাকৰ শাৰীত যেন আজি বৰুৱাও

পৰিল। ইয়াৰ পাছত আৰু তেওঁ একো ভাবিব নোৱাৰিলে। তেওঁৰ চাৰিও কাষৰৰ বস্তুবোৰ যেন খুব জোৰেৰে ঘুৰিব ধৰিছে এনে লাগিল তেওঁৰ। ০০

## মহৎলোকৰ বাণী ঃ

১। লোকৰ দোষ ধৰাটো বুদ্ধিমানৰ কাম, কিন্তু নিজক পৱিত্ৰ কৰাটো তাতকৈ বুদ্ধিমানৰ কমে।

— *মহাত্মা গান্ধী*

২। সংসাৰৰ অন্য বস্তু বলেৰে বা ধনেৰে সংগ্ৰহ কৰিব পাৰি, কিন্তু জ্ঞান তেনেদৰে আৰ্জি লব নোৱাৰি। তাৰ বাবে অধ্যয়নৰ প্ৰয়োজন।

—*জনছন*

৩। নিজে প্ৰমাণ কৰিব নোৱাৰালৈকে কোনো কথাকে সত্য বুলি গ্ৰহণ নকৰিবা।

—*ৰেনে ডেকাৰ্টে*

৪। সংস্কৃতি হৈছে সামাজিক, আৰ্থিক, সকলো প্ৰকাৰৰ মুক্তিৰ বেদী। মুক্তিৰ বেদীতহে সংস্কৃতি জাতিষ্কাৰ হোৱাটো সম্ভৱ। আন প্ৰকাৰৰ প্ৰচেষ্টা যিমানেই নহওক লাগিলে, একোৱেই ইয়াক প্ৰাণ দিব নোৱাৰে। প্ৰাণহীন সমাজৰ সংস্কৃতি মৰিশালিৰ দৰেই নিষ্প্ৰাণ।

— *হেম বৰুৱা*

৫। সকলো কাম কৰাৰ সময়ত শেষৰ ফল কি হ'ব সেইটো বিবেচনা কৰিহে কামটো কৰিবা।

—*লা ফাউণ্টেইন*

*// সংগ্ৰহ : অৰ্চনা বৰা //* উচ্চতৰ মাঃ ২য় বাৰ্ষিক।



*একাঙ্কিকা নাট :*

# ।। গভীৰ এক বেদনাৰ শিখা ।।

*ৰীতা বৰদলৈ*
স্নাতক ২য় বাৰ্ষিক (দিবা)

*চৰিত্ৰসমূহঃ—*

১। মোহন—এজন সহজ সৰল দুখীয়া লোক
২। ৰঙিলী—মোহনৰ জীয়াৰী (বয়স ১৫/১৬)
৩। মইনা— " পুতেক (৬ বছৰ)
১। প্ৰভা— " পত্নী ( বেমাৰী )
৫। কমল – হৰি মহাজনৰ পুতেক (কলেজীয়া ছাত্ৰ )
৬। হৰি – কমলৰ দেউতাক (অহঙ্কাৰী জমিদাৰ )
৭। ডাক্তৰ –

[মোহনে তমাল চাঁচি থাকে। মুখত হৰি নাম আওৰাই থাকে। পিন্ধনত এটা লেতেৰা ফটা গেঞ্জী আৰু এখন ফটা ধুতি। বেৰত কেইখনিমান ফটো থাকিব। এনেতে মোহনে কঁকালৰ চেঁপত ধুতিৰ গাঁঠিটোত কিবা বিচাৰি চায় আৰু পুতেকক মাতে।]

মোহনঃ—মইনা, অ' মইনা, মেছটো আনচোন, বিড়িটোকে খাই লওঁ। কিমান বহি থাকিবি।

মইনাঃ—হে পিতাই, এইটো মেছ। মই স্কুললৈ যাওঁ আৰু মাতি নাথাকিবি দেই।

মোহনঃ—ভাত খালি জানো ?

মইনাঃ—(অলপ খঙত) নাই খোৱা, থাকিলেহে খাম, ভাতেই নাই। আহি খামহি দে। পিতাই এতিয়া যাওঁ দেই।

[প্ৰস্থান]

[ মোহনে মইনা যোৱাৰ ফালে এটা করুণ দৃষ্টিৰে চাই ৰয়। এনেতে ভিতৰৰ পৰা ৰঙিলীয়ে মাতে।]

ৰঙিলীঃ—পিতাই—অ পিতাই চাহ খাহি।

মোঃ—এহ্ ইয়ালৈকে লৈ আহ। মই ইয়াতে খাম।

ৰঙিলী—(এটা বাটিত চাহ আনে) হোঁ পিতাই ! চাহ খাই বজাৰৰ পৰা চাউল কেইটামান কিনি আন গৈ।

মোঃ—পইচা ক'ত পালি আই। (হুমুনিয়াহ কাঢ়ি)

ৰঙিলী—কালি যে খুড়াদেউইঁতৰ পথাৰলৈ

গৈছিলোঁ—তাৰ পৰাই পালোঁ পিতাই। পিতাই, তই বেছিকৈ কাম নকৰিবি—নহ'লে তোৰ বেমাৰটো আকৌ হ'ব।

মোঃ—কাম নকৰিলে জানো এনেয়ে খাবলৈ পাম আই!

ৰঙিলী—মই থকালৈকে তই কোনো চিন্তা নকৰিবি পিতাই।

মোঃ—তোৰ কথা ভাবিলে মোৰ বুকুটো কিবা হৈ যায়। টকাৰ অভাৱত তোক কলেজখনো পঢ়ুৱাব নোৱাৰিলোঁ।

ৰঃ—মই নোৱাৰিলোঁ নাই, ভাইটিক ভাল মানুহ কৰি গঢ়ি তুলিব লাগিব পিতাই।

মোঃ—এইবোৰ সপোন আই—সপোন। সপোন ৰচি লাভ নাই।

ৰঃ—(কান্দি) সপোন হ'লেও তাক বাস্তৱত ৰূপ দিব পাৰিম পিতাই। ইয়াক বাস্তৱ কৰিবলৈ মাথো কষ্ট হ'ব।

মোঃ—তই কান্দিছ আই? আৰু কিমান কান্দিবি? কান্দি-কান্দি তোৰ চকুলো শেষ হৈ গৈছে।

ৰঃ—পিতাই আই অসুখত পৰি আছে। তই বেচিকৈ দুখ কৰি নেথাকিবি।

(ৰঙিলীৰ প্ৰস্থান। (এনেতে হৰি মহাজনৰ প্ৰৱেশ)

হৰিঃ—মোহন অ'—মোহন। বোলো মোহন আছনে?

মোঃ—অ' মহাজন দেউতা, আহক, সোমাই আহক। ৰঙিলী—হেৰৌ ৰঙিলী, মূঢ়াটো আনচোন। (মোহনৰ হাত দুখন লগ লাগি গ'ল নমস্কাৰৰ ভঙ্গীত)

হৰিঃ—(অলপ খঙেৰে) নালাগে বুজিছ নালাগে, মই তোৰ ইয়াত বহিবলৈ অহা নাই।

মোঃ—মহাজন দেউতা আপুনি……(শুনা নুশুনাকৈ করুণ সুৰ বাজে)

হৰি—অ' মই। ভাবিছ চাগে কথাবোৰ মোৰ কাণত পৰা নাই বুলি।

মোঃ—মহাজন দেউতা, আপুনি কি কব বিচাৰিছে ভালদৰে বুজাই কওকচোন।

হৰিঃ—বুজাই কবলৈ কিটো আছে?

মোঃ—নকলেনো কেনেকৈ জানিম দেউতা।

হৰিঃ—মোৰ মৰম লগা লৰাটোক দেখি ফুচুলাই মেলি ঘৰজোৱাই কৰি লব বিচাৰিছ— এতিয়া আকৌ নাজান?

মোঃ—(আচৰিত হৈ) আপোনাৰ লৰা? মইটো আপোনাৰ লৰাক চিনি নেপাওঁ।

হৰিঃ—হেৰৌ—হৈছে হৈছে। বেঙাটো হৈ দেখুৱাব নেলাগে বুজিছ। চব জানো। শুন তোৰ জীয়েৰক সাৱধান কৰি দিবি যাতে মোৰ লৰাক আৰু কোনোদিনে নামাতে।

মোঃ—বিনা দোষত মোৰ এই অবলা ছোৱালীজনীক মই দুখ দিব নোৱাৰোঁ—মহাজন দেউতা।

হৰিঃ—(খঙেৰে) তহঁত দেখিছোঁ বহু ওপৰলৈ গৈছ। (এনেতে ৰঙিলীয়ে চিএৰি চিএৰি ওলাই আহে।

ৰ.—পিতাই, অ' পিতাই। অ' এখেত কোন পিতাই? চিনি পোৱা নাই দেখোন।



মোঃ—তই চিনি নাপাৱ আই। এখেত আমগুৰি গাঁৱৰ সেই মহাজন দেউতা।

হৰিঃ—মোক বাৰু চিনি পাব নালাগে। মোৰ লৰাটোক চিনি পালেই হ'ব।

ৰঃ—আপুনি কি কব বিচাৰিছে?

হৰিঃ—এতিয়াচোন নজনাজনী হলি।

ৰঃ—আপুনি কোন লৰাৰ কথা কৈছে?

হৰিঃ—মই কমলৰ কথা কৈছোঁ।

ৰঃ—কমল—কমল, মই কি কৰিব লাগে?

হৰিঃ—তই কি কৰিব লাগে জান? মোৰ বোৱাৰী হ'ব লাগে।

ৰঃ—মুখ চম্ভালি কথা ক'ব। আপুনি মহাজন হ'ব পাৰে, কিন্তু সকলোৰে ওপৰত নহয়। শুনক মহাজন দেউতা, কমল মোৰ কলেজীয়া জীৱনৰ বন্ধু আছিল। বন্ধুৰ ভিতৰত তেওঁৱেই আছিল অতিকৈ নম্ৰ আৰু সৰল। সেইবাবেই …. ….

হঃ—অ' সেইবাবেই সৰলতাৰ সুযোগ লৈ হবলা…. …. ….

ৰঃ—যদি নুশুনে আপুনি যাব পাৰে আৰু যদি প্ৰয়োজন হয় আপোনাৰ লৰাক সাৱধান কৰি দিব। মোক নহয়। দ্বিতীয় দিন এইখন ঘৰলৈ আহিলে আপুনি…. …. ….

হঃ—এহ, মূখখন দেখিছোঁ একেবাৰে লাওপাত কচুপাত। তই মোক কি কৰিবি—হএঃ কি কৰিবি?

ৰঃ—একো কৰিব নোৱাৰিলেও উলিয়াইটো….

মোঃ—আই তই মনে মনে থাক। এইবোৰ ডাঙৰ মানুহ। ডাঙৰ মানুহ জোকাই নলবি আই।

ৰঃ—ধনী হ'লে মানুহ আৰু দুখীয়া হ'লে মানুহ নহয়? আমাৰ আত্ম-সন্মান নাই? আমাৰ নিজস্ব স্বাধীনতা নাই? এইচাম ভদ্ৰলোকে দেশত, জাতিত কলঙ্ক সানিছে।

হঃ—বাৰু যাওঁ, ক'ৰ পানী কলৈ যায় মই এবাৰ চাই লম।

ৰঃ—যা—যা তোলৈ ভয় কৰি একেবাৰে মোৰ ঘৰটোহে লৰিছে।

মোঃ—আই এইবোৰ ডাঙৰ মানুহ, তেনেকৈ কোৱাটো সিমান ঠিক নহ'ল নেকি?

ৰঃ—একো বেয়া হোৱা নাই পিতাই, জোকৰ মুখত চূণ-চাধা।

মোঃ—বাৰু আই কচোন তই কমল নে কি তাক সচাঁই চিনি পায় নেকি?

ৰঃ—পাওঁ পিতাই। তেওঁ অতি ভদ্ৰ লৰা। অন্য লৰাৰ লগত অলপো নিমিলে।

(এনেতে বাহিৰত চাইকেলৰ বেল বাজে)

ৰ কোন সোমাই আহক।

(কমলৰ প্ৰৱেশ)

কমলঃ—ৰঙিলী!

ৰঃ—আৰে কমলদা—আহাঁ আহাঁ, বহাঁহি।

(ৰঙিলীয়ে ভিতৰৰ পৰা মূঢ়া এটা আনি দিয়ে)।

কঃ—ৰঙিলী আজি তোমাৰ মনটো কিয় মৰা?

ৰঃ—নাই—এনেয়ে। পিতাই, এখেতেই কমল বৰুৱা।

কঃ - অ' নমস্কাৰ ।

ৰঃ—কমলদা, তুমি বহঁাচোন— ইম ভিতৰৰ পৰা আহোঁ । পিতাই তই এখেতৰ লগত কথা পাত, মই চাহ কৰি আনো ।

কঃ—অ' হেৰি নহয় ৰঙিলী, চাহ তাহ কৰিব নালাগে । তামোল এখনকে দিয়া । (ৰঙিলীয়ে ভিতৰৰ পৰা অলপ পিছত তামোলৰ বঁটা এটা লৈ সোমাই আহে)

ৰঃ—তামোল খোৱা কমলদা ।

কঃ—ৰঙিলী মই এটা বিশেষ কথাৰ কাৰণে তোমাৰ ওচৰলৈ আহিছোঁ ।

মোঃ—বোপা তুমি বহঁা । মই গাটোকে তিয়াই আহোঁ ।

কঃ—বাৰু যাওঁক, ময়ো যাওঁয়েই আৰু ।

ৰ —কোৱাচোন কমলদা কি কথা ।

ক —তুমি মোক ক্ষমা কৰা ৰঙিলী ।

ৰঃ—ক্ষমা—তুমিতো কোনো দোষ লগোৱা নাই, কিহৰ ক্ষমা ?

কঃ—তুমি কবলৈ বেয়া পালেও মই সুধিবলৈ আহিছোঁ ।

ৰঃ—মই কি কম কমলদা, তোমাক মই ভাল-দৰে জানো, তোমাৰ লগত মই একেলগে কলেজত পঢ়িছিলো ।

কঃ—সেইবাবেইতো সকলো কথা সুধিছোঁ তুমি জানো মোক তোমাৰ বন্ধু বুলি নেভাবা ?

ৰঃ—ভাবোঁ কমলদা, আৰু ভাবোঁ বাবেইটো····

ক —তেতিয়াহলে কোৱাত কি আপত্তি থাকিব পাৰে ?

ৰঃ—তেতিয়াহলে শুনা কমলদা —

কঃ—কোৱা ৰঙিলী ।

ৰঃ—অলপ আগতে তোমাৰ দেউতাৰা ইয়ালৈ আহিছিল । আহি মোৰ পিতাইক প্ৰায় অপমানৰ সুৰত বহু কথা কোৱাত মোৰ অন্তৰত বৰ আঘাত লাগিল । আচলতে তোমাৰ দেউতাৰাক মই তেনে কথা কব নালাগিছিল। তাৰ বাবে মই তোমাৰ ওচৰত দোষী কমলদা ।

কঃ—একো বেয়া হোৱা নাই ৰঙিলী ।

ৰঃ—(কান্দি) শুনা কমলদা, আমি তোমালোকৰ দৰে টকাৰে মানুহ হ'ব নোৱাৰিব পাৰোঁ, কিন্তু তথাপিও জানো আমাৰ আত্ম সন্মান নাই । তোমালোকৰ দৰে উচ্চ শিক্ষাৰে শিক্ষিতা হ'বলৈ আমাৰ টকা নাই । তেনেস্থলত আনৰ লাঞ্ছনা-গঞ্জনা শুনিবই লাগিব কমলদা। দুখীয়াৰ কথাৰ মূল্য নাই, মূল্য নাই তেজৰ, আজি যদি আমি তোমালোকৰ দৰে ধনী মানুহ হলোহেঁতেন, হয়তো তেতিয়া আমাক কোনেও মিছা অপবাদ দি অপমান কৰিব নোৱাৰিলেহেঁতেন ।

কঃ—ৰঙিলী, মানব আৰ দানৱ দুটা বেলেগ বস্তু । গতিকে তুমিতো এজনী কলেজত পঢ়া ছোৱালী, তুমি সকলো কথাই বুজা হৈছা, তোমাকনো মই আৰু কি বুজাই কম ! [কমলে বহাৰ পৰা উঠে] দেউতাই পাহৰিলে ৰঙিলী অতীত স্মৃতিৰ কথা, পাহৰিলে অতীতৰ দুখ লগা জীৱনৰ কথা, তুমি মোক বেয়া নাপাবা ৰঙিলী । সত্যৰ সদায় জয় । মই যাওঁ ৰঙিলী ।

ৰঃ—যোৱা কমলদা, বেয়া নাপাবা । মনৰ দুখত বহুতো কলোঁ । (কমলৰ প্ৰস্থান । ৰঙিলীয়ে হাতযোৰ কৰি মঞ্চৰ সন্মুখলৈ আহে আৰু এটা গান গায় । (করুণ সুৰ ভাঁহি থাকে । )

(কান্দি) হে প্ৰভু ! তুমি কিয় ইমান স্বাৰ্থপৰ ! তোমাৰ দুখানি চৰণত পৰি দিনে নিশাই প্ৰাৰ্থনা কৰোঁ, তোমাৰ চৰণ তিয়াই দিওঁ অলেখ চকুলোৰে; তুমি বাৰু কিয় চকু মেলি নোচোৱা ? দুখীয়াৰ দুখ বুজিবলৈ কিয় বাৰু চেষ্টা নকৰা ? তুমি সৰ্বব্যাপী প্ৰভু, তুমি দুখীয়াৰ জীৱনৰ জ্বলি থকা চাকিটিও নুমুৱাই দিয়া কিয় প্ৰভু ?

(এনেতে ৰঙিলীৰ মাক বেমাৰীৰ গাৰে উঠি আহে )

মাকঃ—ৰঙিলী !

ৰঃ—আই, তই কিয় উঠি আহিলি ? ব'ল — শুই থাকগৈ ।

মাঃ—নালাগে ৰঙিলী, কিমান শুই থাকিম ? এজনী গাভৰু ছোৱালীকনো কিমান কষ্ট দিম ?

ৰঃ—মই থাকোঁমানে তইঁতে সেইবোৰ চিন্তা নকৰিবি । কেৱল তোৰ বেমাৰটো ভাল হ'বলৈ দে ।

মাঃ—ৰঙিলী, তই ভগৱানক দোষ নিদিবি আই । ভগৱানৰ গাত অলপো দোষ নাই । কেৱল এইয়া পৰীক্ষাহে চাইছে। বিপদত ধৈৰ্য্যই আচল বস্তু । শুন আই, তোক বহুদিনৰ পৰা লুকুৱাই থোৱা কথা এটা আজি কওঁ ।

ৰঃ— কি কথা আই ?

মাঃ- (সেহাই) তোৰ পিতাৰক তইঁতে স্কুলত নপঢ়া নজনা বুলি ভাব আৰু তেখেতেও তইঁতক খুলি নকয় আৰু কোৱা নাই । তোৰ পিতাৰ বি, এ পাছ আই ।

ৰঃ - আই ········ ····

মাঃ— অ' এটা ডাঙৰ চাকৰিও পাইছিল । পিছে কি হ'ব ? গুৰি ডাঙৰ নহ'লে আগটো এনেয়ে ভাগি পৰে । টকাৰ অভাৱত চাকৰিটোও নাপালে। পিছত এনেকৈয়ে খেতি-বাতি কৰি কৰি এই অৱস্থা—

ৰঃ—(কান্দি) সঁচা আই ? (এনেতে মইনাই হাতত কিতাপ লৈ ঢলং-পলংকৈ বাহিৰৰ পৰা সোমাই আহে । )

মইনা—পা··········নী ।

ৰঃ— (দৌৰি যায়) কি হ'ল মইনা ? বহচোন এই মুঢ়াটোতে বহ ।

মাঃ—বোপাই, কি হ'ল তোৰ ?

মইঃ—আ-আই মো······ মো-ক অলপ বিচি দেচোন ।

ৰঃ—মইনা, তই অলপ এইখিনিতে বহচোন মই অলপ পানী আনোঁগৈ । (প্ৰস্থান)

মোঃ—আই ৰঙিলী, বিচনীখনো আনিবি।

মইঃ—(সেহাই, সেহাই) আ·······ই, মোৰ এই পৃথিবীত চা-চাউল উকলিল—আই।

মাঃ—মইনা, তই এইবোৰ কি বাকিচ সোণ? মনে মনে থাকচোন। মই পিতাৰক ডাক্তৰৰ ঘৰলৈ পঠাওঁ।

মই—নালাগে আই। মিছাতে টকা খৰচ কৰিব না—নালাগে (ৰঙিলীয়ে হাতত পানী আৰু বিছনী লৈ ওলাই আহে। পিছে পিছে বাপেক)

মইঃ—বাইদেউ, চা—ওঁ এই ফালে আহচোন।

ৰঃ—(বাপেকলৈ চাই) পিতাই, তই ডাক্তৰৰ ঘৰলৈ যা। লগতে ডাক্তৰক লৈয়ে আহিবি।

মোঃ—অ' যাওঁ—যাওঁ। (প্ৰস্থান)

ৰ—মইনা, তোৰ কি হৈছে কচোন?

মই—বাই—দে—উ অন্ধ মানুহে এ—একো নেদেখে. ঠিক আমাৰ জীৱনটোও একে হ'ল। (অস্পষ্ট মাতেৰে)

মাঃ—সোণ মোৰ তই মনে মনে থাক। তোৰ ভাল হ'ব নহয়। ঈশ্বৰে চকু মেলি চাব মোৰ সোণটো। মোহন সোমাই আহে, পিছে পিছে ডাক্তৰ হাতত বেগ)।

মোঃ—আহক ডাক্তৰ বাবু, বহক।

ডাঃ—অ' বেমাৰী এওঁয়েই নেকি? (ৰঙিলী আৰু মাকে বহাৰ পৰা উঠে। মাকে মইনাক ধৰি থাকে। ৰঙিলীয়ে ডাক্তৰৰ ওচৰলৈ মূঢ়াটো আগুৱাই দিয়ে।)



মাঃ—(কান্দি) দয়া কৰক ডাক্তৰ বাবু, লৰাটোক যেনেতেনে ভাল কৰি দিয়ক। যেনে তেনে··· ····

ডা—হ ব হ'ব। চাওঁ ভাইটি, তোমাৰ চকু দুটা। (ডাক্তৰে হাত-ভৰি চায় আৰু বেগৰ পৰা এখিলা কাগজ উলিয়াই কিবা লিখি মোহনৰ হাতত দিয়ে)

ৰঃ—পিতাই, এতিয়া যা। ঔষধ কেইটা লৈ আহগৈ।

ডাঃ—(ৰঙিলীলৈ চাই) লৰাজনক (মোহন ওলাই যায়) কেইটামান গৰম ভাত খুৱাব।

ৰ—আপোনাৰ পইচা কিমান হ'ল চাৰ?

ডাঃ—যি দিয়ে তাতেই সন্তুষ্ট। মাকে আঙঠিটো হাতৰ পৰা খুলি ডাক্তৰলৈ আগবঢ়াই দিয়ে।)

মাঃ—এইটো লওঁক ডাক্তৰ বাবু। দিবলৈ আৰু একো নাই।

ডাঃ—আৰে এইটো দেখোন আঙঠি। নাই, নাই, হ'ব বাৰু। মোৰ পইচা কেইটাৰে লৰাটোক দৰৱকে আনি দিব, মই যাওঁ। (প্ৰস্থান)

(মাক—ৰঙিলীয়ে ডাক্তৰ যোৱাৰ ফালে চাই ৰয়। কৰুণ সুৰ বাজি থাকিব।)

মই—আ····ই মো····ৰ আই মোৰ সময় হ'ল। সৌ···সৌ····ৱা স্বৰ্গৰ পৰা মোক হা—হাত বা—উল দি আ—আহ মাতি ছে আই। (ৰঙিলী আৰু মাকে সাৱটি কান্দে)

মাঃ—মইনা সোণ, তই তেনেকৈ নকৰিবি। তোৰ সোনকালে ভাল হ'ব।

মইঃ—নাই আই, দুখ—ৰ—ৰাতি কেতিয়াও নু—পুৱায়। (মাতটো কমি আহে।) ম—মই যা—ওঁ আ—আই বাই—দেউ আহ—ও ও হ।

ৰঃ—মইনা, তই আমাক এৰি নেযাবি মইনা।

মাঃ—মোৰ বাচা, তোক কোনেও নিব নোৱাৰে সোণ। তোক মই কেতিয়াও মৰিব নিদিওঁ সোণটো। (কান্দে)

মইঃ—(চকু মুদি) আ—হ মই যা—ওঁ, আই বি—বি দায় আই—ই। বি বি—আই (মূৰটো মাকৰ কোলাত পৰি যায়।)

ৰঃ+মাঃ—মইনা—তই কলৈ গলি মইনা? তই আমাক এৰি কিয় গুচি গলি মইনা। (মোহন দৌৰি সোমাই আহে, হাতত দুটামান বটল।)

মোঃ—মইনা, এইয়া তোৰ বাবে দৰৱ আনিছোঁ—মইনা। তইঁতে নাকান্দিবি, কান্দি মইনাক আমনি নকৰিবি।

ৰঃ—মইনা আৰু এই পৃথিবীত নাই পিতাই।

মোঃ—মইনা। এইয়া তোৰ কি হ'ল? হে নিয়তি, তুমি কিয় ইমান নিষ্ঠুৰ প্ৰভু!

(কান্দে আকৌ হাহেঁ) নাই—নাই তোৰ গাত কোনো দোষ নাই।

ৰঃ—পিতাই, এইয়া আমাৰ ভাগ্য, পিতাই।

মোঃ—মইনা, তোক মই কেতিয়াও মৰিব নিদিওঁ অ', তোক মই মৰিব নিদিওঁ। (কান্দে হাঁহে।) মই মইনাক বিচাৰি যাম। মইনা—মইনা (চিঞৰি প্ৰস্থান)

ৰঃ—পিতাই, তই নাযাবি। তই ঘূৰি আহ পিতাই।

কমলঃ—(প্ৰবেশ) ৰঙিলী—আৰে এইবোৰ।

ৰঃ—অ' কমলদা! তুমি কিয় আহিলা কমলদা? সকলো শেষ হৈ গ'ল। নিয়তিয়ে কাঢ়ি নিলে আমাৰ চকুৰ মণিক।

কঃ—এৰা, মই ভাবিবই পৰা নাছিলোঁ। বাৰু, এতিয়া তাৰ আত্মাৰ শান্তিৰ বাবে আমি সাজু হওঁ ব'লা। দিয়া—মইনাক মই লওঁ। (কমলে মইনাক কান্ধত লয়। পাছে পাছে ৰঙিলী আৰু মাকে চিঞৰি চিঞৰি কান্দে।)

## ॥ অঁাৰ কাপোৰ ॥

# স্বদেশৰ কথাৰে

*নিৰ্মালি বৰা*
উঃ মাঃ ২য় বাৰ্ষিক ॥

মোৰ হৃদয় আৰু সমগ্ৰ সত্তা
খুলি আঁৰি থলোঁ,
মোৰ দেশৰ ৰ'দে পোৱা,
কঙাল জাতিটোৰ স'তে ।
যাৰ অস্ত্ৰ কেৱল-
দেহৰ বল
নাঙল আৰু যুঁৱলি
ষিয়ে দেহৰ ঘাম,
মাটিত সৰায় ;
সোণগুটিৰে ভৰাঁল ভৰাই ললেও,
এসাজৰপৰা অন এসাজৰ তাড়নাত.
পেটত গামোছা বান্ধি,
শুকান আহঁতৰ তলত বিছু মাৰে ।
মোৰ দেশত এতিয়া,
নিৰ্য্যাতিত নিপীড়িত
কঙাল জ'তিৰ সুখৰ নামত,
দুখৰ যন্ত্ৰণাৰ ছট্-ফট্ -
যাৰ মনাকাশত ডাৱৰৰ তাণ্ডৱ
বিজুলীৰ নিৰ্মম বজ্ৰাঘাত ।
এইদৰেই মোৰ হৃদয়খন,
খুলি আঁৰি থওঁ,
মোৰ স্বদেশৰ—
ৰ'দে পোৱা মানুহৰ স'তে ।
যাৰ চকু এহাত গহবৰত আৰু
দেহৰ শিৰাবোৰ গণিব পাৰি ।
এইদৰেই মোৰ সমগ্ৰ হৃদয়খন
সময়মতে খুলি থওঁ
নতুবা—
সময়ত পিন্ধি
ফুল দিয়া গামোছাৰে
মোৰ ব্যক্তিত্বৰ
দীঘলীয়া শ্লোগান আৰম্ভ কৰোঁ । ০০০



# ॥ ধৰ্ষিতা ॥

**ৰীমা ডেকা**
স্নাতক ২য় বৰ্ষিক ॥

পুৱাৰ ৰ'দ এচেৰেঙা আহি শেৱালিহঁতৰ চোতালখন আৱৰি ধৰিছেহি । শেৱালিয়ে কাপোৰযোৰ পিন্ধি আহি ঘড়ীটোলৈ চালে, ১০ বাজিবৰ হ'ল । তাই বেগটো লৈ যাবলৈ ওলাল ; তেনেতে সিহঁতৰ পদূলিৰ মুখত বাইকৰ মাত শুনিলে । আৰে, এই অসময়ত কোন আহিব পাৰে, হয়তো ওচৰৰ ঘৰত বুলিয়েই শেৱালিয়ে ভাবিলে । তাই ৰুমৰ সৰু তলাটো লগাব খোজোতে সিহঁতৰ সৰু কাঠৰ গেটখন খুলি দুটা ল'ৰা সোমাই আহিল । ল'ৰা দুটা দেখাত শিক্ষিত যেনেই লাগিল তাইৰ । শেৱালিয়ে ভাবিলে : এই খিনি সময়ত তাই কোনো ধৰণৰ ব্যক্তিকে লগ কৰিব নোৱাৰে আৰু কোনো মানুহো নাহে, ল'ৰাকেইটাই ঘৰ ভুল কৰা নাইতো ! কিন্তু তাই দেখিলে ল'ৰা দুজন তাইৰ পিনেই আগুৱাই আহিছে । শেৱালিৰ খং উঠিল । এই সময়খিনি তাইৰ বাবে কিমান আৱশ্যকীয় । তাইৰ ঘৰলৈ অহা প্ৰতিজন ব্যক্তিকে শেৱালিয়ে চিনি পায় । কিন্তু এই যুৱক দুজন কোন ? তাই বৰ খেলিমেলিত পৰিল । হঠাৎ ল'ৰা এজনে ক'লে, "আপুনি বাৰু শেৱালি বৰুৱা নহয়নে ?" শেৱালিয়ে বৰকৈ চক খাই উঠিল, ল'ৰাকেইটাই তাইৰ আচল নামটো কেনেকৈ জানিলে । তাহৰ ভবিৰ পৰা মূৰলৈকে গাটো শিৰশিৰাই উঠিল । থতমত খাই উত্তৰ দিলে— "হয়, কি....... কিন্তু আপোনালোক কোন ?" তেতিয়া আনজন ল'ৰাই ক'লে, "আমি এখন সাপ্তাহিক বাতৰি কাকতৰ পৰা আহিছোঁ । আপোনাক বাৰু আমি লগ পাব পাৰোঁ নেকি ?" ল'ৰাটোৰ প্ৰশ্নটোৱে শেৱালি গোটেই মানুহজনীক জোকাৰি দিলে । তাই বুজিবলৈ নেথাকিল যে এই ল'ৰাকেইটা নিশ্চয় সাংবাদিক আৰু তাইৰ অতীতটোক পুনৰ মনত পেলাই দিবলৈকে আহিছে। যুৱক দুজনক তাই লগে লগে উত্তৰ দিব নোৱাৰিলে যদিও তাই ক'লে— "মই বৰ্ত্তমান আপোনালোকৰ লগত কথা পাতিব নোৱাৰিম. কাৰণ মোৰ এতিয়া মুঠেই সময় নাই । তাৰ বাবে আপোনালোকে বেয়া নাপাব । আপোনালোকৰ লগত যদি মোক লগ পোৱাৰ নিতান্ত প্ৰয়োজন, তেতিয়াহলে অহা ৰবিবাৰে ইমান সময়তে আহিব ।" —ল'ৰা দুজনে ভদ্ৰতাৰে হ'ব বুলি ধন্যবাদ জনাই গুচি গ'ল । যাবৰ সময়ত মাত্ৰ কৈ গ'ল. "আমি আপোনাক কেইটামান প্ৰশ্ন সুধিম তাৰ উত্তৰ আপুনি নিশ্চয় দিব বুলি আশা কৰিলোঁ ।" তেতিয়া শেৱালিয়ে

মুখটো জোকাৰি মাত্ৰ হাঁহিলে।

শেৱালিৰ মনটো সেমেকি উঠিল। বৰ্ত্তমান তাই জানো শেৱালি বৰুৱা? তাই-তো এই চহৰৰ ভদ্ৰ তথা অভিজাত শিক্ষিত বিষয়াসকলৰ ওচৰত 'পতিতা তৰালী ফুকন'। তৰালী ফুকন বুলিয়েই এই চহৰৰ মাজ-মজিয়াৰ প্ৰতিজন শিক্ষিত বিষয়াই জানে। সকলোৱেতো তৰালী ফুকনক লৈ পগলা। তাইৰ কি নাই, ৰূপ, সৌন্দৰ্য্য এজন পুৰুষক দিব পৰা সকলো খিনিয়েই আছে। নাই কেৱল তাইৰ বংশৰ গৌৰব। কিন্তু এজন ভদ্ৰলোক পুৰুষৰ বাবে তাইৰ বংশৰ সেই আভিজাত্যৰ কোনো প্ৰয়োজন নাই। প্ৰয়োজন কেৱল ৰূপৱতী তৰালী ফুকনৰ। তৰালীৰ কোনো নাই, আছে মাথো একমাত্ৰ তাইৰ মৰমৰ সৰু ভায়েক এটা। সি চহৰৰ স্থানীয় হাইস্কুল এখনৰ ক্লাচ চেভেনত পঢ়ে। তাৰ বাবেই শেৱালিয়ে সকলো ধৰণৰ কাম কৰিবলৈ আগবাঢ়িছে কাৰণ তাৰ শেৱালিৰ বাহিৰে কোনো নাই। সি সৰুৰে পৰা পঢ়া-শুনাত বৰ ভাল। সেয়ে শেৱালিৰ একমাত্ৰ সপোন তাক ডাঙৰ মানুহ কৰাৰ। সিহঁতৰ কোনো নথকা নহয়, কিন্তু নিষ্ঠুৰ নিয়তিয়ে সকলোকে লৈ গ'ল। এসময়ত শেৱালিহঁতৰ কমলপুৰ গাৱঁত দাদাক দুটা, মাক আৰু ভায়েকৰ সৈতে শেৱালিহঁতৰ ঘৰখন এখন সুখী পৰিয়াল আছিল। দেউতাক সৰুতে ঢুকাল যদিও দাদাকহঁতৰ বাবে শেৱালিয়ে কোনো দিনে দেউতাকৰ অনুপস্থিতি উপলব্ধি কৰিব লগা নাছিল। ডাঙৰ দাদাক ৰমেন স্থানীয় হাইস্কুল এখনৰ বিজ্ঞানৰ শিক্ষক আছিল। সৰু দাদাক দীপেন সৰুৰে পৰা বিপ্লৱী মনৰ আছিল। সি কলেজ আধাতে এৰি বিপ্লৱী সংগঠনত সোমাল। ঘৰৰ পৰা ওলোৱাৰ পিছতে সি বিদেশত বিপ্লৱী ট্ৰেইনিং লৈ থকা বুলি দুবছৰ মান পিছতহে তাৰ খবৰ পায়। মাক তাৰ চিন্তাতে প্ৰায় বেমাৰী হৈ পৰিছিল। মাকক একমাত্ৰ সান্ত্বনা দি ৰাখিছিল শেৱালিয়ে। সৰু ভায়েকটোৱে একো বুজি পোৱা নাছিল! ডাঙৰ দাদাকে দীপেনক ভাতৃ স্থানৰ পৰা ত্যাগেই কৰিছিল। কাৰণ সি মাকৰ মৰম বুজি নোপোৱা বাবে। শেৱালিৰ ডাঙৰ দাদাক ৰমেন শান্ত স্বভাৱৰ ব্যক্তি আছিল। নিজে যিটো সত্য বুলি ভাবিছিল, সেইটো তেওঁ সদায় মানি চলিছিল। সেই সৎ স্বভাৱৰ গাঁও তথা অঞ্চলৰ প্ৰতিজন ব্যক্তিয়ে তেওঁক সন্মানৰ চকুৰে চাইছিল শেৱালি তেতিয়া উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী। এদিন খবৰ পালে যে ককায়েক দীপেন ঘৰলৈ আহিব। খবৰটো সিহঁতৰ সংগঠনৰ লৰা দুটায়ে আহি কৈ গলহি। দাদাক আহিব তাৰে স্ফূৰ্ত্তিত শেৱালি কব নোৱাৰা হৈ আছিল। মাকেও বিছনাৰ পৰা উঠি ভাত ৰান্ধিবৰ বাবে নিজে পাকঘৰলৈ যাব পৰা হ'ল। সৰু পুতেকক নিজে ৰান্ধি এসাজ ভালদৰে খুৱাব। এদিন নিশা শেৱালিৰ সৰু দাদাক দীপেন ওৰফে উদীপ্ত শৰ্মা ঘৰ ওলাছিলহি। তাৰ চেহেৰা আৰু সাজ-পোছাক দেখি শেৱালি আৰু মাকৰ গা শিঁয়ৰি উঠিছিল। তাক সেই নিশা ৰাখিবৰ বাবে মাকে বৰ জোৰ কৰিছিল। সি তেতিয়া কৈছিল তাক ৰাখিলে সিহঁতৰ বৰ বিপদ হ'ব।

সঁচায়ে দীপেনে কোৱাৰ দৰে শেৱালিহঁতৰ ঘৰত তাৰ এমাহ মানৰ পিছতেই ভয়াবহ বিপদ নামি আহিছিল। শেৱালিয়ে ভবা নাছিল সঁচাকৈয়ে যে নিয়তিয়ে সিহঁতক এনেদৰে প্ৰতাৰণা কৰিব। দীপেন অহা দুমাহ মানৰ পিছত দেশত সেনা-বাহিনী নমাইছিল। প্ৰত্যেকখন গাঁৱতে সেনাই উৎপাত-অত্যাচাৰ কৰিছিল। সেই অত্যাচাৰ যে শেৱালিহঁতৰ ঘৰত হোৱা নাছিল তেনে নহয়। শেৱালিৰ সৰু দাদাক দীপেনক বিচাৰি কেইবাজনো সেনাই শেৱালিহঁতৰ ঘৰত সোমাই খানতালাচী কৰিছিল। ডাঙৰ দাদাক ৰমেনক নানা ধৰণৰ প্ৰশ্ন সুধি জুলুম কৰিছিল আৰু এদিন ৰমেনক সিহঁতৰ গাড়ীতে উঠাই সেনাৰ ছাউনিলৈ লৈ গৈছিল। তাৰ তিনিদিনৰ পাছত শেৱালিহঁতে ডাঙৰ দাদাক ৰমেনৰ মৃত দেহটো ঘৰলৈ উভতি অহা দেখিছিল। মাক আৰু শেৱালিয়ে কান্দি কান্দি পাগলীৰ দৰে হৈ গৈছিল। সৰু ভায়েক ত্ৰিদিবেও একো নুবুজাকৈ উচুপিছিল। সিহঁতৰ এই নিঠৰুৱা অৱস্থাত ওচৰৰ আত্মীয় বৰদেউতাকে সিহঁতক নিজৰ ঘৰত ৰাখিছিল। কিন্তু তাতো সিহঁত শান্তিৰে থাকিব নোৱাৰিলে। এদিন শেৱালিয়ে বৰদেউতাকৰ ঘৰৰ বাৰীত কিবা বিচাৰি যাওঁতে বাৰীত মনে মনে পহৰাৰত অৱস্থাত থকা নৰপিপাসু সৈন্যৰ হাতত পৰে। তাৰ পিছত কব নোৱাৰে কি হ'ল। এদিন তাই নিজকে এখন চৰকাৰী চিকিৎসালয়ত আবিষ্কাৰ কৰিলে আৰু ওচৰত সৰু ভায়েক ত্ৰিদিবে উচুপি আছে। তাই তেতিয়াহে সকলো গম পালে যে তাই নাৰী জীৱনৰ মূল্যবান বস্তুটোকে হেৰুৱালে। তাই আকৌ অচেতন হৈ গ'ল। যেতিয়া তাই সম্পূৰ্ণ সুস্থ হৈ উঠি মাকক বিচাৰিছিল, তেতিয়া গাওঁ সম্বন্ধীয় ভায়েক এজনে ক'লে যে তাই সেই দুৰ্ঘটনা হোৱাৰ লগে লগে মাক হৃদ-ৰোগত ঢুকাই থাকিল। সেইমাত্ৰে শেৱালিয়ে উপলব্ধি কৰিলে যে তাইৰ আৰু এই পৃথিৱীত কোনো নাই। কিন্তু হঠাৎ ওচৰত উচুপি থকা ভায়েকৰ মুখখন দেখি তাই চিঞৰি উঠিল। তাৰ তেতিয়া বুজি পোৱাৰ বয়স হোৱা নাই। কিন্তু তথাপিও সি কিবা এটা বুজি পাইছে।

শেৱালি পুনৰ গাঁৱলৈ ঘূৰি নগ'ল। গাওঁ সম্বন্ধীয় ল'ৰা এটাৰ পৰা সহায় লৈ সেই চহৰতে সৰু ৰুম এটা ভাৰা ললে। তাই চিলাই দোকান এখনত দৈনিক চিলাই কাম কৰিবলৈ ললে। ওচৰৰ স্থানীয় স্কুলখনত ভায়েকক এডমিচন দিয়ালে। তাই সকলোবোৰ কামৰ মাজতে উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাটোও দিলে। কম পঢ়ি পৰীক্ষা দিলেও ৰিজাল্টৰ ফলাফল ভালেই হ'ল। পিছত তাই স্থানীয় কলেজত স্নাতক মহলাত নৈশ শাখাত নাম লগাই ললে। দিনটো

চিলাই কাম কৰি আবেলিৰ পৰা সন্ধ্যালৈ কলেজৰ ক্লাছ কৰে। অকল চিলাই কৰি পোৱা পইচাৰে তাই আৰু ভায়েক এখন চহৰত থকাটো সম্ভৱ নহয়। সেয়েই আন বেলেগ কাম অর্থাৎ চাকৰি বিচাৰি বহুত ডাঙৰ বিষয়াৰ ওচৰত চাপিল। কিন্তু তাইক তেওঁলোকে চাকৰি দিয়াৰ পৰিবর্ত্তে তেওঁলোকৰ চকু পৰিল তাইৰ ৰূপ-সৌন্দর্য্যৰ ওপৰত। সেয়ে এদিন এজন অফিচাৰে তাইক চাকৰি দিম বুলি প্রলোভন দি তেওঁৰ বাসভৱনলৈ মাতিলে। কিন্তু তাই তেওঁৰ বাসগৃহত উপস্থিত হৈ তাই পুনৰ সতীত্ব হেৰুৱাব লগাত পৰিল। সেয়েহে তাই কোনো চাকৰি পুনৰ নিবিচাৰিলে কিন্তু লাহে লাহে তাই উপলব্ধি কৰিলে যে তাই মূল্যহীন এজনী সাধাৰণ নাৰী আৰু ভায়েক ত্রিদিবক ডাঙৰ মানুহ কৰিব লাগিবই। সেয়েহে শেৱালিয়ে এতিয়া নিজকে বিক্রী কৰিবলৈও প্রস্তুত। যদিহে তাই সৰু দাদাকটোও জীয়াই থকা বুলি গম পালে হয় তেতিয়াও তাইৰ বাবে সান্ত্বনা হ'লহেতেঁন। সৰু দাদাকক লগ পোৱা নাছিল যদিও শেৱালিয়ে মনতে দাদাক জীয়াই থকা বুলিয়েই ভাবি সান্ত্বনা লভিছিল। কিন্তু এদিনাখনৰ কথা-শেৱালি দৈনিক কাকতৰ ডাঙৰ ডাঙৰ আখৰে লিখা হেড্ নিউজটো পঢ়ি চিঞৰি দিছিল। সৰু দাদাক অর্থাৎ দীপেন বৰুৱা ওৰফে উদ্দীপ্ত শর্মা সেনাৰ লগত মুখামুখী হৈ নিজে আত্মঘাতী হয়। সেই দিনটোৰ পৰা শেৱালিৰ আৰু জীৱনৰ প্ৰতি মোহ নাইকিয়া হ'ল। কেৱল তাই জীয়াই থাকিল একমাত্র সৰু ভায়েক ত্রিদিবৰ কাৰণেই। তাৰ বাবে তাই এতিয়া সকলো ত্যাগ কৰিবলৈ প্রস্তুত।

যুবক দুজন যোৱা বহুত সময়ৰ পিছতো শেৱালিয়ে লৰচৰ হ'ব পৰা নাই. কেৱল এটুকুৰা শিলৰ দৰে থিয় হৈ থাকিল। ল'ৰা-দুজনে তাইক ভালদৰে অতীতটোক মনত পেলাই দিলে। শেৱালি আৰু কামলৈ যাবৰ মন নোযোৱা হ'ল। তাই ভাবিলে ল'ৰা দুজনে বাৰু তাইক কি প্রশ্ন সুধিব আৰু তাই বা কি উত্তৰ দিব! লৰাকেইটাই নিশ্চয় তাইক কব, আপোনাৰ কথা আমি কাকতত লিখিম আৰু আপোনাৰ বাবে চৰকাৰী সাহায্য দিবলৈ চৰকাৰক জনাম। এইবোৰৰ কথা বর্ত্তমানৰ বাবে কিবা মূল্য আছে জানো? তাইতো চৰকাৰে নিদিয়াকৈয়ে বহুত আৰামত খাই-বৈ চলি আছে। তাইৰ বর্ত্তমান কি প্রয়োজনেইবা আছে — চৰকাৰী সাহায্য বা চৰকাৰী চাকৰিৰ? শেৱালিয়ে এটা চৰকাৰী চাকৰিত কৈ বহুত বেচি টকা উপার্জন কৰে। আবেলি ৬ মান বজাৰ পৰা নিশা ১১ বজালৈকে বহুতো মাৰুটি গাড়ীৰ আহযাহ চলে। সেই টকাৰেই তাই ত্রিদিব আৰু নিজে এখন চহৰত চলা খৰচ উলিয়াইছে। ত্রিদিব ডাঙৰ হ'লে হয়তো তাইক ঘৃণা কৰিব। কিন্তু তাইৰ জানো আনৰ কিবা কৰিবলৈ উপায় আছে। দুদিনমানৰ পিছত এখন সাপ্তাহিক কাকত বা মাহেকীয়া আলোচনীৰ বেটুপাতৰ বাতৰি শিৰোনামাত তাইৰ কথা প্রকাশ পাব—"সেনাৰ হাতত নিষ্ঠুৰ ভাবে ধর্ষিতা হোৱা শেৱালি বৰুৱা বিপ্লৱী শ্বহীদ উদ্দীপ্ত শর্মা ওৰফে দীপেন বৰুৱাৰ ভগ্নীৰ বর্ত্তমান নিঠকুৱা অৱস্থা. চৰকাৰৰ অৱহেলিত পাত্রী।" কিন্তু অসমীয়া ৰাইজে পঢ়ি জানিব পাৰিব জানো— সেই শেৱালি বৰুৱা বর্ত্তমান শেৱালি নহয়? বর্ত্তমান শেৱালি 'পতিতা তৰালী ফুকন' হিচাপে এই চহৰত বিখ্যাত। তাই জানো কেৱল সেনাৰ হাততেই ধর্ষিতা? শেৱালিক অকল সেনায়ে ধর্ষণ কৰা নাই, তাই প্রতিদিনে নিজৰ পেটৰ বাবেই, নিজক জীয়াই ৰাখিবৰ বাবেই হৈছে ধর্ষিতা।

○ ● ●

---

## ॥ ৰংগৰ ॥

*এহাল দম্পতিৰ কথা :*

এদিন পতি-পত্নীৰ কাজিয়া লাগিল। তাৰ পিছত এসপ্তাহ মাত-বোল বন্ধ। পতিয়ে বৰ অস্বস্তি বোধ কৰিলে। উপযাচি মাতিবলৈও ভয় কৰে। কাৰণ পত্নীৰ যি লাওপাত কচুপাত মুখ, মতাৰ লগে লগেই যদি জ্বালামুখী হৈ অগ্নিবর্ষণ কৰিবলৈ লয়? তেওঁ সিদিনা অফিচলৈ যোৱাৰ সময়ত হাতত টর্চলাইট এটা লৈ বাহিৰে-ভিতৰে কিবা বিচাৰি ফুৰিব ধৰিলে। পত্নীয়ে দেখি ভাবিলে—এই মানুহটোৰেনো দিনতে টর্চ লৈ লৈ কি চাই ফুৰিছে, মানুহটো পাগল হ'ল নেকি? তাই সুধিলে- "হেৰি ইমান কৈনো কি বিচাৰি ফুৰিছে হে"! পত্নীৰ মাত শুনি তেওঁ কলে—"এ, এ, পাই গ'লোঁ।" পত্নী—"কি পালে?"
পতি—"মাত, তোমাৰ মাত।"

অফিচত বোম্বাইৰ পৰা ঘূৰি অহা দত্তক তেওঁ সুধিলে : "হয়নে দত্ত, বোম্বাইতনো কি কি দেখিলে?" :"এহ. আপোনাক কি কম শইকীয়া, তালৈ গলে দেখোন মুখৰ মাতকে হেৰায়"— দত্তই ক'লে।

কথাষাৰ শুনি শইকীয়াই এবাৰ ভাবিলে শ্রীমতীক এবাৰ তালৈকে লৈ গলে কেনে হয় বাৰু?

— × —

— ***নমিতা ডেকা।***
স্নাতক ৩য় বার্ষিক।

## দৃপ্ত প্ৰত্যয়েৰে

*ৰীতামণি হাজৰিকা*
স্নাতক ৩য় বৰ্ষ

এতিয়া.....................
প্ৰতি পলে অনুপলে
দশোদিশে বিস্ফোৰিত বোমা বাৰুদৰ
শব্দত ।
বহুদূৰ আগুৱালোঁ
অতিক্ৰমী ঘাত-প্ৰতিঘাত ॥
কিন্তু,....................
এই কণ্টকাকীৰ্ণ বিস্তীৰ্ণ পথাৰত,
বন্দুক বাৰুদৰ আঘাতত
ক্ষত-বিক্ষত মোৰ
পিতৃ-মাতৃ, ভাতৃ-ভগ্নীৰ বুকুৰ শোণিত
বৈ আছে অবিৰত ।
সেয়ে, আজি বাৰে-বাৰে
জীয়া কলিজাৰ সুপ্ত তেজে
উত্তপ্ত ভাষাৰে চিঞৰি উঠিছে,
"তোমালোক সাজু হোৱা
দৃপ্ত প্ৰত্যেয়েৰে
সন্মুখ সমৰলৈ
জীয়াই ৰাখিবলৈ
সেউজীয়া পৃথিৱীৰ
সোণালী ইতিহাস ।

— x —

## উজাগৰে বহু বছৰ

*প্ৰণতি ৰৰা*
স্নাতক ৩য় বাৰ্ষিক

বহু বছৰ শুব পৰা নাই শান্তিৰে
সেই যে নেলচন মেণ্ডেলাক
কাৰাগাৰত বন্দী কৰি ৰখা হৈছিল
তেতিয়াৰ পৰা ।
মিঠা সপোন নেদেখাও বহু বছৰ হ'ল
এংগোলাৰ পৰা ছোমালিয়ালৈ
চলা দুৰ্ভিক্ষৰ দিনৰপৰা ।
এনেদৰেই উজাগৰে পাৰ হৈছে বহু ৰাতি ।
মানুহে মানুহৰ তেজক লৈ খেলা
ফাকু খেল দেখি মই চটফটাইছোঁ ।
অযোধ্যাৰ পৰা ডবকালৈ
মানুহৰ কটা মূৰবোৰ দেখি
মই বা তুমি
কোনেও শান্তিৰে শুব নোৱাৰোঁ ।
পাৰ হয় ৰাতি
উজাগৰে, বছৰৰ পিছত বছৰ..............

— x —



## ।। সংগ্ৰামেই যাৰ জীৱন ।।

*কৱিতা ৰৰা*
স্নাতক ১ম বাৰ্ষিক (দিবা)

মুক্তিদূত নেলচন মেণ্ডেলাৰ জন্ম হৈছিল দক্ষিণ আফ্ৰিকাত । দক্ষিণ আফ্ৰিকাত তেখেত "কলাহীৰা" নামেৰে জনাজাত আছিল । জনগণৰ নিজ অধিকাৰ প্ৰতিষ্ঠাৰ কাৰণে ১৯২১ চনত "আফ্ৰিকান নেচনেল কংগ্ৰেছ" স্থাপন কৰা হয় । চমুকৈ ইয়াক এ-এন-চি বুলিও জনা হয় । শোষিত আৰু নিষ্পেষিত কৃষ্ণাংগসকলৰ দুখ-যাতনা মোচনৰ কাৰণেই এই সংগঠন গঠন হৈছিল । পৰৱৰ্ত্তী কালত এই সংগঠনৰ গুৰি ধৰিছিল নেলচন ৰোহিলালা মেণ্ডেলাই । কলেজীয়া শিক্ষা শেষ কৰি আহি নেলচনে দেখিলে যে তেওঁৰ দেশৰ মানুহৰ ওপৰত অবৰ্ণনীয় দুখ-যাতনা চলিছে। উল্লেখযোগ্য যে সেই দেশত শ্বেতাংগসকলতকৈ কৃষ্ণাংগৰ সংখ্যা হে বেছি আছিল । তথাপিতো কৃষ্ণাংগসকলে শ্বেতাংগসকলৰ ওচৰত হাৰ মানিছিল । কোনো শ্বেতাংগলোকক যদি কৃষ্ণাংগসকলে ভাল্লদৰে সম্বোধন নকৰে তেতিয়াও কৃষ্ণাংগসকলৰ অপৰাধ হৈছিল । সকলো অপৰাধৰ শাস্তি কৃষ্ণাংগ লোকসকলে বিনা প্ৰতিবাদে গ্ৰহণ কৰিব লগীয়া হৈছিল । সকলো ধৰণৰ দৈহিক অত্যাচাৰৰ উপৰিও তেওঁলোকে নিজা ৰবীয়াকৈ অন্ন-সংস্থাপনৰ কাৰণে চেষ্টা কৰিলেও গুৰুতৰ শাস্তি হৈছিল ।

নেলচনে নিজ দেশৰ মানুহৰ এনে দুৰৱস্থা দেখি তেওঁলোকৰ মুক্তিৰ কাৰণে সংগ্ৰাম কৰিবলৈ সংকল্প ললে । তাৰ পাছত 'আফ্ৰিকান নেচনেল কংগ্ৰেছ'ত যোগদি মহাত্মাগান্ধীৰ আদৰ্শেৰে ১৮ বছৰ ধৰি অহিংস আন্দোলন চলালে । এই আন্দোলনৰ বাবেই হাজাৰ হাজাৰ লোকক গ্ৰেপ্তাৰ কৰাৰ উপৰিও এ-এন-চিৰ নেতৃবৃন্দৰ প্ৰতি বিধি নিষেধ আৰোপ কৰা হয় । লগতে নেলচনকো গ্ৰেপ্তাৰ কৰা হয় । তাৰ পাছত নেলচনৰ ওপৰত চলিছিল নানা অত্যাচাৰ আৰু বিচাৰ । নেলচন জেলত থকা অৱস্থাতো এ-এন-চিয়ে গোপনে আন্দোলন চলাই গল ।

শ্বেতাংগসকলে সেই সময়তেই তেওঁলোকৰ ভোটৰ দ্বাৰা শ্বেতাংগ ৰাষ্ট্ৰ গঠন কৰিলে । তেতিয়া নেলচনে গোপন আৰু

ছদ্মবেশেৰে সমগ্ৰ দেশ ভ্ৰমণ কৰি আন্দোলন যোৰদাৰ কৰি তুলিলে। তেখেতে দক্ষিণ আফ্ৰিকাৰ পৰা বাহিৰ হৈ আফ্ৰিকাৰ দেশে-দেশে মুক্তি আন্দোলনৰ কাৰণে সাহায্য প্ৰাৰ্থনা কৰিলে। পিছত নিজৰ দেশলৈ পুনৰ ঘূৰি আহি গোপনে আন্দোলনৰ কাৰ্য্যসূচী চলাই থাকোতে ১৯৬২ চনত তেওঁ ধৰা পৰিল। বিনা পাছপৰ্টত দেশৰ বাহিৰলৈ যোৱাৰ অভিযোগ তুলি তেওঁক প্ৰথমে ৫ বছৰ কাৰাদণ্ড বিহা হ'ল। পুলিছে তেওঁৰ বিৰুদ্ধে নানা অনুসন্ধান চলাই আন্দোলনত অংশ গ্ৰহণ কৰা কেইজনমান নেতাক যাৱজ্জীৱন কাৰাদণ্ডৰ আদেশ দিলে। নেলচন আৰু তেওঁৰ সতীৰ্থ কেইজনক পঠোৱা হ'ল দক্ষিণ আফ্ৰিকাৰ কলীয়া পানী ৰোবেণ দ্বীপলৈ। খিৰিকী নথকা এটা সৰু কোঠাত নেলচনক থাকিবলৈ দিয়া হ'ল। ৰাজনৈতিক বন্দী হ'লেও তেওঁক হাড়ভঙা পৰিশ্ৰম কৰিবলৈ দিয়া হ'ল। বন্দীশালত যৌৱনৰ সুদীৰ্ঘ দিনবোৰ এনেকৈয়ে কটাই তেওঁ ক্ষয়ৰোগ আক্ৰান্ত হ'ল। অৱস্থা বিষম দেখি দক্ষিণ আফ্ৰিকাৰ চৰকাৰে সন্ধিৰ বাবে নানা প্ৰস্তাৱ আগবঢ়ালে। তাৰ পাছত ৭১ বছৰীয়া নেলচনক কেপটাউনৰ ভিক্টৰ ভাৰ্ষ্টৰ কাৰাগাৰৰ পৰা বিনাচৰ্ত্তে মুক্তি দিয়া হ'ল। তেতিয়া লুইতপৰীয়া শিল্পী ডঃ ভূপেন হাজৰিকাই নেলচন মেণ্ডেলাক অভিবাদন জনাই এইদৰে গীত গালেঃ—

কৃষ্ণাংগৰ চিৰমুক্তি
তোমাৰ আজীৱন যুক্তি
যাৱজীৱন কাৰাদণ্ডটো
নকৰিলা আপোচৰ চুক্তি
সাম্য পিয়াসী লক্ষ্যজনৰ বন্দী
শিবিৰৰ তুমি
জিন্দাবাদ মেণ্ডেলা
মেণ্ডেলা জিন্দাবাদ।

জীৱন জোৰা সংগ্ৰাম, সাহস আৰু ত্যাগৰ কাৰণে নেলচন মেণ্ডেলাই দক্ষিণ আফ্ৰিকাৰেই নহয় গোটেই বিশ্ববাসীৰেই আপোন হৈ থাকিব। ০০০

( সহায়লৈ )



# ॥ নাৰী ॥

ভাৰতী হাজৰিকা
স্নাতক দ্বিতীয় বৰ্ষ

তুমিয়েই সেই নাৰী !
লজ্জাৰ ওৰণি-তলত
সুকোমল গোলাপৰ পাহি,
বাসনা-বিচৌত ক্ষুধিত জনৰ
গোলাপী মদিৰাৰ ৰাগী।
তুমিয়েই সেই নাৰী !
চিৰ নিৰ্য্যাতিতা, চিৰ লঞ্চিতা
ধৰ্ষিতা, লুণ্ঠিতা, বঞ্চিতা,
পংকিল সমাজৰ পংকিলতাত
লুতুৰি-পুতুৰি তুমি,
চিৰ উপেক্ষিতা।
তুমিয়েই সেই নাৰী !
বাহুত তোমাৰ
অযুত শকতি
জানিও নাজানা, বুজিও নুবুজা,
তুমি চিৰ নিদ্ৰিতা,
হে নাৰী,
সময়ৰ আহবান
হোৱা তুমি জাগ্ৰত,
পুৰুষ শাসিত সমাজত
হোৱা তুমি অগ্ৰগামী
কৰি প্ৰাণ পন।
দেশৰ ধৰণী তুমি
জাতিৰ জননী,
মাতৃ মন্দিৰৰ তুমি
জাগ্ৰত গোসানী।
নোহোৱানে বাৰু
তুমিয়েই সেই নাৰী !! ০০

# ॥ উপেক্ষা ॥

*মিচ্ জেফৰিন চুলতানা*
স্নাতক ২য় বৰ্ষ

পুৱাৰে পৰা মণিষাহঁতৰ ঘৰখনত ব্যস্ততা বিৰাজ কৰিছে। মণিষাৰ ডাঙৰজনী ভনীয়েক বিশাখাই ঘৰৰ পুৰণি পৰ্দাবোৰ সলনি কৰি সাঁচিথোৱা ভাল পৰ্দাৰ চেটটো উলিয়াই আনিছে লগাবলৈ। মাজু ভনীয়েক বিদিশাই বাঢ়নী ডালেৰে আলিবাটলৈকে সাৰি পুঁচি অঁটাইছে। সৰু ভনীয়েক শিখাই পুৰণি ফুলথোপা সলাই এথোপা নতুন ফুল ফুলদানীটোত গুজি দিয়াৰ লগতে বায়েকহঁতক ইটো-সিটো কামত সহায় কৰি দিছে। ৰান্ধনি ঘৰত সিহঁতৰ মাকৰ গা সাতখন আঠখন। মাছে-মঙহে জুটি লগাই তেওঁ বন্ধাবঢ়া কৰিছে। বতাহত মাংসৰ আঞ্জাৰ গোন্ধ ভাহি আহিছে। আজি মণিষাক চাবলৈ ল'ৰাঘৰৰ পৰা মানুহ আহিব। ল'ৰাজন বেংকৰ 'কেচিয়াৰ'। এজন মৰমৰ ভিনিহি পোৱাৰ আশাত মণিষাৰ ভনীয়েকহঁতৰ গাত তৰণি নাই। দিনৰ ১১ বজাত তেওঁলোক আহি পাবহি। এজন জোঁৱাইৰ মুখ দেখাৰ হেপাহত বিধৱা মাকৰো মুখত পোহৰৰ ৰেঙণি। মাক আৰু ভনীয়েকহঁতৰ উথপ্-থপ্ খন দেখি মণিষাৰ ওঠত এটা শুকান হাঁহি বাগৰি যায়। মণিষাই মনে মনে ভাবে মাক আৰু ভনীয়েকহঁতৰ মনৰ এই আশাবোৰ পূৰণ হ'ব জানো। এইদৰে আগতেও বহুতবাৰ বহু মানুহ আহিছিল। তাইক চাই গৈছিল। তাৰ পাছত কোনো খবৰ নাই। কিবা এটা ভাল খবৰ আহিব বুলি বাট চাই চাই তাই কিমানবাৰ হতাশ হৈছিল হিচাব নাই। এইবাৰো চাবলৈ আহিব। হব জানো তাইৰ বিয়া। আগৰ মানুহবোৰৰ দৰে এই ঘৰেও ছাগৈ চাই-মেলি গুচিহে যাব। তাইৰ মনটো সেমেকি উঠিল।

মাক আৰু ভনীয়েকহঁতৰ হেঁচাত পৰি তাই গাটো ধুই আহি এখন পাতল গোলাপী ৰঙৰ শাৰী আৰু মেচিং ব্লাউজটো পিন্ধি আইনাৰ সমুখত থিয় দিছে। চুলিকোচা আঁচুৰি মুখত সামান্য পৰিমানে প্ৰসাধন কৰিছে। এইদৰে সাজোন-কাচোন কৰি মানুহৰ আগত ওলোৱা কামটো মণিষাৰ একেবাৰে ভাল নালাগে। কিন্তু উপায় নাই। ভনীয়েকহঁতে জোৰকৈ ধৰিছে, তাই সাজোন-কাচোন কৰিবই লাগিব। জধলা হৈ ওলালে ল'ৰাই পচন্দ কৰিব জানো? ভনীয়েক হঁতৰ কথা পেলাব নোৱাৰি মণিষাই সাজোন-কাচোন কৰিও তাইৰ নিজৰ মনটোত এতিয়া প্ৰথমবাৰৰ দৰে উৎসাহ, উদ্দীপনা নাই। জীৱনত প্ৰথমবাৰৰ বাবে যেতিয়া তাইক চাবলৈ আহিছিল তেতিয়া তাইৰ বুকুখন অজান আশংকাত তুৰু তুৰু কঁপিছিল। এশ এবুৰি প্ৰশ্নই তাইৰ মন ভাৰাক্ৰান্ত কৰিছিল। কিন্তু আজি আৰু সেই আগৰ উৎসাহ, উদ্দীপনা নাই। এয়া যেন তাইৰ জীৱনৰ এক গতানুগতিক ধাৰা, বিয়া নোহোৱালৈকে যিমানবাৰ এইদৰে চাবলৈ বা খুজিবলৈ মানুহ আহিব সিমান বাৰেই সাজোন কাচোন কৰি বিয়া হোৱাৰ মানসেৰে ল'ৰাৰ আগত গা দেখা দিয়াটো ছোৱালী জীৱনৰ বাবে এটা অপমান বুলিহে তাই গণ্য কৰে।

সৰুতেই দেউতাকক হেৰুৱাই মণিষাহঁতে মাকৰ লগতেই ডাঙৰ-দীঘল হয়। মাক প্ৰাইমেৰী স্কুলৰ শিক্ষয়িত্ৰী। বিংবা মাক আৰু চাৰিজনী ছোৱালী। মুঠ পাঁচজনীয়া পৰিয়ালটো মাকৰ দৰমহাটোৰ ওপৰত কোনোমতে টানিটুনি টুক্‌টাক্‌কৈ চলি থাকে। কেইটামান সৰু সৰু ল'ৰা-ছোৱালীক টিউচন কৰি আৰু তুখীয়া পুঁজিৰ পৰা পোৱা টকাৰেই জানিবা মণিষাই বি, এ টো পাছ কৰিলে। বি, এ পাছ কৰিও উৎকোচ দিব নোৱাৰা হেতু আজিও তাই চাকৰি এটা যোগাৰ কৰিব নোৱাৰিলে।

মাহৰ শেষ। মাকে খবৰ পালে যে মণিষাক চাবলৈ এজন ভাল ল'ৰা আহিব। এনে এজন ল'ৰা হাতৰ পৰা এৰাই যাবলৈ দিব নোৱাৰি। তেওঁ খৰখেদাকৈ প্ৰধান শিক্ষকৰ পৰা আগধন হিচাপে টকা অলপ আনিলে। মাছে মঙহে মানুহ ঘৰক এসাজ ভালকৈ খুৱাব লাগিব। এজনী ছোৱালী দি লব পাৰিলে বাকী কিজনীলৈ চিন্তাটো কমিব। কতনো আশা মাকৰ।

ক্ৰমে ক্ৰমে সময়বোৰ পাৰ হ'ল। ১১ বাজিল। ১১-৩০ বাজিল। তাৰ পিছত ক্ৰমে ১২, ১-৩০ বাজিল। আচৰিত! এতিয়ালৈকে দেখোন কোনো আহি নোলাল। ঘড়ীৰ সময় বাঢ়ি যোৱাৰ লগে লগে মণিষাহঁতৰ পৰিয়ালটোৰো উত্তেজনা বাঢ়ি গ'ল। আলহীলৈ বাট চাওঁতে চাওঁতে ঘৰৰ কাৰো খোৱাবোৱাও নহ'ল। উত্তেজনাই চূড়ান্ত ৰূপ ল'লে। সকলো উত্তেজিত হৈ পৰিল। মণিষাৰ ধৈৰ্য্যৰ বান্ধ ভাঙি গ'ল। মানুহবোৰে কিয় বাৰু তাইৰ জীৱনটো লৈ এইদৰে খেলা কৰিলে। খঙে-দুখে-লাজে-অপমানে তাই আজুৰি আজুৰি হাতৰ খাৰু, কাণফুল, চেইনবোৰ চিঙি-ভাঙি দলিয়াই পেলালে। বিচনাত দীঘলদি তাই উচুপি-উচুপি কান্দিলে।

মা, তহঁতে আৰু মোৰ বিয়া পাতিব নালাগে। মই আৰু বিয়া নহওঁ। এইবাৰৰ পৰা মোৰ আগত তহঁতে বিয়াৰ কথা তুলিয়াবি। কান্দি কান্দি এটা সময়ত মণিষা

ভাগৰি পৰিল। এঘৰ মানুহ আহিব বুলিয়েই মাকে ইমানখিনি খৰচ কৰিলে। যি নেকি টকা এটা খৰছ কৰিবলৈ আগপিছ ভাবিব লাগে তেওঁৰ আজি সকলো খৰচ পানী হৈ গ'ল। বাৰে বাৰে মাকে যে প্ৰতিঘৰ মানুহৰ লগত কিমান খৰচ কৰিছে হিচাব নাই। মানুহঘৰ যদি নাহেই তেনেহলে ইমানখিনি খৰচ কৰালে কিয় ? "মণিষা ৰূপে-গুণে কোনো ফালে পিছ পৰা নহয়।" তথাপিটো মানুহ আহে আৰু যায়। ইয়াৰ কাৰণ কি মণিষাই বুজি পায়। একমাত্ৰ সিহঁতৰ দৰিদ্ৰতাই হ'ল ইয়াৰ কাৰণ। আগৰ কেইঘৰৰ দৰে এই কেচিয়াৰ জনেও ভাবিলে—মণিষাক বিয়া কৰালে ভনীয়েকহঁতৰ পৰা আৰম্ভ কৰি মাকলৈকে গোটেই পৰিয়ালটোৰ ভৰণ-পোষণৰ দায়িত্ব তেওঁৰ ওপৰত পৰিব। দ্বিতীয়তে, এজন কেচিয়াৰৰ শহুৰৰ ঘৰ বুলি পৰিচয় দিবলৈ যিখিনি মানদণ্ড থকাৰ প্ৰয়োজন সেইখিনি মানদণ্ড সিহঁতৰ ঘৰখনত নাই। এই দুটা কাৰণতেই তাই বাৰে বাৰে উপেক্ষাৰ সন্মুখীন হৈ আহিছে। এইদৰে আৰু কিমান দিন ? তাইৰ পাছত তাইৰ ভনীয়েকহঁতে এইদৰেই উপেক্ষিত নহ'ব জানো ? সিহঁতৰ ভৱিষ্যত জীৱনৰ কথা ভাবি তাই হতাশাত ভাগি পৰিল আৰু দুধাৰি চকুলো বাগৰি গ'ল।

০০০

"এই পৃথিৱীলৈ আনিব লাগিব
মহত্বৰ মহাজয়
কৰিব লাগিব গোটেই জগত
অমৃত আনন্দময়।"

— *জ্যোতিপ্ৰসাদ*



# নৱজীৱন

**ৰবী শইকীয়া**
স্নাতক দ্বিতীয় বাৰ্ষিক

দোপালপিটা বৰষুণ। ঠিক ৰাতি ন মান বাজিছে। কদমণি গাঁৱৰ নিলগত অৱস্থিত আৰক্ষী থানাৰ ভিতৰলৈ, বৰষুণত তিতিবুৰি, এজন মানুহ উধাতু খাই সোমাই আহিল। মানুহজনে পোনেই ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অমৰ হাজৰিকাৰ কাষ চাপি কবলৈ আৰম্ভ কৰিলে।

নমস্কাৰ চাৰ, । "মোৰ নাম গঙ্গাধৰ দাস। মোৰ ঘৰ সৌ কদমণি গাঁৱত। মই এটা বৰ ডাঙৰ বিপদত পৰি আপোনাৰ ওচৰলৈ আহিছোঁ। আপুনি যেনেতেনে কিবা এটা কৰি মোক সহায় কৰক। চাৰ, মোৰ পত্নী চম্পা হঠাৎ ঘৰৰ পৰা নিৰুদ্দেশ, আজি তিনিদিন হ'ল, একো সম্ভেদ উলিয়াব পৰা নাই। আপোনাক মই অনুৰোধ কৰিছো, যেনে-তেনে মোৰ পত্নীক বিচৰাত সহায় কৰে যেন। ন'হলে মোৰ একমাত্ৰ ছোৱালীজনী—তাই চাৰ, মাকৰ অবিহনে জীয়াই থাকিব নোৱাৰিব।

ইমান পৰে মনে মনে শুনি থকা ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অমৰ হাজৰিকাই, কেচটোৰ বিষয়ে আতিগুৰি লবলৈ হঠাৎ প্ৰশ্ন কৰিলে। বাৰু গঙ্গাধৰ তোমাৰ স্ত্ৰী আগে পিছেও এনেকৈ নিৰুদ্দেশ হৈছিল নেকি ? হয় চাৰ আগতেও কেতিয়াবা মোৰ লগত ইটো সিটো লাগি দুই এদিনৰ কাৰণে নাইকিয়া হয়। কিন্তু চাৰ মই লগে লগে গৈ বিচাৰি আনো। কেতিয়াবা তাই গৈ মোমায়েকৰ ঘৰত নাইবা ককায়েকৰ ঘৰত থাকেগৈ। মই চাৰ এইবাৰ গোটেই ইষ্ট—কুটম্বৰ ঘৰত তাইক বিচাৰি চলাথ কৰিলো। কিন্তু এই সময়লৈকে একো সম্ভেদ নাপালো। ইফালে ঘৰত মোৰ ছোৱালী ৰ.ণী নাখাই নবই, দুখতে ভাগি পৰিছে। আপুনি সোনকালে কিবা এটা কৰক।

অমৰ হাজৰিকাই গঙ্গাধৰৰ কথাবোৰ ইমানপৰে একান্ত মনেৰে শুনি আছিল যদিও গঙ্গাধৰৰ ভৰিৰ পৰা মূৰলৈকে লক্ষ্য কৰি আছিল। যিটো সচৰাচৰ আৰক্ষী লোকৰ অভ্যাস। তেওঁ গঙ্গাধৰে শান্তি লভিবৰ বাবে

কলে ঠিক আছে আপুনি এতিয়া নিচিন্ত মনেৰে ঘৰলৈ উভতি যাওক । আপোনাৰ ছোৱালীজনীও অকলে আছে, মই মোৰ কৰ্মচাৰীৰ সৈতে ৰাতিপুৱা ছয় বজাত আপোনাৰ ঘৰত উপস্থিত হমগে । এতিয়া আপুনি যাওক । পিছদিনা পুৱা ছয় বজাৰ লগে লগে ভাৰপ্ৰাপ্ত বিষয়া অমৰ হাজৰিকাই তেওঁৰ অধীনস্থ চিপাহী তিনিজন লগত লৈ, গঙ্গাধৰৰ ঘৰত উপস্থিত হ'লগৈ ।

তেওঁলোক আটায়ে পোনেই গঙ্গাধৰৰ ঘৰৰ ভিতৰলৈ গ'ল আৰু কাকো দেখা নাপাই লাহে লাহে পাক-ঘৰৰ কাষ পালেগৈ। তাত তেওঁলোকে দেখা পালে গঙ্গাধৰে জুহালত বহি কিবা বনাই আছে । অলপ আঁতৰত জীয়েক ৰাণী বহি আছে তাইৰ হুচকুৰেদি নিশব্দে চকুলো বৈ আছে । কিন্তু তাইৰ চকু স্থিৰ হৈ আছে পাকঘৰৰ এচুকত থকা বাহন থোৱা ৰেক্‌ডালৰ তলৰ ঠাইখিনিত । কোঠালীটো কেঁচাভেটিৰ ।

হঠাৎ, পুলিচৰ দল সোমাই অহা দেখি গঙ্গাধৰৰ থৰথৰকৈ থিয় হল । আৰু জীয়েক ৰাণীক ভিতৰলৈ যাবলৈ কৈ আৰক্ষী বিষয়া অমৰ হাজৰিকাক উদ্দেশ্য কৰি কলে.

চাৰ আহিলে বলক চাৰ সৌ তাত বহিব । অমৰ হাজৰিকাই গঙ্গাধৰক বিশেষ গুৰুত্ব নিদিয়াকৈ কোঠাবোৰ তন্ন-তন্নকৈ পৰীক্ষা কৰিব ধৰিলে । আৰু মাজে মাজে গঙ্গাধৰক বিভিন্নধৰণৰে ঘূৰাই পকাই প্ৰশ্ন কৰিব ধৰিলে।

আৰু হাজৰিকাৰ প্ৰশ্নত গঙ্গাধৰে যি বোৰ উত্তৰ দিলে, সেইবোৰত অমৰ হাজৰিকা কোনো পধ্যে সন্তুষ্ট হব নোৱাৰিলে । তাৰ· পিছত হাজৰিকাই গঙ্গাধৰক তেওঁৰ জীয়েকক মাতি দিবলৈ কলে । হাজৰিকাৰ আদেশত গঙ্গাধৰ কিছু আচৰিত হল । সি কলে, চাৰ ৰাণীৰ বয়স মাত্ৰ ছয় বছৰ হৈছে । তাই তেনেই সৰু ছোৱালী, সেয়ে চাৰ তাইক একো নোসোধাই ভাল হব নেকি ? তাতে তাই মাকক হেৰুৱাই বেজাৰত ভাগি পৰিছে ।

তেনেতে হঠাৎ অন্য এটা কোঠাৰ পৰা ৰাণী দৌৰি আহি অমৰ হাজৰিকাক সাৱটি ধৰি কান্দিবলৈ ধৰিলে । তাইৰ কাণ্ড দেখি সকলো আচৰিত । আৰক্ষী বিষয়া অমৰ হাজৰিকাই দুহাতেৰে ৰাণীক আকোঁৱালি ধৰি কলে, নাকান্দিবা ৰাণী মই তোমাৰ মাক সোনকালেই বিচাৰি আনিম । মাজনী তুমি নাকান্দিবা । সেই বুলি অমৰ হাজৰিকাই লগত লৈ যোৱা চিপাহী কেইজনৰ সৈতে গঙ্গাধৰকো থানালৈ যাবলৈ আদেশ দি ৰাণীক তেওঁৰ নিজৰ লগত থানালৈ লৈ যোৱাৰ দায়িত্ব ললে । অমৰ হাজৰিকাই ৰাণীক লগত লৈ পোনেই থানালৈ নগৈ তেওঁৰ চৰকাৰী বাসভৱনলৈ গ'ল । হাজৰিকাই তেওঁৰ পত্নী বিদিশাক ৰাণীৰ বিষয়ে সকলো বিবৰি ক'লে । বিদিশাই অমৰৰ মুখৰ পৰা ৰাণীৰ বিষয়ে শুনি ৰাণীৰ দুখত সমবেদনা জনাই তাইক বৰ মৰম কৰিলে । বিদিশাই ৰাণীক ভিতৰলৈ নি বহুতো কিবাকিবি খাবলৈ দি, তাইৰ লগত নানান ধেমালি কৰিবলৈ ধৰিলে।



ৰাণীয়ে বিদিশাৰ লগত ধেমালি কৰিবলৈ পাই আনন্দতে কিছু সময়ৰ বাবে নিজৰ মাকৰ কথা পাহৰি গৈছিল। বিদিশাৰ লগত ৰাণীৰ মিলন দেখি অমৰেও মনত আনন্দ পালে । হাঁহি-ধেমালি কৰি থকাৰ মাজতে অমৰে হঠাৎ ৰাণীক তাইৰ মাকৰ কথা সোধাত ৰাণী উচপ খাই উঠিল । আৰু করুণ ভাৱেৰে ক'লে, খুড়া মোৰ মাক আপুনি কেতিয়াও বিচাৰি নাপায় । নাই খুড়া মই একো নকওঁ । মই কিবা ক'লে দেউতাই মোকো মাৰ নিচিনাকৈ মাৰি পেলাব আৰু পুতি থব। এইবুলি কৈ ৰাণীয়ে কান্দি দিলে। অমৰ হাজৰিকাই ৰাণীৰ মুখত কথাখিনি শুনি, বুজি পালে যে কেচটো উদ্ঘাটন কৰিবলৈ বেছি সময় নালাগিব ।

অমৰ হাজৰিকাই ৰাণীক কোলাত তুলি লৈ মৰম কৰি তাইক নানান ধৰণৰ উৎসাহ আৰু সাহস যোগালে । ৰাণীয়ে বিদিশাৰ পৰা নিজৰ মাকৰ দৰে আৰু অমৰৰ পৰা নিজৰ দেউতাকৰ পৰা নোপোৱা মৰমখিনি পাই মৰমৰ বশৱৰ্ত্তী হৈ তাই মাকৰ বিষয়ে কবলৈ আৰম্ভ কৰিলে ।

মোৰ মা বৰ ভাল আছিল । মায়ে মোক বৰ মৰম কৰিছিল । আজি তিনিদিন মানৰ আগতে দেউতাই মদ খাই আহি মাক কিছুমান বেয়া কথা কৈ গালি পাৰিছিল । সেই সময়ত মই বিছনাতে এনেয়ে দেউতাৰ ভয়ত পৰি আছিলো । আগতেও দেউতাই এনেকৈ মদ খাই আহি মাক মাৰপিট কৰে আৰু গালি পাৰে । কিন্তু ক্ষন্তেক পিছতেই ভাল হৈ যায় । সেই সেইদিনাখনৰ কাজিয়াখন ক্ৰমান্বয়ে বাঢ়ি যাবলৈ ধৰিলে আৰু হঠাৎ কিয় জানো দেউতাই একেজাপে দাখন লৈ "মা"ৰ মূৰত কোব মাৰি দিলে । লগে লগে মা বাগৰি পৰিল । ঘটনাটো ঘটাৰ লগে লগে দেউতাই দাখন লৈ মোৰ ওচৰলৈ আহি ক'লে যে যদি তাই এই ঘটনা আন মানুহক কয় তেন্তে তাইকো মাকৰ নিচিনাকৈ মাৰি পেলাব আৰু তাৰ পিছতেই পাকঘৰৰ মজিয়াত গাত এটা খান্দি তাতে মাক পুতি থৈ তাৰ ওপৰত বাচন থোৱা ৰেকডাল থৈ দিয়ে । কথাখিনি কৈ ৰাণী কান্দোনত ভাগি পৰিল ।

কব নোৱাৰাকৈ বিদিশা আৰু অমৰেও কান্দি উঠিল । তাৰ পিছত অমৰ হাজৰিকাই ৰাণীক লৈ থানালৈ গৈ তাইৰ সম্পূৰ্ণ জবাব বন্দী ললে । জবাব বন্দী লৈ হোৱাৰ পিছত অমৰে ৰাণীক চিপাহী এজনৰ সগত পৰিবাৰ বিদিশাৰ ওচৰলৈ পঠিয়াই দিলে । আৰু তেওঁ নিজেই লগত কেইজনমান চিপাহীক লৈ গঙ্গাধৰৰ ঘৰলৈ যাত্ৰা কৰিলে । ইতিমধ্যে ঘটনাটো সকলোতে বিয়পি পৰিল । গঙ্গাধৰকো গ্ৰেপ্তাৰ কৰা হ'ল । অমৰ হাজৰিকা গঙ্গাধৰৰ ঘৰ পোৱাৰ লগে লগে গাৱঁৰ মানুহেৰে ঘৰৰ বাহিৰ-ভিতৰ ভৰি পৰিল । হাজৰিকাই গাৱঁৰ মানুহখিনিক বাহিৰলৈ ওলাবলৈ দি কেইজনমান গাৱঁৰ মুখীয়াল মানুহক লগত লৈ পাকঘৰৰ ভিতৰ সোমাল আৰু ৰাণীয়ে কোৱা ঠাইখিনি চিপাহীক খান্দবলৈ

নির্দ্দেশ দিলে।

হাজৰিকা আৰু তাত উপস্থিত থকা সকলোৱে কৌতূহলপূৰ্ণ দৃষ্টিৰে গাত খন্দা চাই আছিল। কিছু সময় খন্দাৰ পিছত এটা মৃত দেহ সকলোৰে দৃষ্টিগোচৰ হ'ল। মৃত দেহটো ৰাণীৰ মাক চম্পাৰ বুলি সকলোৱে চিনি পালে। আৰক্ষী বিষয়া হাজৰিকাই লগত লৈ যোৱা ফটোগ্ৰাফাৰজনক মৃত দেহটোৰ সকলো ফালৰ পৰা ফটো লবলৈ ক'লে।

সিফালে আৰক্ষী জিম্মাত থকা গঙ্গাধৰে সকলোবোৰ জানিব পাৰি উপায় বিহীন হৈ নিৰৱে জঠৰ হৈ পৰিছিল।

উক্ত ঘটনাৰ পিছদিনা গঙ্গাধৰক হাজোতলৈ প্ৰেৰণ কৰা হয়। গঙ্গাধৰে হাজোতত দণ্ডাধীশৰ আগত তেওঁৰ পত্নী চম্পাক নিজেই হত্যা কৰাৰ কথা স্বীকাৰ কৰিলে। সকলো ধৰণৰ তদন্ত শেষ হোৱাৰ পিছত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াই গঙ্গাধৰৰ ওপৰত হত্যাৰ অভিযোগ নামা দাখিল কৰিলে।

হৃদয়হীন গঙ্গাধৰে এনে ঘৃণনীয় কাৰ্য্য কৰাৰ বাবে কোনো সম্বন্ধীয় মানুহে তাক সহায় নকৰিলে।

এই মোকৰ্দ্দমাৰ সু-বিচাৰৰ বাবে গঙ্গাধৰক আদালতত হাজিৰ কৰোৱা হ'ল। সেই সময়ত আদালতৰ ভিতৰখন নিশব্দতাই বিৰাজ কৰিছিল। এফালে এটা আচামীৰ গৰালত থিয় হৈছিল, এজন হৃদয়হীন দেউতাক, হত্যাকাৰী স্বামী গঙ্গাধৰ। আৰু আনটো সাক্ষীৰ গৰালত থিয় হৈ আছিল এজনী নিষ্পাপ, সৰল আৰু মৰম আকলুৱা ছোৱালী ৰাণী।

সেই দৃশ্য দেখি বিয়াহিত কিন্তু সন্তানহীন আৰক্ষী বিষয়া অমৰ হাজৰিকাৰ হৃদয়ে কান্দি উঠিল। কোনেও নেদেখাকৈ তেওঁৰ ছচকুৱেদি ছধাৰি তপত চকুলো ওলাই আহিল।

সাক্ষ্য দান লোৱাৰ সময়ত আদালতত উপস্থিত থকা সকলোকে আচৰিত কৰি, সাক্ষীৰ গৰালৰ পৰা তৃতীয় মানত পঢ়া ৰাণীয়ে দেউতাকক উদ্দেশ্য কৰি চিঞৰি উঠিল, তুমি মোৰ দেউতা নহয়, তোমাক মই কোনো দিনেই দেউতা বুলি নামাতো। তুমি মোৰ সকলোতকৈ মৰমৰ 'মা'ক মাৰি পেলালা। তুমি মোৰ মা···· ····। এই কথাষাৰ সম্পূৰ্ণ কৈ কবলৈ নাপাওঁতেই ৰাণী শোকত ভাগি পৰি উচুপিবলৈ ধৰিলে। লগে লগে অমৰ হাজৰিকা ৰাণীৰ কাষ চাপি গৈ মাত লগালে, ৰাণী নাকান্দিবা. মই তোমাৰ লগত আছো, নহয়।

সকলো সাক্ষী-বাদী লৈ শেষ হোৱাৰ পিছত চেছন ন্যায়াধীশে গঙ্গাধৰক ফাঁচীৰ হুকুম দিলে।

আৰক্ষী বিষয়া অমৰ হাজৰিকাই ৰাণীক কোলাত তুলি লৈ ঘোষণা কৰিলে, যদি আপোনালোকে আশীৰ্বাদ দিয়ে তেনেহলে ৰাণীক মই আজিৰ পৰা মোৰ নিজৰ সন্তানৰ দৰে ডাঙৰ দীঘল কৰিম। হাজৰিকাৰ কথা শুনি আদালতত উপস্থিত থকা সকলোৱে তেখেতক ধন্যবাদ জনালে। সকলোৰে পৰা উৎসাহ পাই অমৰ হাজৰিকাই মনৰ আনন্দতে চিঞৰি উঠিল। আজিৰ পৰা ৰাণী দাসৰ নতুন পৰিচয় হব অমৰ হাজৰিকাৰ কন্যা ৰাণী হাজৰিকা ৰূপে। এই সকলোবোৰ শুনি ৰাণীয়ে অমৰৰ কোলাত মুখ গুজি দি কান্দিবলৈ ধৰিলে।

অমৰে ৰাণীক লগত লৈ ঘৰলৈ যাত্ৰা কৰিলে। যাত্ৰাৰ পথত অমৰে ভাৱিলে সন্তানৰ আশাত নিৰাশা হোৱা তেওঁৰ পত্নী বিদিশাই আজি ৰাণীক যেতিয়া নিজৰ সন্তান বুলি আকোঁৱালি লব তেতিয়া সেই পৰিৱেশটো কিমান মধুৰ হ'ব। হঠাৎ অমৰৰ চিন্তাত আউল লগাই ৰাণীয়ে প্ৰশ্ন কৰিলে। "খুড়া মই এতিয়া কলৈ যাম বাৰু ?" অমৰে ৰাণীক জোৰকৈ সাৱটি ধৰি ক'লে — খুড়া নহয় ৰাণী আজিৰ পৰা মই তোমাৰ দেউতাৰা। আৰু আজি তুমি ক'লৈ যাবা জানা। তোমাৰ নতুন 'মা'ৰাৰ কাষলৈ। তোমাৰ নতুন মাৰাই বৰ মৰম কৰিব। ঠিক তোমাৰ মাৰাৰ দৰে।

অমৰৰ কথা শুনি ৰাণীৰ মনত আনন্দই বিৰাজ কৰিছিল, যদিও নীৰৱে ওলাই অহা চকু পানীখিনি অকণমানি ৰাণীয়ে ধৰি ৰাখিব নোৱাৰিলে।

কিছু সময়ৰ পাছত হুয়ো গৈ অমৰ হাজৰিকাৰ বাসভৱনত উপস্থিত হ'লগৈ। অমৰে বিদিশাক ৰাণীৰ বিষয়ে গোটেইখিনি কোৱাৰ লগে লগে বিদিশাই ৰাণীক ওচৰলৈ মাতিলে, আহা ৰাণী আজিৰ পৰা তুমি মোৰ হৃদয়ৰ ৰাণী, আহা সোণ।

ৰাণীয়ে অমৰৰ মুখলৈ এবাৰ চাই 'মা' বুলি চিঞৰি দৌৰি গৈ অমৰৰ পত্নী বিদিশাক, নতুন মাকক, সাৱটি ধৰি কান্দি উঠিল। ০০০

# শ্ৰীমন্ত শঙ্কৰদেৱ আৰু বৈষ্ণৱ ধৰ্ম

ইলাবাণী শৰ্মা
স্নাতক ২য় বাৰ্ষিক

অসমৰ সমাজ, সংস্কৃতি আৰু ধৰ্মৰ যেতিয়া আন্ধাৰ যুগ আহিল, যেতিয়া মানুহে বেদ-উপনিষদৰ কথা একেবাৰে পাহৰি দেৱ-দেৱীৰ নামত জীৱ বলিদান দিব ধৰিলে; নিজৰ ভোগ বিলাসৰ বাবে যেতিয়া সমাজ বলীয়া হ'ল, এনে এটা চৰম দুৰ্যোগৰ সময়তে ১৪৪৯ চনত শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্ম হয়। অসমীয়া জাতিৰ শ শ বছৰৰ তপস্যাৰ ফলতেই শ্ৰীমন্ত শঙ্কৰদেৱৰ দৰে এজন মহাপুৰুষে অসমত জন্ম গ্ৰহণ কৰি অসমীয়া জাতিক ধন্য কৰি থৈ গৈছে।

কেৱল ভাৰততে নহয়, পৃথিৱীৰ নানা ঠাইত বহু কেইজন ধৰ্মাৱতাৰ ৰূপে জন্ম গ্ৰহণ কৰিছে। সেই সকলৰ কোনো জনকেই শঙ্কৰদেৱৰ দৰে "সৰ্ব্ব গুণাকৰ" বুলি কব পৰা নাযায়। শঙ্কৰদেৱৰ জন্মত শাৰদীয় চন্দ্ৰমাৰ মধুস্মিত স্নিগ্ধ জ্যোতিৰে জ্যোতিস্মান, শুভ লগ্নৰ যিটো মাহেন্দ্ৰক্ষণত সেই ক্ষণত নানা মঙ্গলসূচক অলৌকিক ঘটনা সংঘটিত হৈছিল। সেই বাবেই সকলোৱে জানিছিল তেওঁ বিষ্ণুৰ অংশ বুলি। অনুপম সৌন্দৰ্যাৰ প্ৰতিমূৰ্ত্তি শঙ্কৰ শাৰীৰিক বলতো আছিল অতুলনীয় আৰু সেইবাবে শৌৰ্যাৰ পৰিচয় দি খ্যাতি অৰ্জন কৰিছিল শৈশৱতেই। শঙ্কৰদেৱৰ চেহেৰাক লৈ মাধৱদেৱে বৰ্ণনা দিছে—

"দৰশিত সুন্দৰ, গৌৰকলেৱৰ, যৈচন সুৰ
পৰকাশ,
সকল সভাসদ ৰঞ্জন যাকেৰি, দৰশনে পাপ
বিনাশ।"

বিদ্যাশিক্ষাৰ প্ৰতি অমনোযোগী দুৰ্দ্দান্ত শঙ্কৰক লৈ বুঢ়ীমাক খেৰসুতী মহা সঙ্কটত পৰিছিল। কিন্তু বাৰ বছৰ বয়সত পঢ়াশালিলৈ গৈ অতি কম দিনৰ ভিতৰতে বহু শাস্ত্ৰ অধ্যয়ন কৰি, তেওঁৰ শিক্ষাগুৰু মহেন্দ্ৰ কন্দলীৰ ভাষাত, 'বিজয় পণ্ডিত' বুলি খ্যাত হৈছিল। তেওঁ চাৰিবেদ, চৈধ্য শাস্ত্ৰ, ওঠৰ পুৰাণত ব্যুৎপত্তি লাভ কৰি বিদগ্ধ পাণ্ডিত্যৰ পৰিচয় দিছিল। পিছত ভাগৱত শাস্ত্ৰ অধ্যয়ন কৰি বৈষ্ণৱ ধৰ্মৰ প্ৰতি আকৰ্ষণ বাঢ়ে আৰু যোগাভ্যাস এৰি পেলায়।

মহাপুৰুষ শঙ্কৰদেৱ আছিল পূৰ্ণ প্ৰতিভাৰ স্বৰূপ অভিব্যক্তি। তেওঁ আছিল একে ধাৰে ধৰ্ম গুৰু, সাহিত্যিক নৃত্যবিশাৰদ, সমাজ সংগঠক। একেজন পুৰুষৰ গাত ইমানবোৰ গুণৰ সমাবেশ সচাঁকৈয়ে আশ্চৰ্য্যজনক। মহাপুৰুষ জনাৰ বিষয়ে কবিয়ে লিখিছে—

তোমাৰ জীৱনীদেৱ লেখে এনে সাধ্য কাৰ?
গোটেই অসম জুৰি বিস্তৃত জীৱনী যাৰ।

বলি বিধান আৰু বিভিন্ন দেৱদেৱীৰ পূজাৰ দ্বাৰা কলুষিত অসমীয়া সমাজক ধ্বংসৰ মুখৰ পৰা ৰক্ষা কৰিবলৈ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে একশৰণ নাম ধৰ্মৰ প্ৰৱৰ্ত্তন কৰিলে। সুদীৰ্ঘ বাৰ বছৰ কাল উত্তৰ ভাৰতৰ মঠ-মন্দিৰ আৰু তীৰ্থ স্থানবোৰ ভ্ৰমণ কৰাৰ পিছত তেওঁৰ জ্ঞান সাগৰত এক শৰণ নাম ধৰ্মৰ উদয় হ'ল। শঙ্কৰদেৱে তেওঁৰ পৈতৃক বিষয় শিৰোমণি ভূঞা পদবী গ্ৰহণ কৰি বৰদোৱাত বহিল। জ্ঞাতি, কুটুম্ব, ইষ্ট-মিত্ৰ, পণ্ডিত দৈৱ, অতিথি, সন্যাসী, দাস-দাসী সকলোকে সুন্দৰ ব্যৱহাৰ কৰিছিল। দুখীয়া ভিক্ষাৰী আদিক খুৱাই-বুৱাই দান-দক্ষিণা দিছিল। সেইবাবেই মাধৱদেৱে কৈছে— শ্ৰীযশদান, মান ভূত দায়া, সৰ্বগুণ সম্পন্ন থিক। ভকতক ভকতি দানে কুৰ গুৰু দায়া, তনয় অধিক॥

আকৌ—

হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদী॥

মাধৱদেৱৰ এই পাদফাঁকি তাৎপৰ্য্যপূৰ্ণ। আগতে হৰি নাম ৰসে অকল বৈকুণ্ঠক প্ৰকাশি আছিল। হৰিনাম বৰ্ষাপ্লুত স্বৰ্গীয় নদীৰ পাৰ শ্ৰীমন্ত শঙ্কৰে ভাঙি দিলে আৰু তেতিয়াই এই ৰস মৰ্ত্যলৈ বৈ আহিল। এই কথাফাঁকিতে একশৰণ নামধৰ্মৰ সকলোখিনি তথ্য লুকাই আছে। এই ধৰ্ম বিশ্বজনীন, মহান আৰু উদাৰ। ধনী-দুখীয়া, ব্ৰাহ্মণ-শূদ্ৰ সকলোৱে নিৰ্বিবাদে এই ধৰ্ম গ্ৰহণ কৰিব পাৰে। সকলো শাস্ত্ৰৰ মূল তত্ত্ব আহৰণ কৰি যুক্তি সহকাৰে তেওঁ প্ৰতিপাদন কৰিলে যে ভগৱানক পাবলৈ তপ-যজ্ঞ, পূজা-পাৰ্বণ, বলি বিধান কৰাৰ কোনো প্ৰয়োজন নাই। শুদ্ধ-চিতে একান্তভাৱে হৰিতে সকলো সঁপি দি হৰিৰ শ্ৰৱন-কীৰ্তন কৰিলেই মানুহে ইপ্সিত ধন লাভ কৰিবলৈ সক্ষম হয়।

শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰচাৰ কৰা ভাগৱতী বৈষ্ণৱ ধৰ্মৰ মূল তত্ত্ব আছিল "এক দেৱ, এক সেৱ এক বিনে নাই কেও।" পৱিত্ৰ ভাগৱত ধৰ্মই আছিল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ চিন্তাধাৰা আৰু মতৰ উৎস। জন সাধাৰণৰ নাট-ভাওনাৰ জৰিয়তে গীত, বাদ্য, নৃত্য, অভিনয়ৰ শিক্ষা দিছিল। এক পৰম ব্ৰহ্মত বাহিৰে আন কাৰো সত্বা এই ধৰ্মত স্বীকাৰ কৰা নহয়। শঙ্কৰদেৱৰ নামধৰ্মৰ উৎস হ'ল গীতা আৰু

ভাগৱত। গীতা আৰু ভাগৱতৰ ওপৰত নিৰ্ভৰ কৰিয়ে শ্ৰীমন্ত শঙ্কৰে নামধৰ্ম বিকশিত কৰিলে কাৰণে অনেকে ভাগৱতী ধৰ্ম আৰু বিষ্ণুৱে একমাত্ৰ উপাস্য দেৱতা কাৰণে এই ধৰ্মক বৈষ্ণৱ ধৰ্ম বোলা হয়। এই বৈষ্ণৱ ধৰ্মৰ খুটি চাৰিটা হ'ল—নাম, দেৱ, গুৰু আৰু ভকত।

মহাপুৰুষ শঙ্কৰদেৱে তেখেতৰ ছকুৰি বছৰীয়া জীৱনকালত অজস্ৰ গ্ৰন্থ প্ৰনয়ণ কৰি গৈছে। বিষয়বস্তু অনুসৰি এই গ্ৰন্থৰাজিক বিভিন্ন ভাগত ভাগ কৰা হয় যেনে—কাব্য হৰিশ্চন্দ্ৰ উপাখ্যান, ৰুক্মিণী-হৰণ, বলি-চলন, অমৃত মন্থন, অজামিল উপাখ্যান আৰু কুৰুক্ষেত্ৰ, ভক্তি তত্ব প্ৰকাশক গ্ৰন্থ—ভক্তি প্ৰদীপ, ভক্তি ৰত্নাকৰ, নিমি নৱসিদ্ধ সংবাদ ; ভাঙনি মূলক ভাগৱতৰ ১ম ২য় ১০ম ১১শ ১২শ উত্তৰাকাণ্ড ৰামায়ণ। নাম প্ৰসঙ্গৰ কীৰ্ত্তন, গুণমালা, গীত-বৰগীত, অঙ্কৰ গীত, ভটিমা ; নাট—পত্নী প্ৰসাদ, কালিয়দমন, কেলি গোপাল, ৰুক্মিণী হৰণ, পাৰিজাত হৰণ, ৰাম বিজয়।

শঙ্কৰদেৱে সমাজখন সংস্কাৰ কৰি সুসংগঠিত কৰিবৰ বাবে সমূহীয়া ঈশ্বৰ উপাসনা, নাম-প্ৰসঙ্গ আৰু ধৰ্ম-চৰ্চাৰ পৱিত্ৰ স্থান নামঘৰ সজালে। এই নামঘৰতে এখন সাম্যবাদী সমাজ পাতিলে য'ত নাই জাতি-বৰ্ণ, ধনী-দুখীয়াৰ ভেদা-ভেদ, আছে সকলোৰে সম অধিকাৰ। নামঘৰ পৰিচালনা আৰু নিত্য নৈমিত্তিক কৰ্ম উৎসৱ অনুষ্ঠান ভাওনা-সবাহ আদিৰ যাৱতীয় ব্যয় ৰাইজৰ চাঁদা-বৰঙনিৰে কৰা হয়। ইয়াৰ দ্বাৰা পাৰস্পৰিক সহযোগিতাৰ আদৰ্শ দাঙি ধৰা হৈছে। গাওঁৰ ৰাইজৰ এইয়ে ন্যায় বিচাৰৰ স্থান। অনাক্ষৰী লোকেও ইয়াত শিক্ষা লাভ কৰি শিক্ষিত হয়, জ্ঞানী হয়। সেয়েহে ডঃ সূৰ্য্য কুমাৰ ভূঞাই নামঘৰৰ বিষয়ে লিখিছে :— There grew in Assam that we may conveniently term 'illiterate literacy' of a form unknown in any part of India........" এই নামঘৰবোৰ আজি পাঁচশ বছৰৰো অধিক কাল ধৰি গাৱঁলীয়া সমাজত ঐক্য সংহতি ৰক্ষা কৰি সামাজিক সমতা আৰু ন্যায় বিচাৰৰ উপৰিও সমাজত সহ অৱস্থানৰ নীতিৰ শিক্ষা দি আহিছে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱক অসমীয়া সংস্কৃতিৰো জনক বুলি আখ্যা দিব লাগিব। শঙ্কৰদেৱৰ আগতেও অসমত এক জাতীয় সংস্কৃতি যে আছিল তাক নুই কৰিব নোৱাৰি। অসমীয়া সংস্কৃতিৰ গছজোপা শঙ্কৰদেৱৰ বহুযুগ আগতে ৰোৱা হৈছিল যদিও সাৰ পানী আৰু যত্নৰ অভাৱত এই গছজোপা একেবাৰে মৰহি গৈছিল, শ্ৰীমন্ত শঙ্কৰে সংস্কৃতিৰ এই গছজোপাত সাৰ, পানী যোগান ধৰিলে আৰু তাৰ ফলত সংস্কৃতিৰ গছজোপা লহ্‌পহ্‌কৈ বাঢ়ি আহিবলৈ ধৰিলে।

ছকুৰি বছৰৰ পিছত অখণ্ডনীয় প্ৰভাৱত মহাপুৰুষ শঙ্কৰদেৱৰ পঞ্চভূতাত্মক শৰীৰটো যদিও আমাৰ মাজৰ পৰা চিৰদিনৰ কাৰণে আতঁৰি গৈছে তথাপি তেখেতৰ দ্বাৰা প্ৰৱৰ্ত্তিত নৱ বৈষ্ণৱ ধৰ্ম, তেখেতৰ দ্বাৰা বিৰচিত কাব্য নাট-গীত আৰু তেখেতৰ সমাজ সংস্কাৰৰ মহৎ কৰ্ম—প্ৰেৰণা আজিও আমাৰ মাজত জিলিকি আছে। অসমীয়া জাতি জীয়াই থকালৈকে মহাপুৰুষ শঙ্কৰদেৱৰ বহুমুখী প্ৰতিভাক কোনো দিনে পাহৰিব নোৱাৰি।

"জয়গুৰু শঙ্কৰ, সৰ্ব গুণাকৰ, যাকেৰি নাহি উপাম।"

( বিভিন্ন গ্ৰন্থ প্ৰৱন্ধৰ সহায়লৈ )

+ ০০ +

---

কী জানি কী হ'লো আজি জাগিয়া উঠিল প্ৰাণ
দূৰ হতে শুনি যেন মহাসাগৰেৰ গান।

—ৰবীন্দ্ৰ নাথ

# বিষ্ণু ৰাভাৰ সোৱঁৰণত

*চম্পা নাথ*
স্নাতক ২য় বাৰ্ষিক

হে বন্ধু সুৰকাৰ,
তোমাৰ সুৰৰ লহৰত সানি দিলে
সিহঁতে
তাণ্ডৱৰ ব্ৰেক্ ডান্স্।
ভাল লগা নাই।
তুমি আহিয়েই মুছি পেলাবা তোমাৰ সুৰৰেই—
"ধ্বংস কৰ ধ্বংস কৰ ধনীৰ অহংকাৰ ;
দয়া মায়া নকৰিবি ক্ষমাৰ দিন যে গ'ল।....
বন্ধু !
তোমাৰ তুলিকাৰে তুলি দিয়া সেইখন ছবি
য'ত হেজাৰ শ্ৰমিকৰ প্ৰাণৰ ইতিহাস।
তুমিতো জানাই—
দুহাত প্ৰসাৰি তোমাক অভিবাদন জনাবলৈ
মোৰ হাত দুখন কিহত বন্দী !
বন্ধু। আক্ষেপ যেন নকৰা
হাত দুখন নহলেও
তোমাক আকোঁৱালি লবলৈ—
সেই যে পলিথিনৰ কাগজেৰে বন্ধা মোৰ
কেঁচা কলিজাটো,
এতিয়াও ৰাখিছো
২০ জুনলৈ।
তুমি আহোঁতে কৈ দিবাচোন সিহঁতক ;
তুমি কলে কিজানি দিয়েই মুক্তি
মোৰ দুহাত।
যদি হাত দুখনৰ মুক্তি হয়
এটুকুৰা ক'লা কঠিন পদাৰ্থত
সোহাঁতৰ অনামিকাৰে 'তোমাক' দিম
এটি শোণিতৰ ফোঁট।

+ ০ ০ +



# ॥ দুটি গীত ॥

*নমিতা ডেকা*
স্নাতক ৩য় বাৰ্ষিক

(১)

মোৰ মন উৰি যায় দূৰদিগন্তলৈ
চিৰ সুন্দৰৰ পমখেদি ;
মোৰ মন উৰি যায় জ্যোতিৰ দেশলৈ
চিৰ নিদ্ৰাৰ আন্ধাৰ ভেদি।
জীৱন নদীৰ সিপাৰলৈ বুলি
দিলো নাও মেলি ;
জিলিকে নদীৰ ৰূপোৱালি পানী
নিশা চন্দ্ৰাৱলী।
উটি যাওঁ অপৰূপ ঢৌ লেখি লেখি।
তোমাকে সুৱঁৰি গাওঁ গায়ত্ৰী
অ' মোৰ চিৰজ্যোতি,
দিগন্তৰ সিপাৰে জ্বলিছে আজি
অসীমৰ ৰূপশিখাটি।
মই যাওঁ বিচাৰি চিৰসুন্দৰৰ মূৰ্তি।

(২)

অ" শৰতৰ শেৱালি
ইমানকৈ নুফুলিবি
তোৰ ৰূপৰ শিখাই মোক নজ্বলাবি,
তোৰ মধুৰ পৰশে মোক নুভুলাবি।
এই যে শৰত সন্ধিয়া
মই বৰ অকলশৰীয়া
পাহৰা দুখৰ বোজা মনলৈ নানিবি,
সঙ্গীবিহীনা বুলি মোক নোজোকাবি।
মায়াবী জোনাক ৰাতি
আকাশত তৰাৰে চাকি।
পৰাণৰ তৃষ্ণা তই আৰু নজগাবি,
আকুল মন মোৰ ব্যাকুল নকৰিবি।

০ ০ ০

# অনুভৱ

*নিৰ্মালি দেৱী*
স্নাতক ২য় বৰ্ষ

কাতিৰ কুৱঁলী সনা ৰাতি
তুমি আৰু মই যাম
জোনক বিচাৰি ।

দূৰ সুদূৰত জানো
তথাপিও যাম দুয়ো
হাতে-হাতে ধৰা ধৰিকৈ
সখী হম জোনৰ সগত !

কথা হম প্ৰীতি ভাৱে
অঙ্গীকাৰ কৰি লম
তিনিওৰে মাজত
সৌহাৰ্দ্য পাতিম যুগে যুগে ।

\+ + +

---

# মহৎ লোকৰ বাণী

"তিৰোতাৰ প্ৰকৃত অলঙ্কাৰ চৰিত্ৰ আৰু পৱিত্ৰতা । সীতা, সাৱিত্ৰীৰ নাম জগতত আজিও জিলিকি আছে তেওঁলোকৰ গুণৰ কাৰণেহে, তেওঁলোকে পিন্ধা অলঙ্কাৰৰ কাৰণে নহয় ।"

*—মহাত্মা গান্ধী*

"নিজৰ সুখেই যাৰ জীৱনৰ লক্ষ্য তেওঁ অসৎ, আনৰ প্ৰশংসা পোৱাটোৱে যাৰ জীৱনৰ লক্ষ্য তেওঁ দুৰ্বল, আনৰ সুখেই যাৰ লক্ষ্য তেওঁহে সৎলোক ।"

*—টলষ্টয়*

"মানুহৰ জীৱনত কিছুমান সঙ্কটপূৰ্ণ সময় আছে, তথাপিও আমি এই ভাবি সান্ত্বনা লভিব পাৰো যে সংগ্ৰাম যিমানেই কঠিন হব জয় লাভো সিমানেই গৌৰৱময় ।"

*—উমাছ পেইন*

"আঠুকাঢ়ি থকা ভদ্ৰলোক এজনতকৈ নিজৰ ভৰিৰ ওপৰত থিয় দি থকা চহা খেতিয়কজন বেচি ডাঙৰ মানুহ ।"

*—বেঞ্জামিন ফ্ৰেঙ্কলিন*

*সংগ্ৰাহিকা : ইলাবাণী শৰ্মা*, স্নাতক ২য় বাৰ্ষিক

# বৰগীত

*বুলবুল বৰদলৈ*
স্নাতক ৩য় বাৰ্ষিক ॥

বৰগীত মহাপুৰুষ শংকৰ-মাধৱদেৱৰ অভিনৱ অৱদান । পুৰণি অসমীয়া সাহিত্য বিভিন্ন গীত-মাতেৰে ভাৰাক্ৰান্ত যদিও শংকৰ-মাধৱৰ বৰগীতবোৰে বিশিষ্ট স্থান লাভ কৰি আহিছে । অৱশ্যে বৰগীত শব্দটো মহাপুৰুষ শংকৰদেৱৰ পিছতহে ব্যৱহাৰ হয় । ভাৰতবৰ্ষৰ পূৰ্বদিশৰ অসমভূমিত এক শৰণ নামধৰ্ম প্ৰচাৰৰ অভিপ্ৰায়েৰে শংকৰদেৱ আৰু মাধৱদেৱে পঞ্চদশ শতিকাতে পদ-পুথি, নাট আদি ৰচনা কৰাৰ উপৰিও উচ্চস্তৰৰ নৈতিক আৰু আধ্যাত্মিক ভাৱৰ, বিভিন্ন ৰাগ-ৰাগিনীৰে চৈধ্য প্ৰসংগৰ উপযোগী কিছুমান গীতো ৰচনা কৰিছিল। এই গীতবোৰক পৰবৰ্ত্তী কালত ভক্ত কবিসকলে 'বৰগীত' আখ্যা দিলে ।

অসমীয়া সাহিত্যত বিভিন্ন ধৰণৰ গীতৰ কথা উল্লেখ আছে। এইবিলাক সকলো ধৰণৰ মানুহেই লিখিব পাৰে । কিন্তু শংকৰ-মাধৱৰ গীতবোৰকহে কেৱল বৰগীত বুলি কোৱা হয় । ড° সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে "বিষয়-বস্তুৰ মহত্ব, ৰচনা-ভঙ্গীৰ সৌষ্ঠৱ, শাস্ত্ৰীয় সুৰৰ গাম্ভীৰ্য্য আৰু কল্পনাৰ সংযমে মহাপুৰুষৰ দ্বাৰা ৰচিত এই গীতবোৰক সমসাময়িক আন শাস্ত্ৰীয় সুৰযুক্ত গীতৰ পৰা পৃথক কৰিছে আৰু এই কাৰণেই ইয়াক সাধাৰণ গীতৰ বিপৰীতে 'বৰগীত' বোলা হয় ।" বিষয় বস্তুৰ ফালৰ পৰা চালে দেখা যায় যে বৰগীত অন্যান্য বৈষ্ণৱ গীত পদৰ দৰে ঐহিক বা চঞ্চল ভাৱৰ প্ৰভাৱৰ পৰা মুক্ত ! সম-সাময়িক লৌকিক বা অন্যান্য গীত-মাতৰ দৰে এইবোৰত শৃঙ্গাৰ বা মধুৰ ভাৱৰ গোন্ধ পোৱা নাযায় । এই বৰগীতবোৰত ৰাস ক্ৰীড়াৰ নাইবা 'ৰুক্মিণী হৰণ'ৰ কৃষ্ণ-ৰুক্মিণীৰ প্ৰেমৰ চিত্ৰ পাবলৈ নাই, তাৰ পৰিবৰ্তে ইয়াত পোৱা যায় পৰমপুৰুষ ভগৱন্তৰ মানৱী ৰূপৰ সুগভীৰ আধ্যাত্মিক তত্ত্বৰ প্ৰকাশ । আনহাতে মাধৱদেৱে দাস্য আৰু বাৎসল্য ভাবেৰে বৰগীতসমূহ ৰচনা কৰিছে ।

বৰগীতৰ সুৰৰো বৈশিষ্ট্য আছে । বৰগীতবোৰৰ ৰাগৰ নাম দিয়াৰ কাৰণে সুৰৰ

ক্ষেত্ৰত লৰচৰ কৰিব নোৱাৰি। বিষয়-বস্তু অনুসৰি বৰগীতসমূহত নৃত্য-গীত বিশাৰদ মহাপুৰুষ দুজনাই যি অভিনৱ ৰাগ সংযোজনেৰে সুৰৰ সঞ্চাৰ কৰিছিল, তাৰ মহত্তই বহুতো লোকক মহাপুৰুষীয়া ধৰ্মৰ ওচৰলৈ টানি আনিছিল। বৈষ্ণৱ ভক্তি সঙ্গীতক ঘাইকৈ দুটা বহল ভাগত ভাগ কৰিব পাৰি, লঘু বা লৌকিক সুৰ আৰু মাৰ্গ বা শাস্ত্ৰীয়। নাম-প্ৰসঙ্গত ব্যৱহাৰ হোৱা সুৰ, তাল আদি লৌকিক সুৰ। যোৰা প্ৰসঙ্গৰ গীতৰ গায়ন পদ্ধতিত শাস্ত্ৰীয় ৰীতি পৰিলক্ষিত হয়। বৰগীতবোৰক উচ্চাংগ সংগীত বোলা হৈছে। ভাৰতৰ সঙ্গীত শাস্ত্ৰত উত্তৰ ভাৰতৰ উচ্চাংগ সুৰ ধ্ৰুপদীৰ যি স্থান, অসমীয়া সঙ্গীততো বৰগীতৰ তেনে এক বিশিষ্ট স্থান আছে। ডঃ মহেশ্বৰ নেওগে কৈছে যে বৰগীত অসমৰ ক্লাচিকেল বা ধ্ৰুপদী সঙ্গীত।

ৰাগ সঙ্গীত হিচাপে বৰগীতৰ স্বকীয় মূল্যৰ বাহিৰেও ভাব, বস্তু আৰু ভাষাত ইয়াক গীতি-সাহিত্য ৰূপেও বিচাৰ কৰা হৈছে। চৰ্যাপদ, দুৰ্গাবৰী, মনকৰী আদি গীতো ৰাগত বন্ধা যদিও বৰগীতৰ ৰচনাতকৈ ইয়াক পৃথক কৰা হৈছে। প্ৰথমে ইয়াৰ ভাষাৰ কথা কোৱা হওঁক। এটা কৃত্ৰিম, সুৱদি কোমল ভাষাক মাধ্যম কৰি বৰগীতবোৰ ৰচিত হৈছে আৰু উপমা, অনুপ্ৰাস আদিৰ প্ৰচুৰ প্ৰয়োগে তাক বেলেগ সত্বা দান কৰিছে। এই গীতবোৰ ভোজপুৰী, মৈথিলী-আদি ভাষাৰ অপভ্ৰংশ ৰূপে শ্ৰুতি মধুৰ কৰিছে। মহাপুৰুষ দুজনে গীত, নাট আদিত ব্যৱহাৰ কৰা এই ভাষাটোক ব্ৰজাৱলী বোলা হয়। এই ভাষাটো মধ্যযুগীয় বৈষ্ণৱ কৱিসকলে গঢ়ি লোৱা এটা কৃত্ৰিম সুৱদি ভাষা। মৈথিলী ভাষাৰ লগত অসমীয়া প্ৰকাশন ৰীতি বা ঠাঁচ আৰু শব্দাৱলী সংযোগ কৰি অসমীয়া ব্ৰজাৱলী ভাষা সৃষ্টি কৰা হৈছে। ব্ৰজাৱলী উত্তৰ ভাৰতৰ বৈষ্ণৱ সকলৰ উমৈহতীয়া ভাষা। শংকৰদেৱৰ আদৰ্শতে মাধৱদেৱেও তেওঁৰ গীত, নাটত ব্ৰজাৱলী ব্যৱহাৰ কৰিছে। বৰগীতবোৰৰ ভাৱবস্তুৱে বৈশিষ্ট্যই এক বেলেগ মৰ্যাদা দান কৰিছে ইয়াৰ বিষয়-বস্তু ঐহিক ভাবৰ নহয়, আধ্যাত্মিক ভাবেহে তাত প্ৰকট। চৰ্য্যাগীতসমূহো ঐহিক বিষয়ৰ নহয়। আধ্যাত্ম সাধনাৰ পথ নিৰ্দেশ কৰা হলেও এই বোৰৰ প্ৰকাশ, ভঙ্গিমা বৰগীতৰ দৰে গুৰু গম্ভীৰ নহয়, মহাপুৰুষ শংকৰদেৱৰ বৰগীতবোৰত পৰমাৰ্থ আৰু ৱিৰক্তি ভাৱ বিৰাজমান। বিৰহৰ গীত দুই-এটা নথকা নহয়, কিন্তু সংখ্যাত কম। মাধৱদেৱৰ ওপৰোক্ত ভাৱৰ গীত আছে যদিও বালক কৃষ্ণৰ চুৰি, চাতুৰি, খেলা, নৃত্য, জাগৰণ আৰু চলনৰ গীতৰ সংখ্যাই সৰহ।

বৰগীতৰ আন এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল ইয়াৰ ৰাগ আৰু তালৰ। বৰগীতৰ প্ৰতিলিপিত ৰাগৰ লগতে তালৰো উল্লেখ আছে। ৰাগৰ লগত এখন বা দুখন তালৰ কথা উল্লেখ থাকে যদিও কিছুমান পটু গায়নে একোটা গীত আঠ বা বাৰখন তালেৰে গায়। অসমীয়া মানুহ মাত্ৰেই এফাকি হওক আধাফাকি হওক বৰগীত জানে আৰু ভাল হওক বা বেয়াই হওক ইয়াৰ সুৰ টানে। আমাৰ অসমৰ প্ৰতিখন গাঁৱতে আৰু অসমীয়া মানুহৰ প্ৰতি ঘৰতে একোটা নামঘৰ বা গোসাঁই ঘৰ আছে। ইয়াত সদায় ৰাতিপুৱা, দুপৰীয়া, গধূলি প্ৰসঙ্গৰ আৰম্ভণিতে বৰগীতৰ তুতি, তাৰ পিছতহে ভটিমা, কীৰ্ত্তন আদি কৰে। এইদৰেই আমাৰ অসমীয়া সমাজত বৰগীতৰ স্থান উচ্চ। বৰগীতবোৰ যিহেতু প্ৰসংগৰ বাবে ৰচিত গীত, সেয়ে প্ৰসঙ্গ অনুযায়ী ইয়াৰ তাল নিৰ্দেশ কৰা আছে। তদুপৰি প্ৰাচীন কালৰে পৰা এনে কিছুমান বিশেষ ৰীতিত গোৱা চলি আহিছে য'ত বিশেষ বিশেষ ৰাগত বিশেষ বিশেষ তাল পৰিবই যেনে আশোৱাৰীত পৰিতাল বা যতি, কল্যাণত খৰমান, বেলোৱাৰত ৰূপক আদি। বৰগীত যিকোনো ৰাগৰ ভিত্তিত গোৱাৰ অৱকাশ নাই। প্ৰত্যেক গীতৰ বাবে ৰাগ বন্ধা আছে আৰু প্ৰতিটো ৰাগৰ 'ঘৰ' আৰু 'তোলনি' শিকাৰ নীতি নিৰ্দ্ধাৰণ কৰা আছে।

মহাপুৰুষ দুজনাৰ বৰগীতসমূহ পৰ্যাবেক্ষণ কৰিলে দেখা যায় যে ইয়াত ডেৰকুৰিমান ৰাগৰ ব্যৱহাৰ আছে। এই ৰাগসমূহ যথাক্ৰমে কল্যাণ, ভূপালী, অহিৰ, আশোৱাৰী, কেদাৰ, গৌৰী, তুড়-বসন্ত, ধনশ্ৰী, বসন্ত, নাট-মল্লাৰ, মাহুৰ ধনশ্ৰী, শ্ৰী, সুহাই, সিন্ধুৰা, শ্ৰী, গৌৰী, শ্যাম, শ্যাম-গড়া, শ্ৰী-গান্ধাৰ, ললিত, মাহুৰ, মল্লাৰ, ভাটিয়ালী, বেলোৱাৰ, বৰাড়ী, নাট, তুড়-ভাটিয়ালী, কৌ. কামোদ আৰু কানাড়া ৰাগ। শঙ্কৰদেৱ-মাধৱদেৱৰ বৰগীতসমূহ লক্ষ্য কৰিলে দেখা যায়—ইয়াৰ প্ৰথম দুটা ৰাগ কেৱল শংকৰদেৱে, শেষৰ ১৬ টা ৰাগ কেৱল মাধৱদেৱে আৰু মাজৰ ১১ টা ৰাগ দুয়োজনে ব্যৱহাৰ কৰিছে।

***বৰগীতৰ পৰিবেশন ৰীতি :***

বৰগীত গোৱাৰ আগতে ৰাগৰ উল্লেখ কৰা হয়। প্ৰথমে ৰাগ তালনি আদি বজাই ৰাগৰ ঘৰ আৰু তোলনি দুয়ো অংশ টানে। ৰাগ দিয়া শেষ হলে ঘাত মাৰি বাজনা ৰাখি গীতৰ ধ্ৰুং অংশ তাল-খোল নোহোৱাকৈ প্ৰথমে আৰম্ভ কৰে। তাৰ পিছত তাল-খোল বাজে। শেষৰ ফালেও তেনেকৈ বিশেষ ঠেলা বা চোক আদি বজাইহে সামৰা হয়। কিন্তু আজি-কালি সময়ৰ অজুহাত দেখুৱাই হওক বা আন কাৰণতে হওক, যিবোৰ বৰগীত সভা-সমিতি, প্ৰতিযোগিতা আৰু প্ৰচাৰ মাধ্যমৰ যোগেদি পৰিবেশন কৰা হয় তাত আগ-গুৰি নোহোৱাকৈ পোনেই গীত ফাঁকিহে ধৰে। কেতিয়াবা কোনোবাই ৰাগৰ ব্যৱহাৰ কৰিলেও তাক সম্পূৰ্ণকৈতো নাটানেই, বৰং খোল আৰু তালৰ নিৰ্দ্ধাৰিত ৰাগ তালনি বজাই গাব নোৱাৰে বা নাগায়। বাদ্য বা তালৰ সংযোগ নোহোৱাকৈ বৰগীত গোৱা হয় যদিও কেতিয়াও নিৰ্দিষ্ট ৰাগ আৰু গুৰুৰ পৰা ফালৰি কাটি যোৱা নহয়।

বৰগীতবোৰৰ এক বিশেষত্ব হৈছে ৰাগৰ কালবিধি। পুৱাৰ ভাগৰ বৰগীতবোৰহে পুৱা গোৱা হয়। অহিৰ, শ্যাম, কল্যাণ, কৌ

পূৰবী, শ্যাম গোড়া এইকেইটা ৰাগহে পুৱাৰ ভাগত গায়। ভটিয়ালী, শ্ৰী, গৌৰি আদি ৰাগ বিয়লি ভাগতহে গায়।

চৰিত পুথিত বৰগীতৰ ছটা ৰস আছে বুলি নিৰ্দেশ কৰা হৈছে। এই ছটা ৰসৰ ওপৰত ভিত্তি কৰি পৰৱৰ্ত্তী সমালোচকসকলে বৰগীতৰ বিষয়-বস্তুক মূঠ ছটা ভাগত কৰিছে। এই কেইটা হৈছে –১) ভগৱন্তৰ অৱতাৰ লীলা (২) কৃষ্ণৰ বিদায়ত যশোদা আৰু ব্ৰজবাসীৰ বিৰহ বিচ্ছেদ (৩) পাৰমাৰ্থিক তত্ব (৪) সংসাৰৰ প্ৰতি বিৰক্তি (৫) শ্ৰীকৃষ্ণৰ চৌৰ্য্য কৰ্ম আৰু (৬) চাতুৰী।

লীলা বিষয়ৰ বৰগীতৰ অধিক সংখ্যক বাল-গোপালৰ জাগৰণ, চলন, খেলন আৰু নৃত্য-বিষয়ক। মাতৃ যশোদাই পুৱাতে কৃষ্ণক জগাই দি সজাই-পৰাই গৰু চৰাবলৈ পঠাই দিয়াৰ দৃশ্যাৱলী জাগৰণ শ্ৰেণীৰ গীতত ফুটি উঠিছে।

জাগৰণ শ্ৰেণীৰ গীতসমূহ মাতৃ স্নেহৰ অপূৰ্ব প্ৰকাশ।

**চলনঃ—** এই শ্ৰেণীৰ গীতত সমনীয়া গোপবালকৰ লগত গৰু চৰাবলৈ যোৱা আৰু গধূলি উভতি অহা দৃশ্যৰ অপৰূপ বৰ্ণনা পোৱা যায়।

**খেলনঃ—** বৃন্দাবনত কৃষ্ণই যমুনাৰ বালিত গোপ-গোৱালসকলৰ লগত খেলা-ধূলা কৰা আৰু কদম্বৰ তলত বাঁহী বজাই নৃত্য কৰাৰ সুন্দৰ বৰ্ণনা আছে।

***নৃত্য প্ৰধান গীতঃ*** — গোপীসকলৰ পৰা লৱনু খোৱাৰ আশাৰে কৃষ্ণই নৃত্য কৰে, শিশু কৃষ্ণৰ লয়লাস নাচোনৰ তালত ব্ৰজবাসী নৰ-নাৰীসব আপোন পাহৰা হৈ পৰে।

চোৰ-চাতুৰীৰ গীতবোৰত কৃষ্ণৰ দুষ্টালি, উদণ্ডালি আৰু চুৰি কৰি দৈ, মাখন আদি খোৱাৰ চিত্ৰ প্ৰকাশ পাইছে।

শংকৰদেৱৰ কিছুমান গীতত সংসাৰৰ প্ৰতি বিৰক্তিৰ ভাৱ প্ৰকাশ পাইছে। তেওঁ এই কাল ব্যাধৰূপী সংসাৰৰ পৰা নিস্তাৰ পাবলৈ ভগৱানৰ ওচৰত আত্ম সমৰ্পণ কৰিছে।

পৰমপুৰুষ শ্ৰীকৃষ্ণৰ ৰূপ, বৃন্দাবনৰ সৌন্দৰ্য্য, শ্ৰীকৃষ্ণৰ চতুৰালি, ৰং-ধেমালি, যশোদাৰ বাৎসল্য-প্ৰেম আদি চিত্ৰৰ বাবে বৰগীতসমূহ সোণত সুৱগা হৈছে।

মহাপুৰুষ দুজনাৰ গীত সমূহ অন্য কম আয়াসতে গাব পৰা গীততকৈ কিছু পৃথক। সাধনালব্ধ এই গীতবোৰৰ সাধনা তথা চৰ্চাৰ ক্ষেত্ৰত নানা বিধি-বিধান আৰু শাস্ত্ৰীয় প্ৰভাৱৰ কথা আহি পৰে। সত্ৰসমূহত বা নামঘৰত থকা ব্যৱস্থা মতে চাৰি প্ৰসঙ্গৰ অন্ততঃ দুপৰীয়া আৰু ৰাতিৰ প্ৰসঙ্গত বৰগীত গোৱাটো অপৰিহাৰ্য্য হোৱা বাবে সত্ৰৰ সংখ্যা বৃদ্ধিৰ লগে লগে বৰগীত গোৱা লোকৰ সংখ্যাও বৃদ্ধি হৈছে যদিও শাস্ত্ৰীয় মৰ্য্যাদাৰে গাব পৰা লোকৰ সংখ্যা কম। *

* বিভিন্ন গ্ৰন্থ আৰু প্ৰবন্ধৰ আলমত যুগুত কৰা হৈছে।



# দুটি কবিতা

মালামণি বৰা
স্নাতক ২য় বৰ্ষ

( ১ )

## ।। তিক্ততা ॥

ৰক্তাক্ত হৃদয়ৰ
অকৃত্ৰিম মৰমত
বিষাক্ত সৰ্পৰ
কৰুণ দংশনত
বেদনাসিক্ত জীৱনৰ
ভয়ানক উপহাসত,
মাথোন
তিক্ততা
তিক্ততা ॥ ০০০

( ২ )

## উপলব্ধি ঃ

বন্ধ কোঠাৰ,
অকৃত্ৰিম আৰতাওৱা
য'ত কেৱল নিৰাশা
নিঃসহায়!
মাথোন সাক্ষী
উপলব্ধি। ০০০

# নিষ্প্ৰদীপ

ইন্দুমণি দেৱী
স্নাতক ২য় বাৰ্ষিক

চাৰিওপিনে নিজম নিতাল। যিমান দূৰলৈকে মণিব পাৰি ক'তো পোহৰৰ লেশ-মাত্ৰও নাই। আজি আন্দোলনৰ কাৰ্যাসূচী হিচাপে এঘণ্টীয়া এই নিষ্প্ৰদীপকো অন্তৰ্ভূক্ত কৰা হৈছে। গ্ৰীলেৰে ঘেৰা সৰু বাৰান্দাখনত এক নিৰ্বাক নিস্পন্দ মাটিৰ পুতলাৰ দৰে অৰুণিমা বহি আছে। জিপ্ জিপ্‌কৈ বৰষুণ দিছে। তাৰ এচাৰকনিয়ে তাইক গালমুখ তিয়াই দিছে—অৰুণিমাৰ তালৈ ভ্ৰূক্ষেপেই নাই। তাইৰ মন উৰি গৈছে—দূৰলৈ, বহু দূৰলৈ— আজিৰ পৰা প্ৰায় চাৰিবছৰ।

"মা, তুমি যদি মোক যাবলৈ নিদিয়া, ৰমেনকো যদি মাকে বাধা দিয়ে, এইদৰে প্ৰত্যেক মাকে যদি নিজৰ নিজৰ ল'ৰাক আৱৰি ৰাখে, তেনেহলে এইবোৰ কাম কোনে কৰিব কোৱা ?" একমাত্ৰ পুত্ৰ সন্দীপে তাইৰ ডিঙিত দুহাতেৰে সাৱটি কৈছিল।

অৰুণিমা বহুপৰ নিৰুত্তৰ হৈ আছিল। সন্দীপে আকৌ হাঁহি হাঁহি কৈছিল—"মা আগতে হেনো নিশাতে কৰচ কাপোৰ বৈ তাকে-পিন্ধাই স্বামী-পুত্ৰক তোমালোকৰ দৰেই মাক-বোৰে যুদ্ধক্ষেত্ৰলৈকে আগবঢ়াই দিছিল—তাৰ মানে অনিশ্চিত মৰণৰ মুখলৈ।" এইবাৰ অৰুণিমাই তাৰ মুখখনত হাতেৰে হেঁচা দি কৈছিল : "যাবি বাৰু এইবোৰ বলকিব নেলাগে।"

বিদেশী বহিষ্কাৰ আন্দোলনৰ পৰি-প্ৰেক্ষিতত নিৰ্বাচনৰ মনোনয়ন পত্ৰ দখিল কৰিবলৈ অহা প্ৰাৰ্থীক লৰাহঁতে বাট-ভেটা দিব। কোন সময়ত প্ৰাৰ্থীৰে গাড়ী আহিব কোনেও নেজানে; গতিকে ট্ৰাঙ্ক ৰোডৰ দাঁতিত পালপাতি জুমে জুমে লৰাবোৰ বৈ আছে।

সন্দীপেই শপ্ৰতীপ আৰু অৰুণিমাৰ এক-মাত্ৰ সন্তান। সুখ্যাতিৰে ইংৰাজী বিষয়ত এম, এ পাছ কৰি আই সি আই, এ এছ দিবৰ বাবে প্ৰস্তুতি চলাই আছে। সেই দিনা মাকক খুজি সি সোনকালে ভাত খালে, তাৰ পাছত এনেয়ে বিচনাত পৰি থাকিল।

বাৰবজাৰ পৰা সন্দীপ-কৌশিক হঁতৰ-পাস। প্ৰতীপকো সোনকালে খুৱাই-বুৱাই অৰুণিমা খাবলৈ বহিল। তাই ভাতকেইটা চুলেহে, এগাৰোহ ভাত মুখলৈ নি পানীৰ গিলা-চটোৰ পৰা পানী এঢোকেৰে কোনোমতে ঠেলি পঠিয়াই, তাই আহি আগৰ বহা ঠাইতে বহি আছিল। কিবা এক অনিশ্চিত আশঙ্কাত তাইৰ বুকুখন থৰথৰকৈ কঁপি উঠিল। সৰ্ব-শৰীৰতে কিবা এক অজান শিহৰণ অহৰহ তাই অনুভৱ কৰিবলৈ ধৰিলে। প্ৰতীপক কব নেকি সন্দীপক ৰাতিখন ওলাই যাবলৈ হাক দিবলৈ ? .... নেলাগে থাকক। সি মাকক কোৱাৰ দৰেই দেউতাককো হয়তো কব : তোমালোকৰ ল'ৰা ভালে থাকক, আনৰ ল'ৰাৰ অনিষ্ট হওক, মোক বাধা দি তোমালোকে তাকেহে কৰিব খুজিছা নেকি ? সন্দীপ সৰুৰে পৰা এনেকুৱা কোনো এটা কাম ভাল বুলি ভাবিলে সি নকৰাকৈ নেৰে।

কৌশিক, বিনয়, ৰমেন, দীপহঁত সোমাই আহিল। টৰ্চৰ পোহৰত এন্ধাৰত বহি থকা অৰুণিমাক দেখি সিহঁতে সুধিলে "মাহীদেউ নেকি ? সন্দীপ ক'ত ?" উত্তৰলৈ বাট নেচাই সন্দীপ সন্দীপ—কৈ চিঞৰিবলৈ ধৰিলে। সিহঁতৰ বৰৰ সময় নাই। ইতিমধ্যে সন্দীপ ওলাই আহিছিলেই। অৰুণিমা থিয় হ'ল।

সন্দীপে মাকক সাৱট মাৰি ক'লে, 'মা তুমি নিশ্চিন্তমনে শুই থাকাকৈ। মই ৰাতিপুৱাই ঘূৰি আহিম। চিন্তা নকৰিবা। দেউতাক নজাগাবা।'

সন্দীপহঁত গ'লগৈ। বহু দূৰলৈকে ৰাতিৰ নিৰ্জনতা সিহঁতৰ কথাই-হাঁহিয়ে মুখৰ কৰি তুলিলে। ভিতৰলৈ সোমাব খুজি অৰুণিমাই দুৱাৰ মুখত প্ৰতীপক দেখিলে। "আপুনি শোৱা নাই ?" তাই কঁপা কঁপা মাতেৰে সুধিলে। "নাই টোপনি অহা নাই। আজি আৰু টোপনি নাহিবই চাগৈ।" প্ৰতীপৰ কথাবোৰ নিশাৰ গম্ভীৰতাত ক্ৰমাৎ কঁপি কঁপি বিলীন হৈ গ'ল।

মাকক দি-যোৱা প্ৰতিশ্ৰুতি মতেই ৰাতি-পুৱা সন্দীপ ঘৰলৈ আহিল। শৱদেহ বহন কৰা স'ৰাহঁতে চোতালৰ তুলসীৰ ভেটিটোৰ ওচৰতে তাক শুৱাই দিলে। নিৰ্বাচন প্ৰাৰ্থীৰ গাড়ী ভেটিবলৈ গৈ সন্দীপে চি-আৰ-পিৰ গুলী খাই আত্ম-বলিদান কৰিলে। লগৰ আৰু কেইবাজনো গুৰুতৰ ভাৱে আহত, দুজন মানৰ জীৱন সঙ্কটাপন্ন। প্ৰস্তৰ মূৰ্ত্তিৰ দৰে চাই থকা সন্দীপৰ দেউতাকে হঠাতে চিঞৰি উঠিল "দেশৰ কাৰণে মই দিব পৰা সক-লোতকৈ বহুমূলীয়া দান মই দিলো। ৰাইজ ক্ষান্ত নহব। আপোনালোকৰ জয়েই হ'ব মোৰ দানৰ প্ৰতিদান।" থোকা-থুকি মাতেৰে কথা কেইটা কৈ প্ৰতীপ ভিতৰলৈ সোমাই গ'ল। কৌশিক, বিনয়হঁতে অৰুণিমাৰ ওচৰ'ল গৈ অৰুণিমাৰ ভৰিত পৰি কান্দি কান্দি ক'লে "মাহীদেউ, আপোনাৰ লৰাক আমিয়েই মাতি নিছিলো, তাৰ মৃত্যুৰ বাবে আমিয়েই দায়ী। আমাক আপুনি অভিশাপ দিয়ক।"

"বাছাহঁত, মোৰ সন্দীপ গ'ল গৈ। এতিয়া তোমালোকেই মোৰ সন্দীপ। মোৰ সন্দীপক ........ কথাষাৰ শেষ নৌহওঁতেই সন্দীপৰ মৃতদেহৰ কাষত অৰুণিমা অচেতন হৈ বাগৰি পৰিছিল। তাৰ পাছত সুদীৰ্ঘ দুটা বছৰ পাৰ হৈ গ'ল। আকৌ আহিল নিৰ্বা-চনৰ বতৰ। অৰুণিমাই বাটলৈ চাই থাকে।

তেওঁৰ দুচকুৱে কৰ্মব্যস্ত লৰাজাকৰ মাজত যেন সন্দীপক বিচাৰি যায়। সকলোকে তেওঁৰ সন্দীপ সন্দীপ যেন লাগে। এনেতে হঠাতে এদিন প্ৰতীপৰ গাঁৱৰ ঘৰৰ পৰা খবৰ আহিল—নিশা গাঁও পহৰা দিয়া ডেকালৰা দলৰ ওপৰত পুলিচে গুলীচালনা কৰাৰ ফলত খুড়া শহুৰেকৰ লৰা দেবাঙ্গৰ মৃত্যু হৈছে।

অৰুণিমা লৰি গ'ল গাঁৱৰ ঘৰলৈ। কান্দি ভাঙি পৰা খুৰীয়েকক অৰুণিমাই বহু কথাই বুজাবলৈ চেষ্টা কৰিলে। খুড়া শহুৰেকে চকু পানী টুকি ক'লেঃ "আই, দেশৰ কাৰণে বংশৰ দুটা উঠি অহা ডেকাক আগবঢ়াই দিলো। এতিয়া বাকী আছে গৌৰাঙ্গ। সি পুলিচৰ ভয়ত বাঁহনিয়ে-খেৰণিয়ে নিশাৰ নিশাটো কটাই দিয়ে। গাঁৱৰ মানুহে আমাক এঘৰীয়া কৰিছে ৰূপাৰ কাৰণে। তথাপিতো মান-অপমানলৈ কেৰেপ নকৰি সিহঁতে গাঁওখনক ৰক্ষা কৰিবলৈ প্ৰাণ-পণে চেষ্টা কৰিছে। মই কি কম আই? অক্ষম পিতৃ মই, ল'ৰা-ছোৱালীক খুৱাব-পিন্ধাব নোৱাৰো। উঠন বয়সৰ গাভৰু ঘৰতে ৰাখি থৈছো। ৰূপা অবৈধ সন্তানৰ মাতৃ। আটাইয়ে তাইক দোষ দিলেও মই নিদিওঁ। সময়ত পা-পইচাৰ অভাৱত উলিয়াই দিব নোৱাৰিলো। যৌৱনৰ দাবী, যৌৱনৰ ধৰ্ম তাই উলাই কৰিব নোৱাৰিলে। তাই হ'ল অবৈধ সন্তানৰ জননী। তাইক ঘৰতে ৰাখি থৈছো বাবে আমি এঘৰীয়া। নিজৰ গাৰ এচপৰা মঙহ, মই তাইক ক'লৈ দলিয়াই দিওঁ তয়েই ক'চোন!

অৰুণিমা মনে মনে থাকিল। তাই কি কব? আদ বয়সতে বুঢ়া হোৱা খুড়ীশাহুৰেক, অক্ষম ৰুগীয়া খুড়াক—এবাহ ল'ৰা-ছোৱালী। খোৱা-পিন্ধাৰ অভাৱত সিহঁতৰ চকুৱে-মুখে যেন বিদ্ৰোহৰ আগনি জ্বলি থাকে। অনবৰতে যেন সিহঁতৰ মৌন অভিযোগ—আমাক এনেদৰে জন্ম দিছিলা কিয়? হঠাৎ আকণিমাৰ মুখেৰে ওলাই গ'ল—"খুড়াদেউ, গৌৰাঙ্গক মোক দিয়ক। মই তাক ডাঙৰ কৰিম। সন্দীপৰ খালী ঠাই সি পূৰণ কৰিব। যদি সি পুলিচ নিৰ্য্যাতনত জীয়াই থাকে আই, তোকেই গতাম তাক।"

অৰুণিমাৰ বুকুখন কঁপি উঠিল। সি যদি জীয়াই থাকে' খুড়াকৰ মুখৰ পৰা এই অমঙ্গলীয়া কথাষাৰ ওলাল কিয়? কেইটামান দিন পাৰ হৈ গ'ল। এদিন গৌৰাঙ্গয়ো দেশৰ কাৰণে আত্ম বলিদান দিলে। এটা সমদলে গৌৰাঙ্গক কঢ়িয়াই লৈ গ'ল সিহঁতৰ বাৰীৰ পাছফালে এডোখৰ ঠাইলৈ। গৌৰাঙ্গৰ শেষকৃত্য সমাধা কৰি চিতাত পানী ঢালি মানুহবোৰ যাবলৈ ওলাল। তাই বৈ থাকিল একে ঠাইতে নিথৰ হৈ। সন্ধিয়াৰ আধা এন্ধাৰ আধা পোহৰত এজোপা নাহৰ গছত আউজি বৈ থকা ক্লান্ত শ্ৰান্ত অৰুণিমালৈ কোনেও মন নকৰিলে।

গৌৰাঙ্গৰ চিতা নুমাল—কিন্তু তাইৰ বুকুত যেন ৰাৱণৰ চিতা জুই – যি কাহানিও নুনুমায়—যি কুৰা জুই তাইৰ মৃত্যুৰ দিনলৈকে বুকুত লৈ থাকিব কোনেও নজনাকৈ, আনকি তাইৰ জীৱনৰ সঙ্গী প্ৰতীপেও নজনাকৈ, নুবুজাকৈ।

লাইটবোৰ জ্বলি উঠিল। তাৰ মানে এঘণ্টীয়া নিষ্প্ৰদীপৰ সময় উকলিল। আলিবাটত মানুহৰ অহা-যোৱা আৰম্ভ হ'ল। এজাক ডেকা ল'ৰাই বৰ ব্যস্ততাৰে বহুতো কিবাকিবি কৈ তাইৰ চকুৰ আগেৰে পাৰ হৈ গ'ল— দুস্কৃতিকাৰীয়ে যাতে নিষ্প্ৰদীপৰ চেলু লৈ একো অন্যায় কৰিব নোৱাৰে। তোমালোকৰ দৰেই বহুতো ল'ৰাই অকালতে জীৱন দিলে, বহুতো পঙ্গু হৈ গ'ল। জীৱনৰ বাবে তোমালোকে এই সংগ্ৰামত জয়ী হৈ মৃত সকলক তেজৰ মূল্য দিব পাৰিবানে? পঙ্গুসকলৰ ত্যাগৰ মৰ্য্যাদা ৰক্ষা কৰিব পাৰিবানে? অৰুণিমাৰ মনৰ এইষাৰ কথা যেন হেজাৰ জনৰ কথা হৈ নিশাৰ মৌনতা ভঙ্গ কৰি পেলালে। দুগালেদি বাগৰি অহা দুধাৰ চকুলো মছি মছি তাই ভিতৰলৈ সোমাই গ'ল। + +

---

शायेरी :

१] चाँद-चाँदनी से होती है, सीतारों से नहीं,।
मुहाब्बत एक से होती है, हजारो से नहीं॥
२] सागर में जितने पानी हैं, घड़े मे भरा नही जाता
दिल में जितनी बात है, खत में लिखा नही जाता।
३] कलिया है बहुत लेकिन
खिलते है कोई कोई
प्यार करते है बहुत लेकिन
निभाते हैं कोई कोई॥

श्री पुरबी मराली
टी. डी. सी. २य बर्ष॥

# THINKS OF YOU

Rinku Ghosh
T.D.C 2nd year

When I look at the very morning's Sun
I see you in the redden Sun.
When I observe birds are playing on my yard
I see your naughtiness on them.
When the sweet breeze blow across me
I feel your touch in them
When the sky is coverd by black cloud
I see your speed in them.
When the raind ops wet through me
I feel your warm love in them.
When the colouring flowers blossom in the garden
I hear your lough in them.
When your acrid disjuction make me sorry
I find you beside me.
When some one sing a song
I meet with you by this song
When I look at the bright moon and twinking stars
When I am lost in the deep darkness of night
When I wander alone on the river bank
And when my hidden tears calls you
You always remain with me.
When I search someone to love me
When I so tired to fulfill my duty
When worldly affairs gives me pain
When my heart is full of grief
And I want some real peace
I feel always your consolation
Thanks, a lot of thanks to give me such companion
But I know, I am anable to get your real existance ;
Because I set you free. ++

## What Is Life

Sri Jilmil Mahanta
H.S. Ist year

Life is joy, enjoy it,
Life is sorrow, bear it
Life is a game, play it,
Life is a book, read it
Life is a challenge, face it
Life is a song, sing it
Life is a problem, solve it
Life is short, use it
Life is a dream, fulfil it.

## Butterfly

Butterfly, butterfly,
How can you fly ?
Where do you go ?
And from where you come ?
If I had also two wings
One very red and one yellow
I'd have moved in the sky.

—x—

## बैचैनी

श्री पुरबी भराली
टी. डी. चौ २य बर्ष

न जाने क्यों ?
आज मुझे कुछ हो गया है,
क्या हो गया है' और
क्यों हो गया है—
शायद ये मुझे मालुम नहीं,
दिल में बैचैनी सी रहती है ?
मगर क्यों ऐसी होती है ?
शायद मुझे किसी से
प्यार तो नहीं हो गया !! ०००

## मेरा अपना

जब से मैं तुम्हें देखा,
मुझे कुछ कुछ होने लगे ।
किसी काम में लगती नहीं
है, मेरी मन,
बस ! दिन और रात में
मेरी आँखों के सामने,
तुम ही तुम नजर आते हो ।
तुम मुझे बहुत अच्छे
लगते हो—
क्योंकि, मैं तुम्हें बेहद
प्यार करती हूँ
और
करती रहूँगी ॥ ०००






ৰীমা ডেকা
আলোচনী সম্পাদিকা



বিউতি বৰা
সাধাৰণ সম্পাদিকা



বিনুমণি শৰ্মা
সাংস্কৃতিক সম্পাদিকা



দীপালী কলিতা
ছাত্ৰী জিৰণি কোঠা
সম্পাদিকা।



নিৰুপ্ৰভা ভূঞা
তৰ্ক আৰু নাট
সম্পাদিকা।



ইলাক্ষী ডেকা
সঃ সাধাৰণ সম্পাদিকা।



ৰীমা শৰ্মা
সঃ সাংস্কৃতিক সম্পাদিকা।



জুৰি বৰা
শ্ৰেষ্ঠা সাজ-সজ্জা প্ৰতিযোগী



পূৰবী বেজবৰুৱা
শ্ৰেষ্ঠা গায়িকা



আজমা বেগম
শ্ৰেষ্ঠা খেলুৱৈ



দক্ষিণা শৰ্মা
শ্ৰেষ্ঠা অভিনেত্ৰী

## ছাত্ৰী একতা সভাৰ

## সম্পাদিকাসকলৰ



# প্ৰতিবেদনসমূহ ঃ

# সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন ঃ

যাৰ, তেজত তিৰবিৰাইছিল

তৰালি

বুকুত গুণগুণাইছিল

মৌমাখি

সি নিজানে নিতালে

শুই আছে

শিতানত তাৰ

তেজধোৱা মাটি ;

— সমূহৰ কণ্টকাকীৰ্ণ পথত সুগন্ধি দলিচা পাৰিবলৈ সত্যৰ গতি খেদি আগবঢ়া অমৰ ছহীদসকলৰ পুণ্য স্মৃতিত প্ৰতিবেদনৰ আৰম্ভণিতে যাচিছোঁ এটুপি অশ্ৰু-অঞ্জলি ।

যিসকলৰ অশেষ চেষ্টাৰ ফলত নগাঁও ছোৱালী কলেজখন শিশুৰ পৰা যুৱতী হল তেখেতসকললৈ শ্ৰদ্ধা নিবেদন কৰিলোঁ। শ্ৰদ্ধা নিবেদন কৰিলোঁ চিৰ আৰাধ্য প্ৰতিষ্ঠাপক অধ্যক্ষ স্বৰ্গীয় মহেশচন্দ্ৰ দেৱ গোস্বামীলৈ । অপ্ৰমাদী কবি মাধৱ কন্দলী, ভাষা, সাহিত্য, সংস্কৃতি তথা জাতীয় গুৰু শ্ৰীমন্ত শংকৰদেৱ, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, শেৱালি কবি ৰত্নকান্ত বৰকাকতী, বুৰঞ্জীবিদ ডঃ সূৰ্য্য কুমাৰ ভূঞা, সাহিত্যিক সমালোচক ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰভৃতিৰ জন্মভূমি এই নগাঁও জিলাত ১৯৬২ চনৰ ১২ চেপ্তেম্বৰত প্ৰতিষ্ঠিত একমাত্ৰ স্ত্ৰী-শিক্ষাৰ ঐতিহ্যমণ্ডিত আমাৰ বালিকা মহাবিদ্যালয়খন । এনে এখন মহাবিদ্যালয়ত সাধাৰণ সম্পাদিকা হিচাবে এটা গধুৰ দায়িত্ব আমাৰ ওপৰত ন্যস্ত কৰাৰ কাৰণে সমূহ ছাত্ৰীবৃন্দলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ। লগতে যিসকল শিক্ষাগুৰু, কৰ্মচাৰী আৰু ছাত্ৰী বান্ধৱীয়ে আমাক সহায় আৰু দিহা-পৰামৰ্শ আগবঢ়ালে তেখেতসকলৰ ওচৰত মই চিৰ ঋণী হৈ ৰলোঁ।

শপত গ্ৰহণ কৰাৰ পিছতেই কলেজত শ্ৰীশ্ৰী সৰস্বতী দেৱী পূজাভাগ উলহমালহেৰে পালন কৰা হয়। কেইদিন মানৰ পিছতেই মহাবিদ্যালয়ৰ সপ্তাহ সমাৰোহ উদ্‌যাপন কৰা হয়। এই সমাৰোহ তিনিদিনীয়া কাৰ্য্যসূচীৰে পালন কৰা হয়। এই উৎসৱসমূহ ছাত্ৰী একতা সভা, ছাত্ৰীসকল আৰু তত্বাৱধায়কসকলৰ সহায়ত পালন কৰা হয়। মহাবিদ্যালয়ৰ সপ্তাহ সমাৰোহত ক্ৰীড়া, সংগীত আৰু সাংস্কৃতিক প্ৰতিযোগিতাৰ লগতে এখনি আকৰ্ষণীয় প্ৰদৰ্শনীও অনুষ্ঠিত হয়।



এই সমাৰোহত ছাত্ৰীসকলৰ উৎসাহ-উদ্দীপনাৰে প্ৰতিভা বিকাশ পাইছে। প্ৰতিযোগিতাসমূহত অংশ লৈ বিজয়ী হোৱা সকলক ধন্যবাদ আৰু পৰাজয় হোৱা সকলক ভৱিষ্যতে উৎসাহিত হবলৈ শুভেচ্ছা যাচিলোঁ। সমাৰোহৰ নাটক অভিনয়ত শ্ৰেষ্ঠ সন্মান লাভ কৰে শ্ৰীদক্ষিণা শৰ্মা আৰু শ্ৰেষ্ঠ গায়িকাৰ সন্মান লাভ কৰে শ্ৰীপূৰবী বেজবৰুৱাই। শ্ৰেষ্ঠ খেলুৱৈৰ আসন লাভ কৰে শ্ৰীআচমা বেগমে। সমাৰোহৰ মুকলি সভাত সভাপতিত্ব কৰে অধ্যক্ষ শ্ৰীযুত বিমল কুমাৰ বৰাদেৱে। মুখ্য অতিথি হিচাপে ভাষণ দিয়ে জিলা উপায়ুক্ত শ্ৰীযুত জ্যোতি প্ৰসাদ শইকীয়াদেৱে আৰু বিশিষ্ট অতিথিৰ আসন গ্ৰহণ কৰে জিলা অতিৰিক্ত উপায়ুক্ত শ্ৰীযুত মিঃ থেকদেৱে। তেখেতসকলৰ সাৰুৱা ভাষণে ছাত্ৰীসকলৰ মনত উৎসাহ-উদ্দীপনা যোগায়। এই সমাৰোহৰ সাংস্কৃতিক অনুষ্ঠান মুকলি কৰে অধ্যক্ষ শ্ৰীবিমল কুমাৰ বৰাদেৱে।

পৰম্পৰাগত ভাৱে চলি অহা মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ তিথিভাগো প্ৰাতঃভ্ৰমণ, নাম-কীৰ্ত্তন আৰু বৰগীত প্ৰতিযোগিতাৰ দ্বাৰা উলহ মালহেৰে পালন কৰা হয়।

১২/৯/৯৩ তাৰিখে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসটি পালন কৰা হয়।

আমাৰ সাধাৰণ সম্পাদিকাৰ কাৰ্য্যকালত কি কৰিলো তাক মই ব্যাখ্যা কৰিব বিচৰা নাই। কি কৰিব পৰা নাই তাকেহে ব্যাখ্যা কৰিব বিচাৰিছোঁ।

আমাৰ মহা বিদ্যালয়ত এটা প্ৰেক্ষাগৃহৰ বিশেষ-ভাৱে প্ৰয়োজন । কিন্তু প্ৰেক্ষাগৃহটো নাই। বহুত চেষ্টা কৰিও প্ৰেক্ষাগৃহ এটা পাতিব নোৱাৰিলোঁ। গতিকে পিছৰ সম্পাদিকাই এই বিষয়ত সচেষ্ট হয় যেন ।

আমাৰ মহাবিদ্যালয়ত ছাত্ৰীৰ জিৰণি কোঠাটো নোহোৱাত বহু সংখ্যক ছাত্ৰী কলেজৰ পাৰত বা আন ঠাইত ঘূৰি ফুৰা দেখা যায়। সেই অসুবিধাটো যাতে দূৰ কৰিব পৰা যায় তাৰ বাবে পৰবৰ্ত্তী সম্পাদিকাই বিশেষ মন দিয়ে যেন

আমাৰ কৰ্মচাৰীসকলৰ কাৰ্য্যালয়ৰ কোঠাটো সৰু হোৱাত কাম কৰাত বহুত অসুবিধা হয়। কোঠাটোৰ সু-ব্যৱস্থা কৰিবলৈ কৰ্তৃপক্ষক অনুৰোধ জনালোঁ।

আমাৰ কলেজৰ সন্মুখৰ ৰাষ্টায়েদি কলেজ চলি থকা সময়ত বহু যান-বাহন অহা-যোৱা কৰি থকা দেখা যায়। তাক নিৰ্মূল কৰিবলৈ বহু চেষ্টা কৰিও নোৱাৰিলোঁ।

আমাৰ কলেজৰ নবাগতা আদৰণি উৎসৱ পৰম্পৰাগত ভাৱে চলি অহা এটা অনুষ্ঠান। প্ৰত্যেক বাৰৰ দৰে এইবাৰো নৱাগতা আদৰণি সভাখন ১৩/৯/৯৩ তাৰিখে পতা হয়। এই নৱাগতা আদৰণি সভাত সভাপতিত্ব কৰে অধ্যক্ষ শ্ৰীযুত বিমল কুমাৰ বৰাদেৱে। মুখ্য অতিথিৰ ভাষণ দিয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য শ্ৰীযুত নিৰ্মল কুমাৰ চৌধুৰীদেৱে। এই সভাত ভাষণ দিয়া

নৱাগতা ছাত্ৰী শ্ৰীদীপশিখা ভাগৱতীলৈ আমাৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। তেওঁ আগলৈকো যাতে তেনেদৰে সাৱলীল ভাষণ দিব পাৰে; তাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

প্ৰতি বছৰৰ দৰে এই বছৰো ২৫ নৱেম্বৰত ৺বিনয় বৰাৰ সোঁৱৰণত তৰ্ক প্ৰতিযোগিতা আন্তঃ মহাবিদ্যালয়ৰ ভিত্তিত পতা হয়। এই সোঁৱৰণীত বক্তৃতা প্ৰতিযোগিতাত বিজয়ী—প্ৰথম দল—নগাঁও কলেজ।
দ্বিতীয় দল— ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা কলেজ, পুৰণিগুদাম।
ব্যক্তিগত পুৰস্কাৰ বিজেতাসকল—
১ম—বসন্ত ভাগৱতী, ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা কলেজ, পুৰণিগুদাম।
২য়—অজিত কুমাৰ শৰ্মা, নগাঁও কলেজ।
৩য়—সুৰজিৎ কলিতা, ত্যাগবীৰ হেম বৰুৱা কলেজ, জামুগুৰি।

আমাৰ কাৰ্য্যকালৰ বিভিন্ন দিশত সহায়-সহযোগিতা আগবঢ়োৱা অধ্যক্ষ শ্ৰীযুত বিমল কুমাৰ বৰা, অধ্যাপক-অধ্যাপিকা (সকল) শ্ৰীতিলক চন্দ্ৰ মজুমদাৰ, শ্ৰীফাইজুৰ ৰহমান, শ্ৰীবাদল চন্দ্ৰ ঘোষ, শ্ৰীনিজাম উদ্দিন আহমেদ শ্ৰীজ্যোতিময় চক্ৰৱৰ্তী, শ্ৰীবিজয় প্ৰসাদ সিং, শ্ৰীগুণ গগৈ, শ্ৰীমতী হিমাদ্ৰি দেৱী বাইদেউ প্ৰমুখ্যে শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল আৰু কৰ্মচাৰী সকলক মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে ছাত্ৰী নিৰ্বাসৰ ছাত্ৰীসকল আৰু ছাত্ৰী একতা সভাৰ সদস্যাসকললৈকো কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। পাৰ হৈ যোৱা বছৰটোত হয়তো কাৰোবাক টানি বা বেয়াকৈ কথা কৈছিলোঁ। সকলোৱে মোক বাইদেউ বা ভগ্নি বুলি ভাবি মোৰ দোষবোৰ ক্ষমা কৰে যেন।

শেষত প্ৰাচীৰ পত্ৰিকাখন মাহেকীয়া ধৰণে চলাই নিবলৈ সম্পাদিকালৈ অনুৰোধ জনাই মোৰ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন ইমানতে সামৰণি মাৰিলোঁ।

*শ্ৰীৰিউতী ৰবা*
সাধাৰণ সম্পাদিকা ॥



# সমাজ সেৱা সম্পাদিকা ঃ

অসমত শিক্ষা জগতত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হোৱা নগাঁও ছোৱালী মহাবিদ্যালয় এটি অন্যতম শিক্ষানুষ্ঠান। এই অনুষ্ঠানটিৰ ছাত্ৰী একতা সভাৰ ১৯৯২-৯৩ চনত বিনা প্ৰতিদ্বন্দ্বিতাৰে সমাজ সেৱা সম্পাদিকা হিচাপে হবলৈ পাই মই নিজে গৌৰৱান্বিত। এই সুযোগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰীলৈ মোৰ হিয়া ভৰা ওলগ, কৃতজ্ঞতা যাচিলোঁ। মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকাসকললৈ মোৰ শ্ৰদ্ধা নিবেদিলোঁ।

বৰ্ত্তমান শিক্ষা জগতত পদক্ষেপ ৰাখিব পৰাকৈ বলিষ্ঠ সক্ষমতাপূৰ্ণ প্ৰত্যয় নগাঁও ছোৱালী মহাবিদ্যালয়ত আছে। এই প্ৰত্যয় সবল কৰিবলৈ সমাজ সেৱাৰ দিশৰো গুৰুত্ব অপৰিসীম। ছাত্ৰীসকলৰ মাজত সমাজ সেৱাৰ চেতনা জগাই তুলি মহাবিদ্যালয়ৰ লগতে দেশখনৰ সংস্কৃতিত বৰঙণি যোগোৱাৰ ক্ৰমানুগত প্ৰচেষ্টা মহাবিদ্যালয়খনিৰ প্ৰতিষ্ঠাৰে পৰাই আছে। এই দিশতে মোৰ কাৰ্য্যকালত মই কিমান দূৰ ফলপ্ৰসূ হ'ব পাৰিলো সেইয়া ছাত্ৰী-সকলৰ বিচাৰ্য্য। তথাপি মোৰ কাৰ্য্যকালত মই যি পাৰো তাক আন্তৰিকতাৰে কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই। কলেজৰ বিভিন্ন সঙ্গীত-সাংস্কৃতিক আদি অনুষ্ঠানত একতা সভাৰ ছাত্ৰ-ছাত্ৰী বান্ধৱীসকলৰ লগত সেৱামূলক কামত আত্মনিয়োগ কৰি কলেজৰ উন্নতি আৰু সুনাম কঢ়িয়াই আনিবলৈ যত্নপৰ হৈছিলো।

বিভিন্ন বিষয়ত মোক অনুপ্ৰেৰণা যোগাইছিল ৰিউতী বৰা, ৰীমা ডেকা আৰু আমাৰ ছাত্ৰী একতা সভাৰ সদস্যা-সকলে। ইয়াৰ উপৰিও বিভিন্ন বিষয়ত মোক দিহা-পৰামৰ্শ দিয়া শ্ৰদ্ধেয় অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা আৰু একতা সভাৰ ছাত্ৰীসকললৈ কৃতজ্ঞতা আগবঢ়ালোঁ। আমাৰ কাৰ্য্যকালত হোৱা ভুল-ত্ৰুটিৰবাবে মাৰ্জনা সদৌটিৰে পৰা বিচাৰিলো। আমাৰ মহাবিদ্যালয় উজ্জ্বলতৰ হোৱাৰ কামনাৰে।

*শ্ৰীইলা ৰাণী শৰ্মা*
সমাজ সেৱা সম্পাদিকা ॥

# সাংস্কৃতিক সম্পাদিকা ঃ

কৃষ্টিৰ পথাৰে পথাৰে সৃষ্টিৰ শলিতা জ্বলাই সংস্কৃতিকেই জীৱনৰ ব্ৰত হিচাবে গ্ৰহণ কৰা সকলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জনাই প্ৰতিবেদনৰ পাতনি মেলিছোঁ। জয়-জয়তে নগাঁও ছোৱালী মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয়ৰ প্ৰমুখ্যে সমূহ অধ্যাপক-অধ্যাপিকাসৈ আন্তৰিক শ্ৰদ্ধা, মোৰ অগ্ৰজ আৰু অনুজ ছাত্ৰী বান্ধৱীলৈ হিয়া ভৰা প্ৰীতি আগবঢ়ালো।

১৯৯২-৯৩ চনৰ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাংস্কৃতিক বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি যি সকল ছাত্ৰীয়ে মোক এই গভীৰ দায়িত্ব ভাৰ প্ৰদান কৰিলে তেওঁলোকৰ প্ৰতি মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা বিগত বছৰবোৰৰ দৰেই আমাৰ কাৰ্যকালতো শ্ৰীশ্ৰী সৰস্বতী পূজা (দুদিনীয়া কাৰ্য্য-সূচীৰে), মহাবিদ্যালয় সপ্তাহ সমাৰোহ (তিনি দিনীয়াকৈ) শ্ৰীশ্ৰীশংকৰ দেৱৰ তিৰোভাৱ তিথি, শ্ৰীশ্ৰীমাধৱ দেৱৰ তিৰোভাৱ তিথি আদি উৎসৱসমূহ পালন কৰা হয়। উল্লেখযোগ্য যে এইবাৰৰ কলেজ সপ্তাহ সমাৰোহত সাংস্কৃতিক বিভাগৰ তত্বাৱধানত পোন প্ৰথম বাৰৰ বাবে সাজ-পোছাক পৰিধান প্ৰতিযোগিতা পতা হয়। লগতে শ্ৰীশ্ৰীশংকৰ দেৱৰ তিথিৰ উপলক্ষ্যে মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ মাজত বৰগীত প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। সমূহ শিক্ষাগুৰু আৰু ছাত্ৰী বান্ধৱীৰ সহযোগত এই প্ৰতিযোগিতা আৰু কলেজ সপ্তাহ আদি উৎসৱসমূহ সুকলমে পাৰ হৈ যায়। উল্লেখিত কলেজ সপ্তাহ আৰু শ্ৰীশ্ৰী শংকৰ দেৱৰ তিথিত পতা বৰগীত প্ৰতিযোগিতাত যিসকল প্ৰতিযোগীয়ে পাৰদৰ্শিতা দেখুৱালে, তেওঁলোকলৈ আমাৰ অভিনন্দন যাচিলোঁ আৰু সহযোগী সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। উক্ত অনুষ্ঠানসমূহত কলেজৰ কৰ্মচাৰী বৃন্দৰ সহায়-সহযোগিতাই আমাক যি প্ৰেৰণা দান কৰিলে তাৰ বাবে তেখেতসৱৰ শলাগ ললোঁ।

লিখি লিখি দীঘল কৰিব পৰা সাংস্কৃতিক বিভাগৰ প্ৰতিবেদনৰ বিপৰীতে মোৰ এই প্ৰতিবেদনৰ শেষ প্ৰান্তত উপস্থিত হৈ পুনৰ বাৰ সমূহ অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰী বৃন্দলৈ শ্ৰদ্ধা, ছাত্ৰীসকললৈ স্নেহ, সহঃ সাংস্কৃতিক সম্পাদিকা ৰিমা শৰ্মাৰ লগতে ছাত্ৰী একতা সভাৰ সমূহ সদস্যালৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

কলংপাৰত জন্ম হোৱা কবিতা যেনে৷ ভাল লগা হয়। মনোকাৰ্ষণীয় হয়। কলংপাৰৰ এই শিক্ষানুষ্ঠানটিও যাতে কলংপাৰৰ কবিতাৰ দৰেই ভাল লগা হয়, আকৰ্ষণীয় হয়। তাৰেই উত্তৰোত্তৰ উন্নতি কামনা কৰি সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

*শ্ৰীবিণুমণি শৰ্মা*
সাংস্কৃতিক সম্পাদিকা ॥



# সঙ্গীত সম্পাদিকা ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে নগাওঁ ছোৱালী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন লগতে শিক্ষাগুৰু আৰু কৰ্মীবৃন্দক মোৰ সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ।

বিগত ১৯৯২-৯৩ চনৰ মহাবিদ্যালয়ৰ "সঙ্গীত সম্পাদিকা" হিচাপে মোক মনোনীত কৰি যি খিনি সেৱাৰ সুবিধা দিলে তাৰ বাবে সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ আৰু এই সময় ছোৱাত মই মোৰ দায়িত্ব আৰু কৰ্ত্তব্যত কিমান দূৰ সফল হৈছিলোঁ সেইটো ছাত্ৰীসকলৰ বিচাৰ্য্য।

মোৰ কাৰ্য্য কালত ১৩/২/৯২ তাৰিখৰ পৰা তিনি দিনিয়া কাৰ্য্যসূচীৰে "কলেজ সপ্তাহ" সমাৰোহ আৰম্ভ কৰা হয়। এই সমাৰোহত সকলো ধৰণৰ সঙ্গীত প্ৰতিযোগিতাই পতা হৈছিল। যেনে—বৰগীত, লোকগীত, বিহুগীত, বনগীত, জ্যোতি সঙ্গীত, ৰাভা সঙ্গীত, ৰবীন্দ্ৰ সঙ্গীত, ভূপেন্দ্ৰ সঙ্গীত, পাৰ্বতী প্ৰসাদৰ গীত, বিয়া নাম, আই নাম, ঘোষা, সমবেত সঙ্গীত, জিকিৰ, ভজন, গজল আদি। প্ৰতিযোগিতাত বিজয়ীসকলক পুৰস্কাৰ দিয়া হৈছিল।

১৯৯২ বৰ্ষৰ শ্ৰেষ্ঠ কণ্ঠ শিল্পী হিচাপে স্বীকৃতি পোৱা আমাৰ মহাবিদ্যালয়ৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰী শ্ৰীপূৰবী বেজবৰুৱালৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল।

মোৰ কাৰ্য্যকালত দিহা পৰামৰ্শৰে সহায় কৰা ডঃ জ্যোতি চক্ৰবৰ্ত্তী চাৰ, ললিত বৰুৱা চাৰ, তিলক চন্দ্ৰ মজুমদাৰ চাৰ, মঃ ফাইজুৰ ৰহমান চাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে ছাত্ৰী একতা সভাৰ সমূহ ছাত্ৰীকে ধন্যবাদ জনালোঁ।

এই আলোচনীখন প্ৰকাশৰ বাবে যি সফল প্ৰচেষ্টা হাতত লৈছে আলোচনী সম্পাদিকা শ্ৰীৰীমা ডেকালৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

সদৌ শেষত, এই প্ৰতিবেদনত ৰৈ যাব পৰা মোৰ অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰিছো— লগতে নগাওঁ ছোৱালী মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিছোঁ।

ধন্যবাদেৰে—

*শ্ৰীতৃষাবাণী ডেকা*
সঙ্গীত সম্পাদিকা ॥

# ছাত্ৰী-জিৰণি কোঠাৰ সম্পাদিকা ঃ

প্ৰতিবেদনৰ পাতনিতে স্মৰণ কৰিছোঁ সেই মহান শ্বহীদসকলক যিসকলে কণ্টকাকীৰ্ণ পথত ফুল বছা সুগন্ধী দলিচা পাৰিবলৈ সত্যৰ গতি খেদি আগবঢ়াই দিছিল নিজৰ জীৱন। সেই অমৰ বীৰ শ্বহীদ সকলৰ ত্যাগৰ প্ৰতি মোৰ অশ্ৰুসিক্ত অঞ্জলি যাচিছোঁ। যি সকল মহান ব্যক্তিয়ে শাসক-শোষকৰ অত্যাচাৰত চিৰ জীৱনৰ বাবে পংগু হৈছে তেখেতসকলৰ প্ৰতি মোৰ কৃতজ্ঞতা জনাইছোঁ। মোৰ কাৰ্য্যকালৰ ভিতৰত যি সকল বান্ধৱীয়ে অকালতে আমাৰ মাজৰ পৰা চিৰ বিদায় ললে তেওঁলোকৰ আত্মাৰ সদগতিৰ বাবে পৰম পিতাৰ ওচৰত প্ৰাৰ্থনা জনাই মই মোৰ প্ৰতিবেদনৰ পাতনি মেলিছোঁ।

নগাঁও ছোৱালী কলেজৰ অধ্যক্ষ শ্ৰীযুত বিমল কুমাৰ বৰাদেৱলৈ মোৰ অন্তৰৰো অন্তৰৰ পৰা শত সহস্ৰ প্ৰণাম জনাইছোঁ।

১৯৯২—৯৩ চনৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে মহাবিদ্যালয়ৰ বান্ধৱীসকলে নিৰ্বাচিত কৰা বাবে ছাত্ৰী বান্ধৱীসকলৰ ওচৰত মই চিৰ-কৃতজ্ঞ। অসমৰ মাজ মজিয়াত নগাঁও জিলাৰ খ্যাত মহাবিদ্যালয়খনিৰ সামান্য জিৰণি কোঠাটোৰ সম্পাদিকা হিচাপে দায়িত্ব ভাৰ বহন কৰিবলৈ পাই মই নিজকে ধন্য মানিছোঁ। সম্পাদিকা হিচাপে কাৰ্য্যভাৰ লোৱাৰ পিছতেই যিবোৰ কাম কৰিম বুলি ভাবিছিলোঁ সেই কামসমূহ সম্পূৰ্ণকৈ কৰিব নোৱাৰাৰ কাৰণে মই বৰ দুখিত। মোৰ কাৰ্য্যকালত সম্পূৰ্ণ হৈ নুঠা কামবোৰ পিছৰ সম্পাদিকাই সম্পূৰ্ণ কৰে যেন। মই ছাত্ৰী জিৰণি কোঠাটোৰ ছাত্ৰী সকলৰ বাবে কেইবাখনো চকী, বেঞ্চ, যোগান ধৰোঁ। আশা কৰিছোঁ ছাত্ৰীসকলে যেন সৎ ব্যৱহাৰ কৰে। মোৰ ওচৰত থাকি সহায়-সহযোগ কৰাৰ বাবে বান্ধৱী অঞ্জলি, কবিতা, বিউতী, নিৰু আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰী বৃন্দলৈ মোৰ হিয়া ভৰা ওলগ থাকিল। মোৰ অজ্ঞাত ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

***শ্ৰীদীপালী কলিতা,***
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা ॥



# সহ-সাধাৰণ সম্পাদিকা ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে অসম মাতৃৰ অস্তিত্ব ৰক্ষাৰ্থে শ্বহীদ হোৱা অমৰ আত্মাৰ প্ৰতি মোৰ অশ্ৰুসিক্ত প্ৰণাম যাচিছোঁ। অসমৰ শিক্ষা জগতত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হোৱা নগাওঁ ছোৱালী মহাবিদ্যালয় এটি অন্যতম শিক্ষানুষ্ঠান। এই অনুষ্ঠানটিৰ ছাত্ৰী একতা সভাৰ ১৯৯২-৯৩ চনত বিনা প্ৰতিদ্বন্দিতাৰে সহ-সাধাৰণ সম্পাদিকা হবলৈ পাই মই নিজে গৌৰৱান্বিত। এই সুযোগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰীলৈ মোৰ হিয়া ভৰা ওলগ, কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মহাবিদ্যালয়ৰ অধ্যক্ষৰ প্ৰমুখ্যে অধ্যাপক-অধ্যাপিকাসকললৈ মোৰ শ্ৰদ্ধা নিবেদন কৰিলো।

সহকাৰী সাধাৰণ সম্পাদিকা হিচাপে মোৰ দায়িত্ব কিমান পালন কৰিব পাৰিছো সেইটো আপোনালোকৰ বিচাৰ্য্য। শিক্ষাগুৰুসকলৰ শুভাশিস আৰু বান্ধৱীসকলৰ শুভেচ্ছাকে মূলধন হিচাপে লৈ আমি ১৯৯২-৯৩ চনৰ বছৰৰ বাবে কাৰ্য্যভাৰ গ্ৰহণ কৰোঁ। কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই বিদ্যাৰ অধিষ্ঠাত্ৰী শ্ৰীশ্ৰী সৰস্বতী দেৱীৰ পূজা পালন কৰা হয়। তিনিদিনীয়া কাৰ্য্যসূচীৰে কলেজ সপ্তাহ সমাৰোহ উলহ-মালহেৰে পালন কৰা হয়। এই সপ্তাহ সমাৰোহত শ্ৰীমতী পুৰৱী বেজবৰুৱা শ্ৰেষ্ঠা গায়িকা আৰু শ্ৰীমতী দক্ষিণা শৰ্মাই শ্ৰেষ্ঠা অভিনেত্ৰীৰ স্থান অধিকাৰ কৰে। ইয়াৰ পিছত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ তিৰোভাৱ তিথি দিনজোৰা কাৰ্যাসূচীৰে পালন কৰে। মহাপুৰুষ মাধৱদেৱৰ তিথিও সুকলমে পালন কৰা হয়।

ঐতিহ্যমণ্ডিত এই ছোৱালী মহাবিদ্যালয়ৰ ৩১ তম প্ৰতিষ্ঠা দিৱস যোৱা ১২/৯/৯৩ তাৰিখে এদিনীয়া কাৰ্যাসূচীৰে পালন কৰা হয়। প্ৰতিবেদনৰ পাতত আহি আহি আমাৰ কাৰ্য্যকালৰ একেবাৰে শেষ অনুষ্ঠানটি পালেহি। ১৩ চেপ্তেম্বৰ তাৰিখটো আপোনাসৱৰ লগতে আমাৰ বাবেও স্মৰণীয় হৈ ৰ'ব। নৱাগত আদৰণি সভা পৰম্পৰাগত ভাৱে চলি অহা এটি উৎসৱ। ইয়াৰ অন্ততঃ সদায় মাধুৰ্য্য আছে। ই কেৱল হৃদয়ঙ্গমবহে বস্তু। এই সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত বিমল কুমাৰ বৰাদেৱে। মুখ্য অতিথি হিচাপে ভাগ লয় গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য শ্ৰীযুত নিৰ্মল কুমাৰ চৌধুৰীদেৱে। এই আদৰণি সভাত নগাঁও জিলাৰ উপায়ুক্ত শ্ৰীযুত জ্যোতিপ্ৰসাদ শইকীয়া সভাত উপস্থিত থাকি তেখেতসকলৰ সাৰুৱা ভাষণে ন-পুৰণি ছাত্ৰীসকলক যথেষ্ট প্ৰেৰণা যোগায়। উক্ত সভাত আমাৰ মহাবিদ্যালয়ৰ বঙালী বিভাগৰ

অধ্যাপক শ্রীযুত বাদল ঘোচ চাৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত বঙালী সাহিত্যৰ ওপৰত গৱেষণা কৰি পি এইচ ডি উপাধি লাভ কৰি মহাবিদ্যালয়ৰ মুখ উজ্জ্বল কৰা বাবে তেখেতলৈ আমাৰ একতা সভাৰ ফালৰ পৰা আদৰণি জনাওঁ। আমাৰ কলেজৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত শ্ৰীমতী সংযুক্তা শৰ্মা অসমৰ ভিতৰত অষ্টম স্থান অধিকাৰ কৰি মহাবিদ্যালয়ৰ সু-নাম অৰ্জন কৰাৰ বাবে তেখেতলৈও আমাৰ হিয়া ভৰা অভিনন্দন লগতে শুভাশিস জ্ঞাপন কৰিলোঁ।

আমাৰ কাৰ্য্যকালৰ ভিতৰত কলেজৰ উন্নয়নমূলক কামৰ ভিতৰত পুথিভঁৰাল স্থায়ীকৰণ, শ্ৰেণী কোঠাৰ নাটনি দূৰ, খোৱা পানীৰ ব্যৱস্থাৰ লগতে ছাত্ৰী-জিৰণি কোঠাৰ খৰতকীয়া নিৰ্মাণৰ বাবে আমি অধ্যক্ষ মহোদয়ৰ ওচৰত চিৰকৃতজ্ঞ।

মোৰ কাৰ্য্যকাল ছোৱাত বিভিন্ন দিশত দিহা-পৰামৰ্শ দি সহায় আগবঢ়োৱা আৰু অন্তৰঙ্গতাৰে প্ৰেৰণা যোগোৱা বান্ধৱী লগতে ছাত্ৰীনিবাসৰ সমূহ ছাত্ৰী-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ জনাইছোঁ।

সদৌ শেষত আমাৰ কাৰ্য্যকালৰ ভিতৰত যদি অজানিতে কিবা ভুল কৰিছো তাৰ বাবে নগাওঁ ছোৱালী **মহাবিদ্যালয়ৰ** সমূহ শিক্ষাগুৰু, ছাত্ৰী বান্ধৱীৰ ওচৰত ক্ষমা বিচাৰিছোঁ। আমাৰ কাৰ্য্যকালত কৰিব নোৱাৰা কামবোৰ পিছৰ ছাত্ৰী একতা সভাই কৰিব বুলি আশা কৰি আজিলৈ এই প্ৰতিবেদন সামৰণি মাৰিলোঁ।

*শ্ৰীইলাক্ষী ডেকা,*
সহ-সাধাৰণ সম্পাদিকা ॥

নগাওঁ ছোৱালী কলেজৰ অধ্যক্ষ
শ্ৰীবিমল কুমাৰ বৰাৰ দ্বাৰা প্ৰকাশিত ঃ
ছপা ঃ সুছন্দা প্ৰেছ, বীৰেণ মহন্ত পথ :
নগাওঁ—৭৮২০০১